# ASSAM LEGISLATIVE ASSEMBLY DEBATES

# OFFICIAL REPORT

## NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

NO. 12

The 4th August, 2004

Price : 96.00

# CONTENTS

## BUDGET SESSION

## NO. 12

## Dated, the 4th August, 2004


| | | |
|---|---|---|
| 1. | Questions and Answers | 1- 61 |
| 2. | Miscellaneous | 62 - 62 |
| 3. | Discussion on Zero Hour Matter | 63 - 74 |
| 4. | Statement by Minister | 74 - 76 |
| 5. | Call Attention Notice | 76- 76 |
| 6. | Matter under Rule 301 | 80- 83 |
| 7. | Presentation of the Report of the legislature Committee | 84 - 84 |
| 8. | Statement by Chief Minister | 85 - 87 |
| 9. | Government Resolution | 87 - 87 |
| 10. | Adjournment | 88 - 88 |
| 11. | Annexure - I - X | 89 - 112 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 4th August, 2004

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

**( To which oral replies were given)**

**Mr. Speaker :** Now, Starred Question No. 301, Hon'ble Member, Shri Prafulla Kumar Mahanta. Hon'ble Minister I/C Revenue will reply.

**বিষয় : ভূমি আৱণ্টন।**

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :**

**★ ৩০১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) নগাওঁ জিলাৰ বঢ়মপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত জনজাতি এলেকাত ভূমি অজনজাতীয় লোকক আৱণ্টন দিয়াতো সত্যনে ?

(খ) যদি সত্য , এই ভূমি কাক আৱণ্টন দিয়া হৈছে ?

(গ) উক্ত ভূমি আৱণ্টন অবৈধভাবে কৰা হৈছে নেকি আৰু যদি হৈছে নাকচ কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

**শ্ৰীগৌতম ৰয় , (সমাজ কল্যাণ) মন্ত্ৰীয়ে উত্তৰ দিছে :**

(ক) সচাঁ নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

**★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ** ১৯৫০ চনৰ পৰা বাৰ হাজাৰ নব্বৈ বিঘা মাটি লৈ বৰপথাৰ ট্ৰাইবেল ব্লক গঠন কৰা হৈছিল। এতিয়া দেখা গৈছে যে এই ট্ৰাইবেল ব্লকৰ মাটি অজনজাতীয়ে হস্তক্ষেপ কৰিছে আৰু সেই কাৰণে যোৱা ২৭-৬-২০০৪ তাৰিখে পুৰুষ-মহিলা সকলো মিলি হালবোৱা কাৰ্যসূচী হাতত লৈছিল। ১৯৯৪ চনতো এই প্ৰশ্নটো উত্থাপন হৈছিল। তেতিয়া নিজামুদ্দিন

---

★ Speech not corrected

খান মাননীয় বিধায়ক আছিল। এতিয়া মই জানিব বিচাৰিছো যে মাটি অজনজাতীয় লোকলৈ হস্তান্তৰ কৰা হৈছে নেকি ?

★ **শ্ৰীৰিপুন বৰা (মন্ত্ৰী) :** চাৰ, চৰকাৰী নথি মতে মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেই মাটি অজনজাতীয় লোকক দিয়া হোৱা নাই। কিন্তু চৰকাৰী নথি মতে তাত বেদখল কৰিবৰ কাৰণে বহু লোকে চেষ্টা চলাইছে। সেইটো চৰকাৰে ভূমি আইনৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিব।

★ **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত :** প্ৰশ্ন হৈছে ট্ৰাইবেল ব্লকত থকা মাটি অজনজাতীয় লোকলৈ হস্তান্তৰ কৰা হৈছে, তাৰ কাৰণে ট্ৰাইবেল সংঘই আন্দোলন কৰিছে। পুৰুষ মহিলাই হাল বাইছে আৰু ভালেকেইজনক গ্ৰেপ্তাৰো কৰা হৈছে ২৩-৪ তাৰিখে এইটো এ-ডি-চি ৰেভিনিউয়ে কৰিছে। ট্ৰাইবেল ব্লকৰ মাটি অজনজাতীয় লোকলৈ হস্তান্তৰ কৰা বন্ধ কৰিব নোৱাৰিনে ?

★ **শ্ৰীৰিপুন বৰা (মন্ত্ৰী) :** নীতি বিৰুদ্ধ কথা বিলাক বন্ধ কৰিব পাৰি। জনজাতিয় লোকৰ মাটি অজনজাতীয় লোকলৈ হস্তান্তৰ কৰিব নোৱাৰে। ৰেজিষ্টাৰ কৰিবলৈ লওতে ৰেজিষ্টাৰ অফিচাৰে অনুমতি নিদিয়ে। যদি কাগজ পত্ৰ ঠিক মতে নিদি আইনক ফাঁকি দিয়ে আৰু গোপনে কৰে তেনেহলে চৰকাৰে তদন্ত কৰিব আৰু যদি তেনে কৰা হলে ব্যৱস্থা গ্ৰহণ কৰিব ।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া :** চাৰ , এই বিষয়ৰ লগত জড়িত বিষয়াজনক অসম চৰকাৰৰ যি আইন আছে তাৰে চেপ্টাৰ টেনৰ অধীনত ভূমি হস্তান্তৰ কৰাৰ কাৰণে ছয় মাহৰ জেল আৰু এহাজাৰ টকাৰ জৰিমণা কৰাৰ যিটো শাস্তি আছে প্ৰদান কৰা হ'বনে ?

★ **শ্ৰীৰিপুন বৰা (মন্ত্ৰী) :** চৰকাৰী আইন মতে যি ব্যৱস্থা আছে সেইটো নিশ্চয় কৰা হ'ব।

**Mr. Speaker :** Now, Starred Question No. 302, Hon'ble Member, Shri Ali Akbar Miah. Hon'ble Minister I/C Revenue well reply.

## বিষয় : খাচ মাটিৰ পৰা মাটি থকা বেদখলকাৰীক উচ্ছেদ।

**শ্ৰীআলী আকবৰ মিঞাই সুধিছে :**

★ ৩০২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

* Speech not corrected

(ক) বিলাসীপাৰা ভূ-চক্ৰৰ কাঠান্দি ১ম, ২য়, ৩য় খণ্ড গাঁওত ছিলিং উদ্ধৃত্তসহ (৭৮৯ বিঘা ৪ কঠা + ৬৫ বিঘা ৪ কঠা ১৬ লেছা ) ৮৫৪ বিঘা ৮ কঠা ১৬ লেছা চৰকাৰী মাটিত ৩৭৮ জন ভূমিহীন আৰু ১৬৮ জন মাটি থকা পৰিয়ালে বেদখল কৰি খাই আছে সঁচানে ? (বিধান সভাৰ ১০-৪-০২ ৰ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ২৬ , ১২-৩-০৩ ৰ তৰা বিহীন প্ৰশ্ন নং ৩০৫ ৰ প্ৰসংগক্ৰমে।)

(খ) মাটি থকা বেদখলকাৰী সকলক উচ্ছেদ নকৰিবলৈ অসম ৰাজহ বোৰ্ডে দিয়া স্থগিতাদেশ কোন তাৰিখত উঠাই লোৱা হৈছে ? (স্থগিতাদেশ উঠাই লোৱা আদেশৰ কপি দিব)

(গ) ৰাজহ বোৰ্ডে স্থগিতাদেশ উঠাই লোৱাৰ পাছত পূৰ্বৰ আবেদনৰ ভিত্তিত বিভিন্ন অনুস্থান প্ৰতিষ্ঠান জনপ্ৰতিনিধিৰ ফালৰ পৰা আপত্তি পোৱাৰ পাছতো এজনকো উচ্ছেদ কৰা ন'হ'ল বৰঞ্চ বেদখলকাৰীক কোৰ্টৰ কেচ কৰাৰ সুবিধাহে কৰি দিয়া হ'ল সঁচানে মিছা ? ( কোৰ্টৰ আদেশৰ কপি দিব)

(ঘ) বিধান সভাৰ ১২-৩-০৩ৰ প্ৰশ্নোত্তৰৰ প্ৰতিশ্ৰুতি মতে ৰাজহ বোৰ্ডৰ স্থগিতাদেশ উঠাই লোৱাৰ লগে লগে উচ্ছেদ কাৰ্য্য সম্পূৰ্ণ কৰি আৱণ্টনৰ ব্যৱস্থা নকৰাৰ কাৰণ কি ?

**শ্ৰী গৌতম ৰয় (সমাজকল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বেদখল কৰি থকাটো সঁচা।

(খ) ৰাজহ বোৰ্ডে ২৫/৯/২০০২ তাৰিখে অন্তৰ্বৰ্ত্তিকালীন আদেশ যোগে জাৰি কৰা স্থগিতাদেশ ২১/৫/২০০৪ তাৰিখৰ চূড়ান্ত নিৰ্দ্দেশ মৰ্মে উঠায় লয়। (প্ৰতিলিপি সংলগ্ন কৰা হ'ল) (See Annexure - I)

(গ) সঁচা নহয়। প্ৰতিলিপি সংলগ্ন কৰা হ'ল। (See Annexure - II)

(ঘ) ২১/৫/২০০৪ তাৰিখৰ ৰাজহবোৰ্ডৰ নিৰ্দ্দেশৰ পাচতে বেদখলকাৰীসকলে জুন মাহত উচ্চ ন্যায়ালয়ত ডব্লিউ, পি, চি ৪২১৭ যোগে ৰিট আবেদন দাখিল কৰা হেতুকে বেদখলকাৰী সকল উচ্ছেদ কৰিব পৰা নহ'ল। উচ্চ ন্যায়ালয়ে এই আবেদনৰ ওপৰত ১৮/৬/২০০৪ ইং তাৰিখত ৰায় দান কৰে। এই ৰায় এতিয়ালৈকে চৰকাৰে আনুষ্ঠানিক ভাবে নোপোৱা বাবে ইয়াৰ ওপৰত ব্যৱস্থা ল'ব পৰা নাই।

**শ্ৰী আলী আকবৰ মিঞা ঃ** - ছাৰ ,আমাৰ বিলাসীপাৰাৰ ওচৰৰে চৰকাৰী মাটি ভূপতি সকলে বেদখলকৰি ৰাখিছে। তাত ভালেখিনি ভূমিহীন মানুহেও বহু দিনৰ পৰা থাকি জীৱিকা নিৰ্বাহ কৰি আছে। ৰেভিনিউ বোৰ্ডত কেচ চলিছে। সেয়ে এভেক্চন কৰিব পৰা নাই। ১২-৩-২০০৩ তাৰিখে উত্তৰ দিছে আৰু কোৱা হৈছে যে ৰেভিনিউ বোৰ্ডৰ

কেচ নিষ্পত্তি হোৱাৰ লগে লগেই উচ্ছেদ কৰা হ'ব। ৰেভিনিউ বোৰ্ডৰ কেচ উঠোৱাৰ কথা এচ. ডি. অ. আৰু ডি. চি.ক কৈছে। আকৌ কেচ কৰাৰ ব্যৱস্থা লৈছে ভূপতি সকলৰ লগত লগ হৈ কিছুমান বিষয়াই। তেনে বিষয়াৰ ওপৰত বিহিত ব্যৱস্থা লবনে আৰু এই ভূমিহীন লোকখিনিক উক্ত চৰকাৰী মাটিত সংস্থাপন দিবনে?

☆ **শ্ৰীৰিপুন বৰা, (মন্ত্ৰী) ঃ-** চাৰ, সন্মানীয় সদস্যগৰাকীয়ে যি মাটিৰ কথা কৈছে সেইখিনি বেদখল কৰি এসময়ত নিজৰে নদীৰ গৰাখহনীয়া ভূমিহীন লোক বুলি বাস কৰা কথা সঁচা। তেওঁলোকে বোৰ্ড অৱ ৰেভিনিউত দিছিল কিন্তু চৰকাৰী মাটি বুলি কৈছে। এইটো চিলিঙৰ মাটি নহয় খাচ চৰকাৰী মাটি বেদখল কৰাৰ পিচত চৰকাৰে ভূমি আইনৰ অধীনত জাননী জাৰি কৰিছে। সেই জাননীৰ বিৰুদ্ধে বোৰ্ড অৱ ৰেভিনিউত আপীল কৰিছিল। স্থগিত ৰাখিছে। গতিকে চৰকাৰে উচ্ছেদ কৰিব পৰা নাছিল। চৰকাৰেও বোৰ্ড অৱ ৰেভিনিউৰ ওচৰত আপীল কৰিছে চৰকাৰী পক্ষৰ পৰা এই স্থগিতৰ কথা লৈ। চৰকাৰে হাইকোৰ্ট কৰিছে আৰু উচ্ছেদৰ প্ৰস্তুতি চলাইছে। হাইকোৰ্টৰ হস্তক্ষেপ থকা কাৰণে উচ্ছেদ কৰিব পৰা নাই। হাইকোৰ্টৰ চুড়ান্ত ৰায়ৰ পিচত চৰকাৰে ব্যৱস্থা ল'ব।

**শ্ৰীআলী আকবৰ মিএল ঃ-** অধ্যক্ষ মহোদয়, এই উচ্ছেদ কাৰ্য্যৰ স্থগিতাদেশ উঠাই লোৱাৰ কাৰণে ৰাজ্য চৰকাৰে ৰেভিনিউ বোৰ্ডত ম'ভ কৰা বুলি কৈছে যদিও চৰকাৰে সময়মতে ম'ভ কৰা নাই। এইটো কেছ মই নিজে স্থানীয় এন.জি.অ.ৰ দ্বাৰা ম'ভ কৰি নাকচ কৰিছো। যি কি নহওক, ১২/৩/২০০৩ তাৰিখৰ এটা তৰা বিহীন প্ৰশ্নত চৰকাৰে উত্তৰো দিছিল। আনহাতে ২১/৫/২০০৪ তাৰিখে ৰেভিনিউ বোৰ্ডে স্থগিতাদেশ উঠাই লৈছে। কিন্তু এই ক্ষেত্ৰত চৰকাৰে লগে লগে ব্যৱস্থা গ্ৰহণ নকৰি তাৰ বিপৰীতে বেদখলকাৰী সকলক প্ৰায় এমাহ সময় দি তেওঁলোকক হাইকৰ্টত কেচ কৰাৰ কাৰণে সুবিধা দিয়া হ'ল। গতিকে এই বিষয়টো থৰ'লি ইনকুৱেৰী কৰি যি সকল প্ৰকৃত ভূমিহীন লোক তেওঁলোকক মাটি আবন্তন দিয়াৰ ব্যৱস্থা কৰি মাটি থকা ধনী বেদখলকাৰী সকলক উচ্ছেদ কৰাৰ ব্যৱস্থা কৰিব নে আৰু তাৰ লগে লগে যি সকল চৰকাৰী বিষয়াই গাফিলতিত পুনৰ হাইকৰ্টত কেচটো হ'ল সেইসকল বিষয়াৰ বিৰুদ্ধে বিভাগীয় তদন্ত কৰি ব্যৱস্থা গ্ৰহন কৰিব নে?

☆ **শ্ৰীৰিপুন বৰা (মন্ত্ৰী) ঃ-** অধ্যক্ষ মহোদয়, এই বিষয়টোত ১২/৩/২০০৩ তাৰিখে যিটো উত্তৰ দিয়া হৈছিল সেই মৰ্মে ইমান খিনি মানুহক অতি কম সময়ৰ ভিতৰতে এভেক্‌চন কৰাতো এটা সমস্যা হৈ পৰিল। ২৪ ঘণ্টা বা ৪৮ ঘণ্টাৰ ভিতৰতে এই কামবিলাক কৰিব পৰা ধৰণৰ নাছিল। আজি এইটোৱেই নহয় গোটেই অসমতে মাটিৰ ক্ষেত্ৰত

* Speech not corrected

বেদখলকাৰীক উচ্ছেদ কৰিবলৈ লওতেই বেদখলকাৰীয়ে হাইকৰ্টৰ পৰা স্থগিতাদেশ লয়। সেইবোৰ কাৰণতে চৰকাৰে ব্যৱস্থা ল'ব নোৱাৰে। মাননীয় সদস্য গৰাকীয়ে বিভাগীয় বিষয়াৰ বিৰুদ্ধে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে যিটো কথা কৈছে সেই ক্ষেত্ৰত আমাৰ কোনো আপত্তি নাই আৰু কাকো ৰক্ষনা বেক্ষন দিয়াতো চৰকাৰৰ উদ্দেশ্য নহয়। এই ক্ষেত্ৰত যদি ডেলিবাৰেট্লি কিবা লেপ্চ হৈছে তেনেহলে আমি নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

**শ্ৰীআলী আকবৰ মিএগ্ৰা ঃ** অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত চৰকাৰৰ হাতত যিমান খিনি নথি আছে, মোৰ হাততো আছে। এই গোটেই নথিপত্ৰ বিষয়টো ভালদৰে তদন্ত কৰি দোষী বিষয়া সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নে সেই বিষয়ে মন্ত্ৰী মহোদয়ে স্পষ্টকৈ কলে ভাল হয়।

*** শ্ৰীৰিপুন বৰা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ভাল পৰামৰ্শ দিছে। আমি তেখেত সকলকো অনুৰোধ কৰিছো, তেখেত সকলে আমাক সহায় কৰক। আমি নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিম।

**শ্ৰীআলী আকবৰ মিএগ্ৰা ঃ** মই ব্যৱস্থা লোৱাৰহে কথা কৈছো। সহায় কৰা কথাটো নাহে।

*** শ্ৰীৰিপুন বৰা (মন্ত্ৰী) ঃ** এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হব।

*** শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছু দিনৰ পৰা অসমত তেল চুৰি ঘটনাটোৱে ৰাজ্য খনত এটা জোকাৰণি দি গৈছে আৰু এই বিষয়টোৱে এক চাঞ্চাল্যকৰ সৃষ্টি কৰিছে।

(সদনত গন্দগোল)

(মাননীয় সদস্য গৰাকীয়ে বাতৰি কাকতৰ পৰা তেল চুৰি ঘটনা সম্পৰ্কত সদনৰ দৃষ্টি আকৰ্ষণ কৰিব খোজে যদিও কেইবাজনো মাননীয় সদস্যই একেলগে ঠিয় হৈ বিষয়টোত বাধা দিয়াত কাৰো কথা ভালদৰে শুনা নাযায়।)

**মাননীয় অধ্যক্ষ ঃ** এইটো দিয়া নহব, এইটো দিয়া নহব।

(ইয়াৰ পিচত অ,গ,প, বিধায়ক সকলে কিছু সময়ৰ বাবে সদন কক্ষ ত্যাগ কৰে।)

**Mr. Speaker :** Starred Question No. 303, Hon'ble Member. Shri Monilal Gowala.

---

* Speech not corrected

## Subject : No. of A.S.T.C. Bus

**Shri Manilal Gowala asked :**

★ **303.** : Will the Minister of Transport be pleased to state :

(a) The number of A.S.T.C. buses in Assam when the existing Government took over ?

(b) Total annual income on average during the above period?

(c) Total number of A.S.T.C. buses playing now (category wise) and number of buses under A.S.T.C. (Category wise) and income per month since June, 2001?

**Sri Anjan Dutta,** (Minister of Transport) replied :

(a) 118 Nos.

(b) Total revenue earning during the financial year 2001-01 from the own vehicles of ASTC was Rs. 218.89 lakhs.

(c) (1) No. of vehicles running at present :

(i) Own vehicle of ASTC. (Category wise)

| | | |
|---|---|---|
| (1) city Bus (Ordinary) | - | 30 Nos. |
| (2) Low floor City Bus | - | 12 ,, |
| (3) 26 Seater Bus | - | 12 ,, |
| (4) Deluxe Vehicles | - | 77 ,, |
| (5) Ordinary Vehicles | - | 155 ,, |
| | Total - | 286 Nos. |

(ii) Vehicles running under ASTC (Category wise) :

| | | |
|---|---|---|
| (1) 26 Seater Buses | - | 647 Nos. |
| (2) District Type | - | 471 Nos. |
| (3) Deluxe vehicles | - | 237 Nos. |
| (4) Executive Class | - | 25 ,, |
| (5) Air conditioned | - | 6 ,, |
| (6) City Bus | - | 106 ,, |
| | Total - | 1492 ,, |

(2) The details of revenue earnigs from own vehicles and from the vehicles running under ASTC month wise from June' 2001 to June ' 2004 enclosed herewith. (see Annuexure - III)

★ **Shri Monilal Gowala :** Sir, I convey my thanks to the Hon'ble Minister for reply, Sir, may I know from the Hon'ble Minister whether he has taken any scheme for developing the ASTC Bus Stations through out the State and in particular, with reference to Karimganj ASTC Bus Station.

★ **শ্ৰীঅঞ্জন দত্ত ( মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি বাছ আস্থান সমূহ মেৰামতি কৰি পৰিবহন নিগমৰ বাছ চলোৱা আৰু ৰখাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো যদিও আমাৰ বিত্তীয় অৱস্থা টনকিয়াল নোহোৱাৰ কাৰণে বিষয়াসকলকো তেওঁলোকৰ সমষ্টি উন্নয়ণ পুজিৰ পৰা কিছু টকা ইয়াৰ কাৰণে দিবলৈ অনুৰোধ কৰিছো। এই ক্ষেত্ৰত বিভিন্ন প্ৰতিস্থান আৰু ব্যক্তিগত দোকানী সকলৰ পৰাও আমি সাহায্য পাইছো। এনে ধৰণে আমি পৰিবহন নিগমৰ আস্থান সমূহ মেৰামতি কৰি বাছ চলাচলৰ ব্যৱস্থা হাতত লৈছো।

★ **শ্ৰীৰাজু চাহু ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় বাছ আস্থান সমূহ মেৰামতি কৰি বাছ চলাচলৰ ব্যৱস্থা কৰা বুলি কৈছে। মোৰ সমষ্টি চাবুৱাৰ পৰা গুৱাহাটীলৈ বাছ চলাচলৰ ব্যৱস্থা এতিয়ালৈ হোৱা নাই। গতিকে তাৰ পৰা এখন নতুন বাছ দি গুৱাহাটীলৈ চলাচলৰ ব্যৱস্থা কৰিবনে ?

★ **শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি কম দূৰত্বৰ পথতকৈ দুৰণি বটীয়া ৰাস্তাত গাড়ী দিয়াৰ কাৰণে যথেষ্ট গুৰুত্ব দিছো। কিয়নো কম দূৰত্বৰ পথত গাড়ীৰ লোকচান হয়। গতিকে মাননীয় সদস্য গৰাকীয়ে গাড়ীৰ বাবে যিটো কথা কৈছে সেই ক্ষেত্ৰত তেখেতৰ সমষ্টিৰ অন্তৰ্গত চাবুৱাৰ পৰা গুৱাহাটী কিম্বা চিলংলৈ দীঘলীয়া যাত্ৰাৰ বাবে দাবী আহিলে সেই বিষয়ে আমি বিবেচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

★ **শ্ৰীমতী প্ৰণতি ফুকন ঃ** অধ্যক্ষ মহোদয়, নৱ নিৰ্মিত আস্থান সমূহত নতুনকৈ কৰ্মচাৰী নিয়োগ কৰিব নেকি ? যদি কৰে তেনেহলে কি ভিত্তিত নিয়োগ কৰিব মন্ত্ৰী মহোদয়ে জনাব নে ?

---

✻ Speech not corrected

★ **শ্ৰীঅঞ্জন দত্ত ( মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, পৰিবহন নিগমত নতুনকৈ কোনো নিযুক্তি দিয়া হোৱা নাই আৰু ভবিষ্যতেও দিয়াৰ প্ৰস্তাৱ নাই। এতিয়া যিবিলাক নতুন আস্থান কৰা হৈছে সেই বিলাকত বৰ্ত্তমানে থকা কৰ্মচাৰী সকলকে তাত দিয়াৰ ব্যৱস্থা কৰা হৈছে।

★ **শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ** – অধ্যক্ষ মহোদয়ে, শিৱসাগৰ বাছ আস্থানটো কেনেকৈ নিৰ্মাণ কৰা হ'ল সেই বিষয়ে মন্ত্ৰী মহোদয়ে কব নেকি?

★ **শ্ৰীঅঞ্জন দত্ত ( মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই আস্থানটো এটা ট্ৰাষ্ট আৰু কিছুমান দোকানীৰ পৰা সাহায্য লৈ কৰা হৈছে। আমি টেণ্ডাৰ কল কৰি দোকানীসকলৰ পৰা ৫০ হাজাৰ টকা পৰ্য্যন্ত এডভান্স লৈছো আৰু সেই টকাৰ পৰা মাহে এটা অংশ কাটি যোৱাৰ ব্যৱস্থা কৰিছো। আমি অসমৰ সকলো ঠাইতে এনে ধৰণে বাছ আস্থান সমূহ নিৰ্মান কৰাৰ কাৰণে অনুমতি দিছো আৰু সেইমতে ব্যক্তিগত দোকানী আৰু অন্যান্য প্ৰতিস্থান সমূহৰ পৰা সহাঁৰি পাইছো।

**Mr. Speaker :** Now, Starred Question No. 304, Hon'ble Member, Shri Phani Bhusan Choudhury. Shri Bharat Chandra Narah, Hon'ble Minister will reply.

## বিষয় : আক্ৰাছুৰ আন্দোলন।

**শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে :**

★ ৩০৪। **মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) আক্ৰাছুকে আদি কৰি কোচ, ৰাজবংশী সম্প্ৰদায়ৰ বিভিন্ন সংগঠনে কমতাপুৰ ৰাজ্যৰ দাবীত সময়ে সময়ে আন্দোলনৰ কাৰ্য্যসূচী পালন কৰাটো সঁচানে?

(খ) যদি সঁচা হয়, কমতাপুৰ ৰাজ্যৰ দাবীৰ সংক্ৰান্তত চৰকাৰৰ স্থিতি কি ?

(গ) কমতাপুৰ দাবী কৰা সংগঠন সমূহৰ লগত আলোচনা কৰি কোচ ৰাজবংশী সম্প্ৰদায়ৰ বিভিন্ন সমস্যা সমূহ সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, সঁচা।

(খ) কমতাপুৰ ৰাজ্যৰ দাবী মানি লোৱাৰ প্ৰশ্ন নুঠে।

---

★ Speech not corrected

(গ) ইতিমধ্যে কোঁচ ৰাজবংশী সকলৰ এটা প্ৰধান দাবী যেনে - 'জনজাতি কৰণ' বিষয়টো কেন্দ্ৰীয় চৰকাৰলৈ ৰাজ্যিক চৰকাৰৰ অনুমোদন সহ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

☆ **শ্ৰীফণী ভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে সুকীয়া ৰাজ্যৰ দাবী সংক্ৰান্তত দিয়া উত্তৰত আমিও একমত। অসমত আৰু এখন ৰাজ্য হওক সেইটো আমিও বিচৰা নাই। কিন্তু অসমত নতুন নতুন ৰাজ্যৰ দাবী কৰি আটোনোমাচ কাউঞ্চিল লোৱা দৃষ্টান্ত আছে। যি সংগঠন সমূহে এই দাবী কৰিছে তেওঁলোকৰ লগত আলোচনা বিলোচনাৰ মাজেৰে বিশেষ ব্যৱস্থা কৰিব নেকি ?

☆ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ এই ক্ষেত্ৰত সুকীয়া ৰাজ্যৰ দাবী মানি লোৱাৰ প্ৰশ্ন নাহে চৰকাৰে সিদ্ধান্ত লৈছে যে তেওঁলোকৰ আন দাবী হৈছে জনজাতিৰ অৰ্ন্তভূক্ত কৰা। দাবী জনোৱাৰ ভিতৰত আছে চাৰি গোষ্ঠী টাই, মটক মৰাণ আৰু কোচ ৰাজবংশী। তেওঁলোকৰ প্ৰত্যেক দলৰ প্ৰতিনিধি লৈ বিধান সভা শেষ হোৱাৰ পাচত এক আগষ্ট মাহতে যোৱা হব আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰা হ'ব। এই সকলক জনজাতিৰ অন্তৰ্ভুক্ত কৰিবলৈ.............

☆ **শ্ৰীফণী ভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে যি সিদ্ধান্ত লৈছে অতি অভাবনীয়। অকল ছাত্ৰসন্থাৰ প্ৰতিনিধি লৈ গলে খেলি মেলি হব পাৰে। মই ভাবো কোচৰাজবংশীৰ প্ৰতিটো সংগঠনৰ পৰা ২ জনকৈ **প্ৰতিনিধিৰ ব্যৱস্থা কৰিব লাগে।**

☆ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ অকল ছাত্ৰ সন্থাৰ প্ৰতিনিধি বুলি যি সকল এই সংগঠনত জড়িত আছে তেওঁলোকৰ পৰাও অন্তৰ্ভূক্ত কৰা হ'ব।

☆ **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় মন্ত্ৰী মহোদয়ে অধিবেশনৰ পাচত আগষ্ট মাহতেই দিল্লীলৈ নতুন ৰাজ্য দাবী কৰা প্ৰতিনিধি সকলক ট্ৰাইবেলৰ ষ্টেটাচ দিবলৈ দাবী জনাবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যোৱাৰ কথা। কিন্তু মন্ত্ৰী মহোদয়ে, এইটো কথা ভাবিছে নে যে পুৰনা ট্ৰাইবেলখিনিৰ কি অৱস্থাত থাকিব। আগতে শতকৰা ১০ আছিল এতিয়া ১২ কৰিবলৈ কোৱা হৈছে জনসংখ্যা বঢ়াৰ লগে লগে। এতিয়া নতুন গোষ্ঠীক জনজাতি কৰিব বিছাৰিছে কিন্তু অৰিজিন যিখিনি জনজাতি আছে তেওঁলোক কি ধৰণে থাকিব ? গাইড লাইন কি হ'ব?

---

✻ Speech not corrected

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** ৬টা জন গোষ্ঠী জনজাতি কৰন কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰা হ'ব। কিন্তু পুৰণি জনজাতি খি নি যাতে ভাবুকি নহয় তাৰ কাৰণে লক্ষ্য ৰখা হব। যদি প্ৰস্তাবটো কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰে তেন্তে পুৰনা নতুনৰ যাতে সমিলমিল নহয় তাৰ বাবে চাম।

★ **শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কব বিচাৰিছোঁ যে যিসকলক নতুনকৈ জনজাতিৰ অন্তৰ্ভুক্ত কৰিব বিচাৰিছে কৰক তেওঁলোকো অৰ্থনৈতিক ভাবে পিচপৰি আছে। কিন্তু পুৰণা জনজাতিৰ জনসংখ্যা বঢ়াৰ লগে লগে শতকৰা ১০ ঠাইত ১২ শতকৰা কৰিবলৈ চৰকাৰৰ ওচৰত আবেদন কৰা হৈছিল সংৰক্ষণৰ ক্ষেত্ৰত। চৰকাৰে এই বিষয়ে কি ব্যৱস্থা লৈছে ?

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** এতিয়া জনসংখ্যা বাঢ়িছে সেইটো হয়। বিবেচনা কৰা হব।

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** ভৱিষ্যতে তেজৰ নৈ বব। সকলো জনজাতিৰ গোষ্ঠী এই অসমত থাকে। যিহেতুকে সকলোৰে জনজাতিৰ ষ্টেটাচ বিছাৰিছে গোটেই অসমখনকে জনজাতীয় ৰাজ্যৰ কৰাৰ বাবে কেন্দ্ৰত প্ৰস্তাৱ আগবঢ়াব নেকি ?

**মাননীয় উপাধ্যক্ষ ঃ** ৬ টা জনগোষ্ঠীৰ ভিতৰত গোৰ্খা জনগোষ্ঠীও এটা আছে। তেওঁলোকো, অ, বি, চিৰ তালিকা ভুক্ত। দিল্লীলৈ যাওঁতে মেম'ৰেনড্যাম দিবলৈ এই গোৰ্খা জনগোষ্ঠীৰ পৰাও ২ জন প্ৰতিনিধি দিবলৈ অনুৰোধ কৰিলো।

★ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** অধ্যক্ষ মহোদয়, সংবিধানৰ কাইটেৰিয়া কি জনাব নেকি ?

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** একো ক্ৰাইটেৰিয়া নাই।

★ **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, ১৯৯৯ চনতেই এই বিষয়টো বিবেচনা কৰা হৈছিল। কি ভিত্তিত কৰা হৈছিল আৰু কিয় সেই ভিত্তি এৰি দিয়া হ'ল? এতিয়া গোটেই ৰাজ্যখনকে পাৰিলে জনজাতীয় ৰাজ্য হিচাবে ঘোষোণা কৰা হওক।

(সদনত হুলস্থুল লাগে)

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়ে যিটো প্ৰস্তাৱ দিছে সেইটো বিবেচনা কৰা হ'ব।

মাননীয় সদস্য দিলীপ শইকীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে, সেই সম্পৰ্কত কওঁ যে চৰকাৰৰ হাতত এতিয়া তেনে প্ৰস্তাৱ নাই। শ্ৰীকৰেন্দ্ৰ বসুমতাৰী

* Speech not corrected

ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছিল আমাৰ কাইটেৰিয়া একো নাই, জনজাতীয় কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰিব। শ্ৰীপবিন্দ্ৰ ডেকাই জনজাতীয় কৰণৰ যিটো কথা কৈছে সেইটো চৰকাৰে বিবেচনা কৰা নাই। এনেকুৱা প্ৰস্তাৱ এতিয়া অহাও নাই, যদি আহে বিবেচনা কৰা হ'ব।

★ **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ অধ্যক্ষ মহোদয়, অসমৰ যিবিলাক জনগোষ্ঠীয়ে ট্ৰাইবেল হবলৈ বিচাৰিছে সেই সকলৰ বিষয়ে কিবা চিন্তা কৰা হ'ব বুলি কৈছে। সেই কিবাটোনো কি ? তাৰ কিবা স্পষ্ট নীতি কৰিবনে কি ?

★ **ড° জয়নাথ শৰ্মা** ঃ অধ্যক্ষ মহোদয়, অসম চৰকাৰে ইয়াত যিদৰে বিচাৰি আছে কোঁচ ৰাজবংশী সকলৰ বাবে সংবিধান সংশোধন কৰাত অসুবিধা নহ'ব। গতিকে, তত্‌কালীন ভাবে বিষয়টো আগবঢ়াই নিয়াৰ ব্যৱস্থা কৰিবনে ?

★ **শ্ৰীশৰৎ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰলৈ যিটো প্ৰস্তাৱ দিছে সেই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে ৬টা জনগোষ্ঠীৰ বিষয়টো প্ৰয়াত হিতেশ্বৰ শইকীয়া দেৱৰ কাইটেৰিয়া চলিত অধিবেশনত তাৰ কিবা ব্যৱস্থা লব নেকি ?

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে নীতিবিলাক বিভিন্ন ধৰণেৰে বিচাৰিছিল, স্পষ্টীকৰণ দাখিল কৰা হৈছে।

★ **ড° জয়নাথ শৰ্মা** ঃ অধক্ষ মহোদয়, কোচ-ৰাজবংশী, টাই-আহোম, মটক, মৰাণ আদি ৬ টা জনগোষ্ঠীৰ বিল সোনকালে সংসদত উঠাব বুলি কলে। উপাধ্যক্ষ মহোদয়ে যিটো প্ৰস্তাৱ উত্থাপন কৰিছে অসমৰ গোৰখা সকলকো অ'বিচি বা জনজাতীয়কৰণ কৰাৰ প্ৰস্তাৱ দিব নেকি ?

★ **শ্ৰীনাথু বড়ো** ঃ অধ্যক্ষ মহোদয়, যদি ৬ টা জনগোষ্ঠীৰ জনজাতীয়কৰণ হৈ যায়, তেন্তে তেওঁলোকক কেনেকৈ চিনাক্তকৰণ কৰিব? এওঁলোক জনগোষ্ঠীয়লোক বুলি কেনেকৈ চাৰ্টিফিকেট দিব ?

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই প্ৰতিশ্ৰুতি দিছোঁ তেওঁলোক যাতে ভবিষ্যতে বিপদাপন্ন নহয় তাৰ কাৰণে চৰকাৰে স্পষ্ট নীতি লব। ৰিজাৰ্ভেশ্যন আৰু অৰিজিন একেই থাকিব। মাননীয় আন এজন সদস্যই প্ৰশ্ন কৰিছে আইদেণ্টি ফিকেশ্যন কেনেকৈ কৰা হ'ব বুলি ? ইয়াৰ উত্তৰত কওঁ যে কোন মৰাণ, কোন মটক, কোন গোৰখা এইটো চিনাক্তকৰণ কৰাত একো অসুবিধা নহ'ব।

---

✻ Speech not corrected

**Mr. Speaker :** Now, Starred Question No. 305, Hon'ble Member, Shri Joseph Toppo ,

**বিষয় : আঁচনি অনুমোদনৰ বাবে কেন্দ্ৰ চৰকাৰলৈ প্ৰেৰণ।**

**শ্ৰীযোচেফ টপ্পই সুধিছে :**

**☆ ৩০৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ঢেকীয়াজুলি সমষ্টিৰ অন্তৰ্গত "CLOSING OF BREACHES OF GABHARU EMBANKMENT FROM KALAKUCHI TO ITS FALL INCLUDING ANTI-EROSION MEAURES AT DIFFERENT REACHES" কামৰ বাবে ১৯৯৮ চনত ২ কোটি ৮০ লাখ ৫৩ টকাৰ এখন আঁচনি প্ৰস্তুত কৰা হৈছিল আৰু পিছত উক্ত আঁচনি খন প্ৰায় ৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছিল আৰু বিভাগীয় অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, বৰ্ত্তমান উক্ত আঁচনিখন কি পৰ্য্যায়ত আছে ?

(গ) যদি অনুমোদন হৈছে, মুঠ কিমান টকা হৈছে আৰু কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ণ বিভাগৰ মন্ত্ৰী) য়ে জলসম্পদ বিভাগৰ হৈ উত্তৰ দিছে ঃ**

(ক) হয়, জানে।

(খ) ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগ ২০০৩ চনৰ ছেপ্তেম্বৰ মাহত ৰাজ্য চৰকাৰৰ আঁচনি অনুমোদনৰ বিত্তীয় সীমা উন্নীত কৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় জল আয়োগে ৭.৫০ কোটি টতাকৈকে কম টকাৰ আঁচনি সমূহ ৰাজ্য চৰকাৰলৈ ঘূৰাই পঠিয়ায়। প্ৰশ্নত উল্লিখিত আঁচনিখন ইয়াৰ মাজৰেই আঁচনি।

(গ) 'খ' ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

**☆ শ্ৰীযোচেফ টপ্প ঃ** মাননীয় অধ্যক্ষ মহোদয় , ১৯৯৮ চনৰ পৰা এই আচনিখন আজি বহু বছৰে কলা হৈ গ'ল। ইয়াৰ বাবে দিলে প্ৰথমে ২ কোটি ৮০ লাখ কিমান টকা। পিচত ইয়াক ৫ কোটি টকালৈ বৃদ্ধি কৰি কেন্দ্ৰলৈ পঠোৱাা বুলি কোৱা কথাটোত মোৰ সন্দেহ আছে। সাংঘাটিক বেয়া অৱস্থাৰ মাজেৰে এই ছটা বছৰ পাৰ হৈ গ'ল। এই বছৰো হব বুলি মই একো আশা দেখা নাই।

---

☆ Speech not corrected

অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে (মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট উত্তৰ বিচাৰিছো, এই আঁচনিখনৰ ভবিষ্যত কি হ'ব ?

☆ শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই আঁচনিৰ সম্পৰ্কত বিভাগীয় বিষয়া সকলৰ লগত আলোচনা কৰিছোঁ, কিছুমান কাৰিকৰী অসুবিধাৰ কাৰণে এই আঁচনিখন হোৱাগৈ নাই, কেন্দ্ৰীয় চৰকাৰৰ পৰা ঘূৰাই পঠাইছে। সেই কাৰণে এই আচঁনিখন এখন নতুন আঁচনি হিচাবে গ্ৰহণ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ কাৰণে পঠোৱা হৈছে, তাত সন্দেহ কৰিব নালাগে।

☆ ড° জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, কেৱল ঢেকীয়াজুলিৰ কথাই নহয় সমগ্ৰ ৰাজ্যখনত বানপানীয়ে মঠাউৰি ভাঙিছে। ২ কোটি টকাৰ আঁচনি এটাও ৫ কোটি টকালৈ বৃদ্ধি কৰাত চৰকাৰে একচেপ্ত কৰে। ননৈৰ প্ৰবল বানত প্ৰায় ২ কিলোমিটাৰ মঠাউৰি ভাঙিছে। ৰঙানদীৰ পানীৰে মঠাউৰিৰ প্ৰায় ৭ কিলোমিটাৰমান সম্পূৰ্ণ অভাৱ টপ হৈ গৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো অসমৰ খেতিয়কসকলে শালি খেতি কৰিব পৰাকৈ বানপানী শুকুৱাৰ পিচত চৰকৰে ততাতৈয়াকৈ ভঙা মঠাউৰিবোৰ টেমপ'ৰাৰিকৈ বান্ধি দিয়াৰ ব্যৱস্থা কৰিলে খেতিয়কসকলৰ সুবিধা হ'ব। ৫ কোটি টকাৰ যিমান ষ্টেটপ্লেন আছে সেইবোৰ কাৰ্য্যকৰী হ'ব নেকি ? আজি পেপাৰত ওলাইছে একোটা আঁচনি ২ কোটি টকাৰ পৰা ৫ কোটি টকালৈ বৃদ্ধি কৰিছে। আৰু কেন্দ্ৰীয় চৰকাৰে টকা দিব বুলি প্ৰতিশ্ৰুতিও দিছে। কেন্দ্ৰীয় চৰকাৰে টকা দিয়া কথা কৈছে কিন্তু আমাৰ চৰকাৰৰহে কাম কৰাত মন নাই।

☆ শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ কাম কৰা আন্তৰিকতা আৰু সদিচ্ছা আছে। ভঙা মঠাউৰিবোৰ নতুনকৈ মেৰামতি কৰা সময় এতিয়া নহয়। কাৰণ আৰু বানপানী অহাৰ সম্ভাৱনা আছে। সেয়েহে অহা অক্টোবৰ বা নবেম্বৰ মাহৰ পৰা ইয়াৰ কাম হাতত লোৱা হ'ব। সেইকাৰণে পানী যোগান বিভাগ, কৃষি বিভাগ আৰু গুটি দিয়া বিভাগৰ লগত আলোচনা কৰা হ'ব আৰু অক্টোবৰ বা নবেম্বৰ মাহৰ পৰা কাম আৰম্ভ কৰিব।

☆ ড° জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে আমাক একোটা আঁচনিৰ নামত ৫ কোটি টকা দিছে। যিবিলাক প্ৰজেক্ট ষ্টেট প্লেনত আছে সেইবিলাক লব নে নলয় ? এইবাৰ বানপানীয়ে যিমান মঠাউৰি ভাঙিছে, অন্য কথা নকওঁ মই মোৰ সমষ্টিৰ কথাকে কওঁ ননৈ, বৰচলা নৈ, খেলো

---

✻ Speech not corrected

নৈ, ৰঙা নৈ আদি নৈবিলাকৰ বান্ধ ভাঙিছে। এই মঠাউৰিবিলাক মেৰামতি কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসমক টকা দিছে। কিন্তু কামখিনি কৰাত অসম চৰকাৰে কৃপণালি কৰিছে কিয় ?

**মাননীয় অধ্যক্ষ ঃ** পৰিপূৰক প্ৰশ্ন কৰক ।

★ **ড° জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ব্ৰীচ ক্লজিং কৰিব নে নকৰে ?

★ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীযোচেফ টপ্পু দেৱে অলপ আগতে কলে যে তেখেতৰ ফাইল এটা মোভ কৰোতে ৬ বছৰ লাগিল। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতৰ ফাইলৰ কামখিনি সোনকালে কৰি দিয়াৰ ব্যৱস্থা কৰে যেন।

শিলিকন মঠাউৰিটো চৰকাৰে কেতিয়া কৰিব এইটো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

★ **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ড০ জয়নাথ শৰ্ম্মাদেৱে কৈছে যে আমাৰ চৰকাৰে কাম কৰাত কৃপণালি কৰিছে। মই বাৰে বাৰে কৈছো যে আমি কোনো ক্ষেত্ৰতে কৃপণালি কৰা নাই বৰঞ্চ আমাৰ আন্তৰিকতা আৰু সদিচ্ছাহে আছে। যিবোৰ মঠাউৰি ভাঙিছে সেইবোৰ অহা অক্টোবৰ বা নবেম্বৰ মাহৰ ভিতৰত পুনৰ মেৰামতিৰ কাম আৰম্ভ কৰা হব। ৰাজ্যিক পৰিকল্পনাৰ অধীনত ৪ বা ৫ কোটি টকা পালে আমাৰ কাম কৰাত অসুবিধা নহয়। কিন্তু এইটো ৰাজ্য চৰকাৰ বা ৰাজ্যিক পৰিকল্পনা শিতানত যিখিনি টকা ধৰা হয়, সেইখিনি এম, এল, এ ফাণ্ডৰ পৰাও কৰিব পাৰে। The schemes less than Rs. 7.50 crores do not require anv sanction from the centrall water commission. গতিকে ৰাজ্য চৰকাৰে ৭.৫০ কোটি টকাতকৈ কম টকাৰ আঁচনি কৰিব লাগে। শিলিকন নদীৰ ভঙা মঠাউৰি পি ডব্লিউ ডিয়ে কনডাক্ট কৰি মেৰামতি কৰিব পাৰে নেকি চাব লাগিব।

★ **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৭.৫০ কোটি টকাৰ ওপৰ হলে কেন্দ্ৰীয় চৰকাৰে কৰিব আৰু তাৰ তলৰ হলে ৰাজ্য চৰকাৰে কৰিব পাৰে। এতিয়া ৰাজ্যিক পৰিকল্পনাত কিমান কোটি টকা ধৰা হৈছে ? বানপাণীৰ যিটো পৰিস্থিতি মঠাউৰি আৰু অন্যান্য কামৰ বাবে বহুত কোটি

✻ Speech not corrected

টকা প্ৰয়োজন হব।

☆ শ্ৰীভৰত চন্দ্ৰ নৰহ্ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমি বিত্তবিভাগ আৰু পৰিকল্পনা বিভাগৰ লগত আলোচনা কৰিম।

(কেইবাজনো সদস্যই কবৰ বাবে মাননীয় অধ্যক্ষ মহোদয় অনুমতি বিচাৰে)

মাননীয় অধ্যক্ষ ঃ বাকী বিলাক সদস্যই প্ৰশ্ন কৰিবলগীয়া আছে সেইকাৰণে এই বিষয়ত আলোচনা কৰিবৰ বাবে আৰু অধিক সময় দিয়া নহয়) এতিয়া পিচৰ প্ৰশ্নলৈ অহোঁ।

**Mr. Speaker :** Now, Starred Question No. 306, Hon'ble Member, Shri Karendra Basumatary.

## বিষয় : ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ

**শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে :**

☆ ৩০৬। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত আগন্তুক ইং ২০০৫ চনত অনুস্থিত হবলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ তাৰিখ নিৰ্দ্ধাৰিত হৈছেনে ?

(খ) উক্ত ক্ৰীড়া মহোৎসৱৰ আন্তঃগাঠনিৰ কাম কোন কোন জিলাত আৰু কি কি ঠাইত নিৰ্মাণ কৰা হৈছে ? ( জিলা আৰু ঠাইৰ নাম জনাব)

(গ) বি. টি. এ ডিৰ ওডালগুৰিত ফুটবল আৰু কাবাদীৰ খেল প্ৰতিযোগীতাৰ অনুস্থান দিবনে ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হৈছে , অহা ইং ২০০৫ চনৰ ১২ নবেম্বৰৰ পৰা ২৩ নবেম্বৰলৈ গুৱাহাটীত অনুষ্ঠিত হব।

(খ) উক্ত ক্ৰীড়া মহোৎসৱ, ভাৰতীয় অলিম্পিক সন্থাই গুৱাহাটী মহানগৰত স্থান হিচাবে নিৰ্দ্ধাৰিণ কৰি দিছে।

(গ) ভাৰতীয় অলিম্পিক সন্থাই গুৱাহাটী মহানগৰত স্থান হিচাবে নিৰ্দ্ধাৰণ কৰি দিছে।

---

✻ Speech not corrected

☆ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰা চিহ্নিত প্ৰশ্ন ৩০৬ নং (ক) প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ তাৰিখ অহা ইং ২০০৫ চনৰ ১২ নবেম্বৰৰ পৰা ২৩ নবেম্বৰলৈ গুৱাহটীত অনুষ্ঠিত হ'ব। তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টকৈ পোৱা নাই। মন্ত্ৰী মহোদয়ে (খ) উত্তৰত কৈছে উক্ত ক্ৰীড়া মহোৎসৱ, ভাৰতীয় অলিম্পিক সন্থাই গুৱাহাটী মহানগৰত স্থান হিচাবে নিৰ্দ্ধাৰণ কৰি দিছে।

এইখিনিতে মই কেইটামান প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছো, মাননীয় মন্ত্ৰী মহোদয়ে স্পষ্টীকৰণ দিব। গুৱাহাটী মহানগৰত স্থান হিচাবে নিৰ্দ্ধাৰণ কৰা পিচত আমাৰ একমডেচন সম্পৰ্কে আৰু ক্ৰীড়া উদ্‌যাপন কৰাকলৈ আমি এতিয়ালৈকে জানিব পৰা নাই। সেয়েহে আমি সদনত জানিব বিচাৰিছো যে অলিম্পিক সন্থাই ৰাষ্ট্ৰীয় ক্ৰীড়া উদ্‌যাপন কৰা আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰা সম্পৰ্কে যি নিয়মাৱলী (গাইড লাইন) আছে তাৰ প্ৰতিবেদন সদনত দাখিল কৰিব নেকি ? আপোনালোকে কি সিদ্ধান্ত লৈছে সেই সম্পৰ্কে সদনত জনালে ভাল হয়।

মোৰ তৃতীয় প্ৰশ্ন হৈছে, আমাৰ অসমৰ খেলুৱৈ সকলে কি কি খেলত যোগদান কৰিব এইটো সিদ্ধান্ত লৈছে নেকি ? যদি লৈছে ফুটবলকে ধৰি অন্যান্য খেলৰ কাৰণে খেলিবলগীয়া খেলুৱৈ সকলৰ কাৰণে শিবিৰ পাতি অনুশীলন কৰাৰ ব্যৱস্থা কৰিছে নেকি ?

চতুৰ্থ প্ৰশ্নটো হ'ল, মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত এটা ডাঙৰ সুযোগ আহিছে। এনেকুৱা সুযোগ হয়তো আৰু অহা ৫০ টা বছৰত ভিতৰতো নাহিব। এই সুযোগতে আমি ভাল প্ৰদৰ্শন কৰি অসমৰ গৌৰৱ কঢ়িয়াই আনিবৰ বাবে চেষ্টা কৰিব লাগে। অলিম্পিক ক্ৰীড়াৰ বাবে অপেনিং চেৰিমনিৰ দিনা কি কি নৃত্য প্ৰদৰ্শন কৰিব। আমাৰ অসমত বিহু নাচ আছে, বড়ো সকলৰ বাগৰুম্বা নৃত্য আছে, মিচিং সকলৰ নৃত্য আছে, ৰাভাৰ সকলৰ আছে, কাৰ্বিসকলৰ আছে, ঝুমুৰ নৃত্যকে আদি কৰি বহুতো নৃত্য আছে। আপোনালোকে কোন কেইটা নৃত্য প্ৰদৰ্শন কৰা বা তেনেকুৱা কিবা এটা সিদ্ধান্ত লৈছে নেকি ? ক্ৰীড়া মহোৎসৱ উদযাপন কৰিবৰ কাৰণে আপোনালোকে কমিটি এখন গঠন কৰিছে নে নাই ? যদি কৰিছে তেতিয়া

* Speech not corrected

হ'লে আমাৰ মাননীয় সকস্যসকলে জনা উচিত। ডাচবিন কথা এষাৰ আছে। ডাচবিনত লিখা থাকে , "প্লিজ ইউজ মি"।

**মাননীয় অধ্যক্ষ ঃ আপুনি চাপলিমেনটৰি প্ৰশ্ন কৰক।**

**✯ শ্ৰীকবেন্দ্ৰ বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিচৰা প্ৰশ্ন কেইটাৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা পাম বুলি আশা কৰিলো।**

**✯ শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যাগৰাকীক ধন্যবাদ জনাইছো কাৰণ কিছু কথা সোধাৰ ফলত আমাৰ মনত যিবিলাক খোকোজা আছিল সেইবিলাক এতিয়া পৰিষ্কাৰ হ'ব। আচলতে অসম অলিম্পিক সন্থাক, ভাৰতীয় অলিম্পিক সন্থাই গোটেই খেলখন চলাবলৈ দিছে। অসম চৰকাৰে আন্তঃ গাঠনি আদি কৰি আইন শৃঙ্খলা, খেলুৱৈসকল আৰু বিষয়াববীয়া সকলৰ থকামেলা অসম অলিম্পিক সন্থাই কৰিব লাগে। আমি তেওঁলোকক সেই কাৰণে সহায় কৰি দিছো? আমাৰ এটা ধাৰণা যে খেলখন অসম চৰকাৰে পাতিছে। আচলতে চৰকাৰে পতা নাই ভাৰতীয় অলিম্পিক সন্থাই পাতিব। অসম অলিম্পিক সন্থাক পাতিব দিছে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়া অসম অলিম্পিক সন্থাৰ সভাপতিৰূপে ইতিমধ্যে ৩৬ কোটি টকা এই খেলখনৰ কাৰণে দিয়া হৈছে। চৰকাৰে অলিম্পিক সন্থাৰ কাম কাজত সহায় কৰাৰ কাৰণে সকলো প্ৰকাৰে চেষ্টা কৰিছে। মাননীয় সদস্য গৰাকীয়ে একমডেশ্যনৰ কথা কৈছে আমি সেই ক্ষেত্ৰত জনাবলৈ পাই সুখী হৈছো যে ইতিমধ্যে গেমছ ভিলেজ নিৰ্ম্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল যদিও উচ্চ ন্যায়ালয়ত ৰায়ৰ ক্ষেত্ৰত একমডেশ্যনৰ ক্ষেত্ৰত কোনো অসুবিধা নহ'ব বুলি ভাবোঁ। সকলো ৰাষ্ট্ৰীয় ক্ৰীড়াৰ কাৰণে আমি আন্তঃ গাঠনি সম্পূৰ্ণ কৰি উলিয়াব পাৰিম। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ গাইডলাইনৰ ক্ষেত্ৰত অসম অলিম্পিক সন্থাই ভাৰতীয় অলিম্পিক সন্থাৰ লগত আলোচনা কৰি ঠিক কৰি লব। কিছুমান ডিচিপ্লিনত আমি অসম অলিম্পিক সন্থাই অংশ গ্ৰহণ কৰিব। অসম অলিম্পিক সন্থাই ২৯ টা ক্ষেত্ৰত অংশ গ্ৰহণ কৰা প্ৰস্তুতি চলাইছে। কাবাডী আৰু এনে বহুত সন্থাই অসম অলিম্পিক সন্থাৰ তত্বাৱধানত অনুশীলন আৰম্ভ কৰিছে। চৰকাৰৰ ফালৰ পৰা যিমান পাৰি সহায় কৰা হৈছে। মাননীয় সদস্যা গৰাকীয়ে অপেনিং চেৰিমনি আৰু ক্লজিংৰ কথা কৈছে। অপেনিং চেৰিমনিৰ লগত দেশখনৰ মানদণ্ড জড়িত হৈ আছে। মাননীয় সদস্যা গৰাকীয়ে কোৱাৰ দৰে বাগৰুম্বা, বিহুনৃত্য এই গোটেইখিনি সামৰি লোৱাৰ

✻ Speech not corrected

ব্যৱস্থা নিশ্চয় কৰা হ'ব। বিৰোধী বুলি নহয় ক্ৰীড়াৰ লগত জড়িত লোকক সকলক লৈ এখন কমিটি কৰা হৈছে। তাত আমাৰ চৰকাৰৰ ক্ৰীড়া মন্ত্ৰীও অন্তৰ্ভুক্ত হৈছে আপোনালোকৰ পৰামৰ্শ সমূহ আমি সকলো ক্ষেত্ৰ তে নিশ্চয় মানি লম। ভৱিষ্যতে কমিটি কৰিব লাগিলে আমি এই কথাখিনি মনত ৰাখিম।

✯ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ওদালগুৰিত ফুটবল আৰু কাবাডী খেলৰ অনুষ্ঠান আছে নে ? উত্তৰত ....... ( ডট ডট) দি ভাৰতীয় অলিম্পিক সন্থাই গুৱাহাটী মহানগৰত স্থান হিচাপে নিৰ্দ্ধাৰিত কৰি দিছে। ওদালগুৰিত কাবাডী দিয়াত কি আপত্তি আছিল। আনহাতে ক্ৰিকেট, চেছ আদি খেলাও থাকিব বুলিও পেপাৰত পাইছো। কমিটি বিলাকত বিৰোধী পক্ষৰ সদস্যক পদেন সদস্য কৰিব পাৰে ? ৰাষ্ট্ৰীয় গেম উদ্‌যাপন কৰিবলৈ গৈ সাতভনীৰ নাক যাতে কটা নাযায় সেইটো হ'লে আমি সহ্য নকৰো।

✯ **শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম অলিম্পিক সন্থাৰ তৰফৰ পৰা খেল বিলাক বিভিন্ন ঠাইত অনুষ্ঠিত কৰিব লাগে। সভাপতি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কালমাদী ডাঙৰীয়াৰ বাৰম্বাৰ অনুৰোধ কৰিছিল যে খেল বিলাক কোকৰাঝাৰ আদি বিভিন্ন ঠাইত অনুষ্ঠিত কৰিব লাগে। কিন্তু পাঞ্জাৱত অলিম্পিক সন্থাৰ খেল বিভিন্ন স্থানত অনুষ্ঠিত কৰোতে হেনো বহুতো অসুবিধা হৈছিল সেয়ে মহানগৰীতে কৰাৰ ব্যৱস্থা কৰিবলৈ কৈছে।

✯ **ডাঃ অৰ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় ক্ৰীড়া যত অনুষ্ঠিত কৰিবলৈ লৈছে সেই ঠাইখিনি ৰাষ্ট্ৰীয় পথৰ একমিটাৰ তলত। দুই এজাক বৰষুণতেই তাত পানী উঠে। ১০-১২ টা পাম্প লগাই পানী সিচাৰ ব্যৱস্থা কৰিছে। তথাপিও পানী শেষ কৰিব পৰা নাই। গতিকে গ্ৰাম্য ক্ৰীড়ালৈ এনেয়েও তিনিমাহ চিদিউল ডেটতকৈ পিচুৱাই দিছে। কাৰিকৰী দিশৰ কথা মই নাজানো। এইযে ৰাষ্ট্ৰীয় পথৰ একমিটাৰ তলত আছে এইটোনো কেনেকৈ মিমাংসা কৰিব মন্ত্ৰী মহোদয়ে জনাবনে?

✯ **ড° জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে ভাৰত চৰকাৰ আৰু অন্যান্য উৎসৰ পৰা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবদ ৩৭ কৌটি টকা পাইছে। আন্তঃগাঠনিত

কিমান টকা খৰছ কৰিছে ? আমি জনাত এতিয়ালৈকে দুই কোটিও খৰছ হোৱা নাই। সেই হিচাপটো আমাক জনাবনে ?

☆ **শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শৰ্মা ডাঙৰীয়াৰ পৰা আৰম্ভ কৰিছো তেখেতে শুনা কথাটো সত্য নহয়। ইতিমধ্যে এটা প্ৰশ্ন উত্তৰত আমি তথ্য খিনি দাঙি ধৰিছোৱেই। এল, এণ্ড টি সন্থাৰ আন্তঃগাঠনিৰ উন্নয়ণ দায়িত্ব দিয়া হৈছিল। তেওঁলোকৰ ইতিমধ্যে বহুতকেই টকা দিয়া হৈছে।

☆ **ড° জয় নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই টকাৰ অংকটো বিচাৰিছো। টকাৰ অংকটো নকয় কিয় ?

☆ **শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্ন আকাৰে আহিলে মই জনাম তেখেতে প্ৰশ্ন হিচাবে অনা নাছিল। সেয়ে পিচত প্ৰশ্ন হিচাপে আনিলে সবিশেষ জনাব পাৰিম।

দ্বিতীয়তে আমাৰ প্ৰাক্তন মন্ত্ৰী অৰ্ধেন্দু দে ডাঙৰীয়াই যিটো কথা কৈছে মই সেইটো মানিব নোৱৰো, কাৰন আজি এনেকুৱা টেকনিকেলৰ যুগ যে ছয় বছৰৰ কামটো এবছৰতে কৰি শেষ কৰিব পাৰে। আমি এই কামৰ দায়িত্ব এল এণ্ড টি ক দিছো। তেওঁলোকৰ লগত চুক্তি আছে যে খেলৰ আৰম্ভ হোৱাৰ দুমাহ আগত কাম শেষ কৰি দিব এইটোত তেওঁলোক চুক্তিবদ্ধ হৈছে। গেমছ ভিলেজত ৮ হাজাৰ খেলুৱৈ আৰু দুই হাজাৰ অফিছ বিয়েৰাৰ থকাৰ বন্দবস্তৰ প্ৰস্তুতি চলাই আছে। সময়ত সকলো হৈ যাব বুলি আশা কৰিছোঁ।

☆ **কেপ্তেইন ৰবীন বৰদলৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে এই ৰাষ্ট্ৰীয় ক্ৰীড়া যে হব ইয়াত আমাৰ মৰ্য্যদা জড়িত হৈ আছে। এই ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বহু কামেই বাকী আছে বিশেষকৈ আন্তঃগাঠনিৰ উন্নয়ণ আৰু খেল পথাৰলৈ যোৱা ৰাস্তাঘাট আদি ভাল কৰা। আমাৰ হাতত ১৩-১৪ মাহমান সময়হে আছে। কিন্তু এই সময়ছোৱাত ৰাস্তাঘাট হৈ যাব নে ? যিবিলাক ইভেণ্ট হ'ব বিশেষকৈ চট্‌ফুট য'ত হব তালৈ যোৱাৰ ৰাস্তাই দেখোন আৰম্ভ কৰা নাই। খোৱাপানীৰ ব্যৱস্থা কেনেকৈ চলভ কৰিব? মোৰ বোধেৰে আমি এতিয়াও বহু পিচপৰি আছো আৰু সময়মতে হয়তু নেশ্যনেল গেমছ আৰম্ভ কৰিব নোৱাৰিম।

---

✻ Speech not corrected

★ শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰদলৈ ডাঙৰীয়াই পানীৰ কথাটো উত্থাপন কৰিছে। ইতিমধ্যে জন স্বাস্থ্য কাৰিকৰী বিভাগে এটা প্ৰকল্প দিছে। তেখেত মন্ত্ৰী থাকোতে নিশ্চয় কথাটো গম পাইছে। পানীৰ কাৰণে নিশ্চয় অসুবিধা নহব। ৰাস্তাঘাটৰ ক্ষেত্ৰত গড়কাপ্তানী বিভাগে ব্যৱস্থা কৰি আছে।

**Mr. Speaker :** Question Hour is over.

(Starred Question Nos.307 to 320 except 308 which was witdrawan, could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

## বিষয় : F. D. R. ৰ ৰাস্তা মেৰামতি।

**শ্ৰীমেম্বৰ গগৈয়ে সুধিছে ঃ**

★ ৩০৭ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৩ - ২০০৪ চনত টিয়ক সমষ্টিৰ F. D. R. ৰ ৰাস্তাৰ মেৰামতি বাবদ কিমান টকা খৰছ কৰা হ'ল?

(খ) ২০০৩-২০০৪ চনত F. D. R. ৰ ৰাস্তাৰ মেৰামতি কোন কোন সমষ্টিত কিমান টকা খৰচ কৰা হৈছে? (সমষ্টি ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব)

**শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) F. D. R. ৰ ৰাস্তা মেৰামতিৰ বাবদ ২০০৩-২০০৪ চনত সমষ্টি ভিত্তিত কোনো টকা মঞ্জুৰী দিয়া হোৱা নাই।

(খ) প্ৰশ্ন নুঠে

## বিষয় : বাছৰ সংখ্যা ।

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ**

★ ৩০৯ ঃ মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

২০০৩-২০০৪ বিত্তীয় বছৰৰ পৰা বৰ্ত্তমানলৈ অসম পৰিবহন নিগমে কিমান টকা লাভ কৰিবলৈ সক্ষম হৈছে?

---

★ Speech not corrected

শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

অসম ৰাজ্যিক পৰিবহন নিগমৰ নিজা বাছ, অধীনত চলা বাছ আৰু ৰাজ সাহাৰ্য্যৰ দ্বাৰা হোৱা আয়ৰ পৰা চলিত বছৰৰ -মাহৰ খৰছ বাদ দিয়াৰ পাছত ৰাহি হোৱা টকাৰ পৰিমাণ এনে ধৰণৰ ঃ

২০০৩ - ০৪ বিত্তীয় বৰ্ষত ৮,২১.২১ লাখ

২০০৪ - ০৫ এপ্ৰিল, মে, জুন ১৬৭.০৯ লাখ

এই ৰাহি হোৱা ধনেৰে কৰ্মচাৰী সকলৰ বকেয়া দৰমহা আৰু অৱসৰ প্ৰাপ্ত কৰ্মচাৰী সকলৰ প্ৰাপ্যৰ কিছু অংশ মোকলাই দিয়া হৈছে।

উক্ত সময়ছোৱাত পোৱা ৰাজ সাহাৰ্য্যৰ পৰিমান এনে ধৰণৰ —

২০০৩ - ০৪ - বিত্তীয় বৰ্ষত- ১০০০.০০ লাখ

২০০৪-০৫ - এপ্ৰিল, মে, জুন - ২৪৯.০০ লাখ

পৰিবহন নিগমৰ আয়ৰ পৰা ৰাজ সাহাৰ্য্য বাদ দিলে এতিয়ালৈকে লাভ হোৱা নাই। বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰা সময়ত পৰিবহন নিগমৰ বছৰি লোকচান আছিল ২০.৮৫ কৌটি টকা। কিন্তু প্ৰতিবছৰে এই লোকচান কমি কমি ২০০৩ - ০৪ বিত্তীয় বছৰত লোকচানৰ মাত্ৰা আছিল মাত্ৰ ১.৭৯ কৌটি টকা।

**Subject : Unemployment problem.**

**Shri Bimolangshu Roy Asked ঃ**

★ **310.** Will the Minister of Transport be pleased to state :

(a) Is the Government aware that big plot of land lying unutilised in the campus of Divisional Office, Silchar which can be utilised for augumentation of income of A. S. T. C. by converting/constructing a market place and also to accommodate big road-side market in the locality?

(b) Is the Government also aware in course of last 3 years many incidents of dacoities have taken place on the passangers bound for Silchar-Guwahati and even MLAS have not been spared? If so, whether the Government has taken up the issue with Meghalaya Government and if so, with what results?

(c) Is the Government aware that truck drivers are regularly harassed in Digorkhal Check gate for collection of unauthoried dues? What steps Govrnment has taken in this regard? Why the portion of the road near check gate are no repaired for years together with the fund so collected?

Shri Anjan Dutta (Minister of Transport) replied :

(a) Yes, steps are being taken for preparation of design etc. for the same. After completion of the design steps will be taken for construction of the same through Private Sector Participation.

(b) Yes, the Government came to learn about it from a Newspaper report dt. 14the July' 2003. The S. P. Hailakandi and the DTO Hailkandi were requested to enquire in to the matter and to take necessary action. Matter will be taken up with the Govt. of Meghalaya through Home Department.

(c) No specific allegation received by the Govt. and therefore the question of taking steps does not arise. The repairing of road in front of the check gate relates to PWD Department. Government is also planning for constructioin of a compsoite check gate at Digorkhal.

## বিষয় : চৰকাৰী মাটি বেদখল

শ্ৰীৰণজিৎ দত্তই সুধিছে ঃ

★ ৩১১ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্বনাথ মহকুমাত কোন কেইখন চাহ বাগিছাই কিমান পৰিমাণৰ চৰকাৰী মাটি বেদখল কৰিছে? (সদনৰমেজত তালিকা দাখিল কৰিব)

(খ) চৰকাৰী মাটি বেদখল কৰা চাহ বাগিছা সমূহৰ ওপৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিশ্বনাথ মহকুমাৰ অৰ্ন্তগত ৯ (ন) খন চাহ বাগিছাই মুঠতে ২১৯৭ বিঘা ১০

লেচা মাটি বেদখল কৰি আছে। চাহ বাগিছা সমূহৰ নাম ও বেদখলী মাটিৰ পৰিমাণ তলত দিয়া হ'ল।

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ১) | মাজুলীগড় চাহ বাগিছাই | ২৯ | বিঘা | | | ৭ | লেছা |
| ২) | ধূলী চাহ বাগিছাই | ৫ | বিঘা | ৩ | কঠা | ৬ | লেছা |
| ৩) | প্ৰতাপগড় চাহ বাগিছাই | ৪২৮ | বিঘা | ২ | কঠা | ১৮ | লেছা |
| ৪) | মহালক্ষ্মী চাহ বাগিছাই | ৪৫৫ | বিঘা | ৪ | কঠা | ১৫ | লেছা |
| ৫) | মিজিকাজান চাহ বাগিছাই | ১৫০ | বিঘা | ৪ | কঠা | | |
| ৬) | মোনাবাৰী চাহ বাগিছাই | ৫৪২ | বিঘা | ২ | কঠা | ১ | লেছা |
| ৭) | বৰগাং চাহ বাগিছাই | ৪৯৪ | বিঘা | ২ | কঠা | ৭ | লেছা |
| ৮) | কেটেলা চাহ বাগিছাই | ৫৮৬ + ৫৮ | বিঘা | | | ৫ | লেছা |
| ৯) | বিহালী চাহ বাগিছাই | ৩২ | বিঘা | | | ১৪ | লেছা |

(খ) চৰকাৰী মাটি বেদখল কৰা বাগিছা সমূহৰ বিৰুদ্ধে বেদখল মুক্ত কৰিবলৈ অসম ৰাজহ ভূমি নীতি ১৮৮৬,৮৩ (৩) মতে বেদখলী গোচৰ ৰুজু কৰা হৈছে।

## বিষয় : ৰাষ্ট্ৰীয় ক্ৰীড় মহোৎসৱ।

**শ্ৰীগুণীন হাজৰিকাই সুধিছে ঃ**

☆ ৩১২। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০৫ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ কোন কোন তাৰিখে গুৱাহাটীত অনুষ্ঠিত হ'ব?

(খ) এই উৎসৱত কিমান প্ৰতিযোগী আৰু ক্ৰীড়া কৰ্মকৰ্তা আৰু দৰ্শক হোৱাৰ সম্ভৱনা আছে?

(গ) ইয়াৰ প্ৰয়োজনীয় অন্তঃগাঠনি (Infrastructure ) কোন তাৰিখে সম্পূৰ্ণ হ'ব?

**শ্ৰী ৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অহা ২০০৫ চনৰ ১২ নবেম্বৰৰ পৰা ২৩ নবেম্বৰলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব।

(খ) প্ৰায় ৮০০০ হেজাৰ প্ৰতিযোগী আৰু ২০০০ কৰ্মকৰ্তা মুঠ ১০,০০০ প্ৰতিযোগী আৰু কৰ্মকৰ্তা আহিব। লগতে বিপুল সংখ্যক দৰ্শক উপস্থিত থকাৰ সম্ভৱনা আছে। ষ্টেডিয়ামৰ আসন অনুপাতে দৰ্শক হোৱাৰ সম্ভৱনা আছে।

(গ) বৰ্তমান চলি থকা আন্তঃগাঠনিৰ নিৰ্মান কাৰ্য্য অহা ২০০৫ চনৰ চেপ্তেম্বৰ মাহৰ শেষত সম্পূৰ্ণ কৰি তোলাৰ বাবে বিখ্যাত L & T Ltd. ক চুক্তিবদ্ধ কৰা হৈছে।

## বিষয় : জনজাতি আবেষ্টনীৰ মাটি হস্তান্তৰ।

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

★ ৩১৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যোৱা ৫ বছৰত দক্ষিণ কামৰূপ জনজাতি খণ্ড-আবেষ্টনী অন্তৰ্গত ডিমৰীয়া আবেষ্টনীত অসংৰক্ষিত শ্ৰেণীৰ লোকলৈ হস্তান্তৰিত হোৱা মাটিৰ পৰিমাণ আৰু কিমান গৰাকী লোকলৈ এনে ভূমি হস্তান্তৰ কৰা হৈছে নামৰ তালিকা (ঠিকনা সহ) আৰু ভূমিৰ পৰিমাণ জনাবনে?

(খ) এই ভূমি ক্ৰয়ৰ বাবে জনোৱা আবেদনবোৰ কাৰ কাৰ আছিল আৰু কোন কোন বিষয়াই এই আবেদন মঞ্জুৰী কৰিছিল?

(গ) এনেকৈ জনজাতি খণ্ড আবেষ্টনীৰ সংৰক্ষিত ভূমি হস্তান্তৰ কৰা ভূমিৰ পট্টা প্ৰদান কৰা হৈছে নেকি?

(ঘ) যদি কৰা হৈছে অসম ভূমি ৰাজহ আইনৰ ১৮৮৬ (সংশোধিত) দশম অধ্যায়ৰ বিধি অনুসৰি এই সকলোবোৰ পট্টা খাৰিজৰ সন্দৰ্ভত চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা ল'বনে?

(ঙ) উক্ত ঘটনাত জড়িত বিষয়া সকলৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব?

**শ্ৰী গৌতম ৰয় (সমাজকল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) দক্ষিণ কামৰূপ জনজাতীয় আবেষ্টনীৰ ডিমৰীয়া খণ্ডত বৰ্তমানলৈ পোৱা প্ৰাথমিক তথ্যমতে ১১ জন অসংৰক্ষিত শ্ৰেণীৰ লোকলৈ মুঠ ৮৭ বিঘা ৩ কঠা ১৪ লেছা জমী হস্তান্তৰ হৈছে। ৫ বছৰৰ বিতং তথ্যৰ বাবে জনোৱা হৈছে যদিও সদ্যহতে ৰাজহ বিষয়া তথা কৰ্মচাৰী সকল বান সাহ্যাৰ্য্যত ব্যস্ত থাকিবলগীয়া হোৱাৰ বাবে তথ্য দিব পৰা নগ'ল (তলিকা 'খ' মতে)।

(খ) আবেনদনকাৰী ওপৰোক্ত ১১ জনৰ নাম তলত উল্লেখ কৰা হ'ল।

| | | | | | | |
|---|---|---|---|---|---|---|
| (১) | শ্ৰীনৰেন দত্ত,<br>মেনেজিং ডাইৰেক্টৰ<br>ডাউন টাউন হস্পিতেল | ৭ | বিঘা | ২ | কঠা | ১০ লেছা |
| (২) | শ্ৰীমতী মালা সন্দিকৈ, | ২২ | বিঘা | ৩ | কঠা | ১০ লেছা |

স্বামী - শ্ৰী জয়কান্ত সন্দিকৈ,
সাং ঃ জয়ানগৰ, ছয়মাইল
মৌজা ঃ বেলতলা,
থানা ঃ দিশপুৰ।

(৩) শ্ৰীমতী হৰ্ষিতা সন্দিকৈ, ঐ
পিতা - জয়চন্দ্ৰ সন্দিকৈ
সাং - জয়া নগৰ , ছয়মাইল
মৌজা - বেলতলা,
থানা - দিশপুৰ।

(৪) শ্ৰীৰাজীৱ গোস্বামী, ৭ বিঘা ১ কঠা ৫ লেছা
পিতা - জে, এম, গোস্বামী,
শিলপুখুৰী।

(৫) শ্ৰীমতী বুবী বৰুৱা, ৭ বিঘা ০ কঠা ১৬ লেছা
পিতা - আনন্দ ৰাম বৰুৱা,
স্বামী - জয়ন্ত বৰুৱা
প্ৰতিদিন প্ৰিণ্টাৰ্চ
আৰ, জি, বি পথ।

(৬) শ্ৰীকিশোৰ কুমাৰ বৰুৱা, ৯ বিঘা ২ কঠা ৫ লেছা
পিতা- ভোলানাথ বৰুৱা
সাং - গুৱাহাটী, পানবাৰী।

(৭) মঃ আহমেদ হুছেইন, ৪ বিঘা ০ কঠা ০ লেছা
পিতা - ৰিয়াজুল হক
হাতীগাঁও, গুৱাহাটী

(৮) শ্ৰীহলধৰ কলিত, ২৬ বিঘা *৮ কঠা ২ লেছা
পিতা - মধুৰাম কলিতা,
সাং - বৰখাট,
মৌজা -পানবাৰী

(৯) শ্ৰীপংকজ বৰা, *১ বিঘা ২ কঠা ১০ লেছা
পিতা - ँ হৰেণ বৰা ,
সোণাপুৰ

| | | | | |
|---|---|---|---|---|
| (১০)শ্ৰীমেঘনাদ শৰ্মা, বৰখাট, সোণাপুৰ | ২ | বিঘা | ০ কঠা | ০ লেছা |
| (১১)শ্ৰীমতী উপাসনা দাস, পতি - প্ৰশান্ত, গুৱাহাটী। | ১ | বিঘা | ১ কঠা | ১০ লেছা |

বিষয়া সকলৰ নাম—

(১) চৌহান দলে, অতিৰিক্ত উপায়ুক্ত, কামৰূপ।

(২) এ, কে, লাহন, অতিৰিক্ত উপায়ুক্ত, কামৰূপ।

(গ) নাই হোৱা।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) তদন্তৰ চুড়ান্ত প্ৰতিবেদন পোৱাৰ পাছত দোষী বিষয়াক নিয়মমতে শাস্তি প্ৰদান কৰা হ'ব।

## বিষয় : মথাউৰীৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ মূল্য।

শ্ৰীবুবুল দাসে সুধিছে ঃ

★ ৩১৪ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৰিগাঁও জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰি নিৰ্মাণৰ বাবে ১৯৯৮ চনত অধিগ্ৰহণ কৰা ভুৰাগাঁৱৰ পৰা জটিয়াবড়ীলৈকে মথাউৰীৰ কুপটিমাৰী ২ নং বৰুকুৰ আৰু কালিডোঙ্গা গাঁৱৰ অধিগ্ৰহণ কৰা মাটিৰ মূল্য এতিয়ালৈকে ৰাইজে নোপোৱাটো চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত এই অধিগ্ৰহণৰ টকা কোন চনৰ কোন মাহত ৰাইজক দিয়া হ'ব?

শ্ৰীগৌতম ৰয় (সমাজকল্যাণ দপ্তৰৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়,এই বিষয়ে চৰকাৰ জ্ঞাত।

(খ) উপায়ুক্ত অথবা সংশ্লিষ্ট বিভাগ (জলসম্পদ)ৰ পৰা ৰাজহ বিভাগে ভূমি অধিগ্ৰহণৰ প্ৰাক্কলন পোৱা নাই।

## বিষয় : আঁচনিত ধ্যৰ্য্য কৰা টকাৰ পৰিমাণ।

**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

☆ ৩১৫ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) Dhubri Sub-Divisional Relief Committee ৰ প্ৰস্তাৱ সাপেক্ষে ধুবুৰী জিলা উপায়ুক্তই FDR/CRF কামৰ বাবে ২০০১-০২, ২০০২-০৩ আৰু ২০০৩-০৪বৰ্ষত মুঠ কিমান টকাৰ আঁচনি পঠাইছে?

(খ) ইয়াৰ ভিতৰত গোলোকগঞ্জ সমষ্টি এলেকাত মুঠ কিমান টকাৰ আঁচনি আছে আৰু কোন কোন বৰ্ষত কোন কোন বিভাগৰ কি কি আঁচনি আছে? (প্ৰতিটো বিভাগৰ প্ৰতিটো আঁচনি আৰু কিমান টকাৰ আঁচনি বিতংকৈ দেখুৱাব)।

(গ) গোলোকগঞ্জ সমষ্টিৰ উক্ত আঁচনিবোৰৰ কোন কোন বৰ্ষৰ কোন কোন বিভাগৰ কি কি আঁচনি মঞ্জুৰী পাইছে? (প্ৰতিটো আঁচনি মঞ্জুৰী প্ৰাপ্ত অৰ্থেৰে সৈতে বিতংকৈ দেখুৱাব)

(ঘ) উক্ত আঁচনিবোৰ দীৰ্ঘদিন মঞ্জুৰী নোহোৱাকৈ ৰাজহ বিভাগত পৰি থকাৰ কাৰণ কি?

শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) Dhubri Sub-Divisional Relief Committee ৰ প্ৰস্তাৱ সাপেক্ষে ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা ২০০২-০৩ বৰ্ষত পশুপালন বিভাগৰ ৬ টা ঘৰ মেৰামতিৰ বাবে ১৬,৮৫,৫০০/- টকাৰ প্ৰস্তাৱ পঠাইছিল।

(খ) সমষ্টিভিত্তিত কোনো আঁচনি সম্পৰ্কে নিৰ্দ্ধাৰণ কৰিব পৰা নাযায়।

(গ) প্ৰশ্ন নুঠে।

(ঘ) কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰি দিয়া নিৰ্দ্দেশনাৰ ভিত্তিত আঁচনি সমূহ নপঠোৱা বাবে মঞ্জুৰী দিয়া হোৱা নাই।

## বিষয় : মাটিৰ পট্টন

**শ্ৰীহেমন্ত তালুকদাৰে সুধিছে ঃ**

☆ ৩১৬ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

পশ্চিম গুৱাহাটী সমষ্টিৰ অন্তৰ্গত চহৰ আৰু গাঁও অঞ্চলত চৰকাৰী মাটিত বহুদিন ধৰি বসবাস কৰি থকা মানুহ বিলাকক চৰকাৰী নীতি অনুসাৰে ক্ষেত্ৰ ভিত্তিত মাটিৰ

পট্টা দিয়াৰ ব্যৱস্থা কেতিয়ালৈ কাৰ্য্যকৰী কৰিব?

**শ্ৰীগৌতম ৰয়** (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

সম্প্ৰতি গুৱাহাটী আৰু অসমৰ আন আন চহৰৰ মাটি পট্টা দিয়া কাৰ্য্য সাময়িকি ভাবে বন্ধ ৰখা হৈছে। চৰকাৰে আদেশ উঠাই ললেই ভূমি নীতিমতে পট্টা দিয়াৰ ব্যৱস্থা লোৱা হ'ব। গাঁও অঞ্চলৰ চৰকাৰী মাটি যোগ্যতা অনুসৰি ৮বিঘাকৈ আৱণ্টন দিয়াৰ ক্ষমতা সংশ্লিষ্ট উপায়ুক্তক প্ৰদান কৰা হৈছে। ৮ বিঘাৰ ওপৰত প্ৰস্তাৱ হ'লে চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে।

**বিষয় : কামপুৰ সমবায় চেনীকল।**

**শ্ৰীউৎপল দত্তই সুধিছে ঃ**

☆ **৩১৭** । মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাঁও জিলাৰ কামপুৰত থকা অসমৰ একমাত্ৰ সমবায় চেনীকলটো বৰ্তমান কি অৱস্থাত আছে। চলি আছে?

(খ) বৰ্তমান চৰকাৰে কলটোৰ চেনী উৎপাদনৰ কাম বন্ধ ৰখাৰ কাৰণ কি? (বিতং জনাব)

(গ) চেনীকলটোৰ উৎপাদনৰ কাম কেতিয়া পুনৰাম্ভ কৰা হ'ব?

(ঘ) মিলটোৰ বিষয়া, কৰ্মচাৰীসকলে নিয়মিত ভাবে দৰমহা পাই আছেনে আৰু যদি পোৱা নাই, তেন্তে কেতিয়াৰ পৰা পোৱা নাই?

**শ্ৰীমিসবাহুল ইচলাম লস্কৰ** (সমবায় বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কামপুৰত অৱস্থিত সমবায় চেনীকলটোত সম্প্ৰতি যন্ত্ৰ-পাতিৰ প্ৰয়োজনীয় মেৰামতিৰ কাম চলাই থকা হৈছে।

(খ) প্ৰয়োজনীয় কাৰ্য্যকৰী মূলধনৰ অভাৱৰ বাবে ২০০২-০৩ বৰ্ষৰ পৰা সমবায় চেনীকলটো বন্ধ হৈ আছিল। নগাঁও সমবায় চেনী কলটো এটা স্বতন্ত্ৰ সমবায় অনুষ্ঠান। চৰকাৰে ইয়াৰ উৎপাদনৰ কাম বন্ধ ৰখাৰ প্ৰশ্ন নুঠে।

(গ) চলিত ২০০৪ বৰ্ষৰ শেষৰ ফালে মিলটো চলোৱাৰ আশা কৰা হৈছে।

(ঘ) সমবায় চেনীকলৰ বিষয়া-কৰ্মচাৰী সকলে ২০০২ বৰ্ষৰ মে' মাহৰ পৰা নিয়মিত ভাবে দৰমহা পাই থকা নাই।

## বিষয় : শ্বহীদ কমলা মিৰি ৰাস্তাৰ বাবে আৰ্থিক অনুদান।

**শ্ৰীপ্ৰবীণ গগৈয়ে সুধিছে ঃ**

★ ৩১৮। মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) খুমটাই সমষ্টিৰ জাতীয় শ্বহীদ কমলা মিৰি আলিটোৰ বাবে আৰ্থিক অনুদান দিয়া হৈছে নেকি?

(খ) যদি দিয়া হৈছে, কিমান দিয়া হৈছে?

(গ) কিমান দিনৰ ভিতৰত আলিটো সম্পূৰ্ণ হৈ উঠিব?

**শ্ৰীভৰত চন্দ্ৰ নৰহ** (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এই বিভাগৰ পৰা কোনো আৰ্থিক অনুদান দিয়া হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## বিষয় : সমবায় সমিতিৰ সংখ্যা।

**শ্ৰীছিদ্দিক আহমেদ জিজ্ঞাসা করেছেন ঃ**

★ ৩১৯। মাননীয় সমবায় বিভাগেৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ করি জানাবেন কিঃ

(ক) কৰিমগঞ্জ জিলায় সৰ্বমোট কতটি Co-operative আছে? তার মধ্যে কতটিতে Adhoc Committee করা হয়েছে, ক'ত তারিখ থেকে Adhoc কমিটি প্ৰথম করা হয়েছে?

(খ) এই Adhoc Committee গুলি আবার Extension দেওৱা হয়েছে কি? যদি হয়েছে ক'ত দিনের জন্য করা হয়েছে?

(গ) Co-operative Committee গঠন করার একটি গণতান্ত্ৰিক প্ৰক্ৰিয়া থাকা স্বত্তেওঁ Co-operative এ Election করা হয়নি কেন? বৰ্তমান সরকার Co-operative Election করার কোন ব্যৱস্থা নিয়েছেন কি?

**শ্ৰীমিসবাহুল ইচলাম লস্কৰ** (সমবায় বিভাগেৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) উত্তর দিয়েছেন ঃ

(ক) করিমগঞ্জ জিলায় সৰ্বমোট ৩৩টি গ্ৰাম পঞ্চায়েত পৰ্য্যায়েৰ সমবায় সমিতি আছে।

তার মধ্যে ১৫ টিতে তদর্থ কমিটি গঠন করা হয়েছে। (সমবায় কমিটি র নাম এবং গঠন করার তারিখ পরিশিষ্ট 'ক' সংলগ্ন করা হল) (See Annexure IV)

(খ) হয়েছে। অসম সরকারের ২৫-৫-২০০৪ তারিখের অধিসূচনা যোগে সকল গাঁও পঞ্চায়েত পর্য্যায়ের সমবায় সমিতিকে ৩১-১০-২০০৪ তারিখ পর্য্যন্ত সময় বর্দ্ধিত করে দেওয়া হয়েছে।

(গ) অসম সমবায় সমিতি সমূহের আইন অনুযায়ী সমবায় সমিতি গুলির বাৎসরিক সাধারণ সভা অনুষ্ঠিত করা বাধ্যতামূলক যদিও রাজ্যের বন্যা পরিস্থিতি এবং খরিফ শষ্য মরশুমের প্রতি লক্ষ্য রেখে সমবায় আইনের ৯২ ধারামতে গাঁও পঞ্চায়েত সমবায় সমিতি সমূহকে ৩১-১০-২০০৪ তারিখ পর্য্যন্ত সাধারণ সভা অনুস্থিত করার থেকে অব্যাহতি প্রদান করা হয়েছে। ৩১-১০-২০০৪ তারিখের পর থেকে গাঁও পঞ্চায়েত সমবায় সমিতি গুলির সাধাৰণ সভা অনুষ্ঠিত করার জন্য বিধিগত ব্যৱস্থা নেওয়া হবে।

**Sub : A.S.T.C. Station in Karimganj Town.**

**Shri MISSION RANJAN DAS asked:**

**320.** Will the Minister of Transport be pleased to state :

(a) Whether the Government is aware of deporable condition of yard, waiting room and approach road to A.S.T.C. Station in Karimganj Town?

(b) If so, what are the steps taken by the Government for impromvent of present condition of the Station and when it expected to be improve?

**Sri Anjan Dutta** (Minister of Transport) replied :

(a) Yes.

(b) 1. Hon'ble M.P. (Ex.) Sri Nepal Das has provided a fund of Rs. 2.00 lakhs for construction of new waiting shed through D.R.D.A, Karimgnaj. Works for construction will start after rainy season.

2. Hon'ble M. L. A., Pahtarkandhi L.A.C Sri Monilal Goala has also agreed for providing fund of Rs. 2.00 lakhs for construction of toilet block.

3. Estimates are also prepared for construction of office and ticket counter at a cost of Rs. 12.00 lakhs. The works will start after rainy season.

## SHORT NOTICE
## Questions and Answers

**Mr. Speaker : Now, Short Notice Question No. 5, Hon'ble Member, Shri Pabindra Deka.**

**বিষয় : তাকৰীয়া সময়ৰ প্ৰশ্ন।**

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ**

★ ৫ । মাননীয় আৰকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০২-২০০৩ বিত্তীয় বৰ্ষত ৰাজ্যখনত কিমান পৰিমাণৰ দেশত তৈয়াৰী বিদেশী সুৰা বিক্ৰী হৈছে।

(খ) এনে বিক্ৰীৰ ফলত আৰকাৰী শুল্ক (Excise Duty) হিচাপে উক্ত বছৰটোত চৰকাৰে কিমান টকা পাইছে?

(গ) উক্ত সময় ছোৱাত আৰকাৰী শুল্ক ৪০ শতাংশলৈকে কমাই দিয়া কথাটো সঁচানে?

(ঘ) যদি সঁচা ইয়াৰ কাৰণ কি?

(ঙ) উক্ত সময় ছোৱাত চৰকাৰে বিদেশী সুৰা বিক্ৰীৰ বাবদ কিমান টকা বিক্ৰীকৰ হিচাবে অৰ্জন কৰিছে?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১,৭৬,৯৭,০৮৭.০০ লিটাৰ।

(খ) ১০২.৬৫ কৌটি টকা।

(গ) সঁচা।

(ঘ) কৰ বিভাগৰ ১৯-২-২০০২ তাৰিখৰ অধিসূচনা অনুযায়ী সুৰাৰ ওপৰত পৃথকে ২২ শতাংশ বিক্ৰীকৰ ধাৰ্য্য কৰা হৈছে। ফলত চুবুৰীয়া ৰাজ্যৰ তুলনাত সুৰাৰ দাম আগতকৈ বৃদ্ধি হোৱাত অসমত সুৰাৰ বিক্ৰীৰ হাৰ কমি যায়। উক্ত সুৰাৰ মূল্য চুবুৰীয়া ৰাজ্যৰ সুৰাৰ মূল্যৰ লগত সমতা ৰক্ষা কৰিবৰ কাৰণে ৩মে'২০০২ চনত আৱকাৰী বিভাগৰ অধিসূচনা অনুযায়ী বিক্ৰীকৰ বৃদ্ধিৰ সমপৰিমাণৰ আৱকাৰী শুল্ক হ্ৰাস কৰা হয়।

(ঙ) ১৯-২-২০০২ তাৰিখৰ বিক্ৰীকৰ বিভাগৰ অধিসূচনা অনুযায়ী সুৰাৰ ওপৰত আৰোপিত ২২ শতাংশ বিক্ৰীকৰ পৃথককৈ বিক্ৰীকৰ বিভাগে সংগ্ৰহ কৰিব লাগে। বিত্ত বিভাগৰ তথ্য অনুযায়ী বিক্ৰীকৰ বিভাগে উক্ত সময়ছোৱাত IMFL ৰ বিক্ৰীকৰৰ বাবদ ২৯.২০ কৌটি সংগ্ৰহ কৰিছে আৰু দেশীয় সুৰাৰ বাবদ ০.৬৯ কৌটি টকা সংগ্ৰহ কৰিছে।

# UNSTARRED QUESTIONS AND ANSWERS

## Subject : Cases of payment of compensation

**Shri Shadeed Mazumder asked :**

**577.** : Will the Minister of Revenue pleased to state :-

(a) How many cases of payment of compensation under acquisition of zamindaries Act pending in Karimganj District ?

(b) In how many of such cases Hon'ble Gauhati High court passed orders for payment of compensation ?

(c) Whether such payment are held up due to non release of fund by the Government ?

(d) Will the Govt. release fund immediately to clear-up all due

cases and if so, when ?

(e) If not, why ?

(f) Whether Govt. is aware that delay in finalising cases will lead to more legal complications and demands of fund will increases ?

(g) If so, what steps Govt. wants to take up in this regard ?

**Sri Gautom Roy,** ( Minister, Social Welfare) replied :

a) So far 739 number of cases are pending for payment of zamindary compensation.

b) 180 numbers of cases as on March / 2004.

c) No, the fund constraint is not only the reason. There are also reasons like irregular and illegal claims, forgery of signature , etc.

d) Yes, since the year 2002, the whole Budget provision made for payment of compensation have been exhausted in clearing the due compensation against the eligible cases.

e) Does not arise.

f) Yes.

g) The Department have been requesting Finance Department, Govt. of Assam for more fund to clear the all eligible cases.

বিষয় : প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা

শ্ৰীৰাজু চাহুয়ে সুধিছে :

৫৭৮। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

চাহ জনগোষ্ঠীৰ পিচপৰা শ্ৰেণীৰ প্ৰমাণ পত্ৰ সমূহ এই জনগোষ্ঠীৰ প্ৰতিনিধি সকলৰ দ্বাৰা দিয়াৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :**

**বৰ্ত্তমান প্ৰচলিত পদ্ধতি অনুসৰি সদৌ অসম অন্যান্য পিছপৰা শ্ৰেণীৰ সংগঠনৰ সভাপতি আৰু সম্পাদক, জিলা আৰু সংমণ্ডলৰ অন্যান্য পিছপৰা শ্ৰেণীৰ সংগঠনৰ সভাপতি সম্পাদক সকলক অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণ পত্ৰ দিয়াৰ কতৃত্ব প্ৰদান কৰা আছে।**

**চাহ জনগোষ্ঠী যিহেতু অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত সেয়েহে এই জনগোষ্ঠীৰ বাবেও এই পদ্ধতি প্ৰযোজ্য।**

## বিষয় : মীন মহলৰ নিবিদা

**শ্ৰীশ্বেখ শ্বাহ আলমে সুধিছে :**

**৫৭৯ । মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

ক) গোৱালপাৰা জিলাৰ এই বেলি কেইখন মীন মহলৰ নিবিদা আহ্বান কৰা হৈছে।

খ) কুমৰী মীন মহলৰ নিবিদা আহ্বান কৰা হৈছিলনে ?

গ) যদি হৈছিল, কিমানখন সমিতিয়ে বা ব্যক্তিয়ে নিবিদা দিছিল আৰু কোন সমিতিয়ে বা ব্যক্তিয়ে কিমান টকাকৈ নিবিদা দিছিল ?

ঘ) কোন খন সমিতিক বা ব্যক্তিক উক্ত মীন মহল কিমান দিনৰ বাবে পট্টন দিয়া হৈছে ?

ঙ) সৰ্বোচ্চ হাৰ দিয়া ব্যক্তিক বা সমিতিক দিয়া হৈছেনে ? যদি দিয়া হোৱা নাই, কাৰণ কি ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) ১ (এক) খন।

খ) হৈছিল।

গ) মুঠ ৬ (ছয়) খন নিবিদা পোৱা হৈছিল।
নিবিদাকাৰীৰ নিবিদাৰ হাৰ তলত উল্লেখ কৰা হ'ল

| নিবিদাকাৰীৰ নাম | নিবিদাৰ হাৰ |
|---|---|
| ১) শ্ৰীদ্বিজেন ৰাভা | ৩৩,০০,০০০.০০ |
| ২) শুকুৰ আলী | ২৬,৭৬,৬০০.০০ |
| ৩) শ্ৰীহনু মালো | ২৫,৫০,০০০.০০ |
| ৪) শ্ৰীলক্ষণ মালো | ২৪,৫৮,৫০০.০০ |
| ৫) শ্ৰীৰশিত আলী | ২০,১৪,৭০০.০০ |
| ৬) মেচাৰ্চ কুমৰী পাৰা মাছমৰা আৰু জালগুঠা সমবায় সমিতি লিমিটেড। | ১২,৫০,০০০.০০ |

ঘ) শ্ৰীলক্ষণ মালোক ৭ (সাত) বছৰৰ বাবে পট্টন দিয়া হৈছে।

ঙ) নাই হোৱা, কাৰণ ঃ-

১) সৰ্ব্বোচ্চ নিবিদাকাৰী শ্ৰীদ্বিজেন ৰাভা অনুসূচীত জাতিৰ প্ৰকৃত মাছমৰীয়া লোক নহয়। লগতে মাছমৰীয়া অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ দিয়া নাই।

২) ২য় নিবিদাকাৰী মঃ শুকুৰ আলী অনুসূচীত জাতিৰ প্ৰকৃত মাছমৰীয়া লোক নহয়।

৩) ৩য় নিদিবাকাৰী শ্ৰীহনু মালোৰ সকলো নথি পত্ৰ ঠিকেই পোৱা গৈছে যদিও তেওঁ আগবঢ়োৱা শেষৰ ২ (দুই) বছৰৰ নিবিদাৰ নিৰিখ অস্বাভাৱিক আছিল।

৪) ৪ৰ্থ নিবিদাকাৰী শ্ৰীলক্ষন মালোৰ সকলো নথি পত্ৰ ঠিকেই পোৱা গৈছে লগতে প্ৰকৃত মাছমৰীয়া আৰু মাছ মৰাৰ অভিজ্ঞতা থকা লোক। সেয়েহে তেওঁক মুঠ ৭ (সাত) বছৰৰ বাবে পট্টন দিয়া হয়।

**শ্ৰীমদন কলিতাই সুধিছে:**

**৫৮০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:**

ক) বৰ্ত্তমান বানপানীৰ কবলত পৰি অস্থায়ী আশ্ৰয় শিবিৰত থকা তথা সৰ্বহাৰা হোৱা পৰিয়াল সকলক চৰকাৰে সাহায্য বিতৰণ কেতিয়ালৈকে কৰি থাকিব?

খ) ২০০৪ চনত হৈ থকা প্ৰলয়ংকাৰী বানপানীৰ বাবে সাহায্য ও পুনৰ সংস্থাপন বিভাগে ৰাজ্যত কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০০৪ চনৰ ২০ জুলাইলৈকে কিমান টকাৰ সাহায্য লাভ ও খৰছ কৰিছে? ( জিলা ভিত্তিত জনাব)

গ) নলবাৰী জিলাৰ বাবে দিয়া সাহায্যৰ টকাখিনি জিলাখনৰ কোন কোন ব্লক চাৰ্কোলত কেনে ধৰণৰ কিমান টকাৰ খৰচৰ বাবে আৱণ্টন কৰা হৈছে?

ঘ) উক্ত জিলাখনৰ ব্লক চাৰ্কোল সমূহত বিভিন্ন সা-সামগ্ৰী কাপোৰ-কানি যোগান

ধৰা যোগানকাৰী ঠিকাদাৰ সকলৰ নাম ঠিকনা সহ জনাব।

**শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে -**

ক) বানপানীৰ কৱলত পৰি আশ্ৰয় শিবিৰত থকা পৰিয়াল সমূহক "অসম সাহায্য নিয়মাৱলী"ৰ আধাৰত শিবিৰত থকালৈকে সাহায্য বিতৰণ কৰা হব।

খ) ৰাজহ বিভাগে (সাহায্য ও পুনৰ সংস্থাপন বিভাগ নহয়) কেন্দ্ৰীয় চৰকাৰৰ পৰা ৫৫.০০ কোটি N.C.C.F. ৰ পৰা টকা পাইছে। জিলা ভিত্তিত খৰছ হোৱা তালিকা সংলগ্ন 'ক' ত দিয়া হ'ল। (See Annexure V)

গ) টকাখিনি জিলা ভিত্তিতহে দিয়া হৈছে। ব্লক চাৰ্কোলৰ ভিত্তিত দিয়া হোৱা নাই।

ঘ) যাৱতীয় নীতি নিয়মেৰে অনুমোদন জনাই নিম্নলিখিত যোগানকাৰী সমূহক সা-সামগ্ৰী যোগান ধৰিবলৈ দিয়া হৈছে।

1) Wholesale Consumers Co-operative Society Ltd. Nalbari Rice
2) M/s Indarchand Mahabir Prasad, Nalbari - Masur Dal, Salt, Chira & Gur.
3) M/s Sagar Enterprise, Nalbari - H.T.W. & Polythine Sheet
4) L R Mills and Kapurchand Dharamchand Nalbari - Wheat Bran.

## বিষয় : ২০০৫ চনৰ ৰাষ্ট্ৰীয় খেলৰ ষ্টেডিয়াম নিৰ্মাণ আদিৰ অগ্ৰগতি

**শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ**

৫৮১। মাননীয় ক্ৰীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ২০০৫ চনত অসমত অনুষ্ঠিত হব লগা ৰাষ্ট্ৰীয় খেলৰ বাবে নিৰ্মীয়মান ষ্টেডিয়াম 'গেমছ ভিলেজ' ইত্যাদি নিৰ্মাণৰ অগ্ৰগতি কি পৰ্য্যায় পাইছে আৰু নিৰ্মাণ কাৰ্য্য খেল আৰম্ভ হোৱাৰ কিমান মাহ/দিন আগতে সম্পন্ন কৰিব পাৰিম বুলি চৰকাৰে স্থিৰ কৰিছে ?

খ) ২০০৫ চনৰ ৰাষ্ট্ৰীয় খেলৰ বাবে অসম দল বাছনিৰ বাবে মূল কমিটিৰ

লগতে কিমানটা শাখা কমিটি গঠন কৰা হ'ল, কমিটি সমূহৰ সকলো সদস্যৰ নাম সহ তেখেত সকলৰ কৰ্মৰত অনুষ্ঠান/প্ৰতিষ্ঠানৰ নাম ঠিকনা তথা খেলৰ অৰ্হতা কি কি ?

গ) প্ৰতিটো শাখাই নিজ নিজ দল বাছনিৰ বাবে কি ধৰণৰ পদক্ষেপ লৈছে আৰু কোন কোন শাখাই দল বাছনিৰ প্ৰাৰম্ভিক পদক্ষেপ লবলৈ সক্ষম হোৱা নাই ? চুড়ান্ত দল কোন কোন শাখাৰ গঠন হ'ল ?

ঘ) অসম চৰকাৰে ৰাষ্ট্ৰীয় খেলৰ অসমৰ দল বাছনিৰ বাবে মূল কমিটি তথা শাখা কমিটি সমূহলৈ কিমান পৰিমাণৰ ধন মুকলি কৰি দিছে আৰু মুকলি কৰি দিয়া ধনৰ মূল কমিটি তথা শাখা কমিটিয়ে কি কি কামত কিমান টকা খৰচ কৰিছে ? (বিতংকৈ জনাব)

ঙ) মূল কমিটি তথা শাখা কমিটিয়ে ভাড়া ঘৰ লৈছেনে ? যদি লৈছে কেতিয়াৰ পৰা ? (ভাড়াৰ পৰিমাণ, ঘৰৰ মালিকৰ নাম ঠিকনা তথা ব্যৱসায় সহ জনাব)

চ) অসমৰ দলে সকলো বিভাগতে সকলো শাখাতে অংশ গ্ৰহণ কৰিবনে ? এই সংক্ৰান্তত খেল ও যুৱ কল্যাণ বিভাগৰ পৰা কেনে ধৰণৰ নীতি নিৰ্দেশনা দিয়া হৈছে ? খেলুৱৈ সকলক কেনে ধৰণেৰে অনুপ্ৰাণিত / উৎসাহিত কৰা হ'ব ?

**শ্ৰীৰকিবুল হুচেইন (গৃহ বিভাগৰ (ৰাজ্যিক) মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

ক) ২০০৫ চনত প্ৰয়োজনীয় ক্ৰীড়া ষ্টেডিয়াম আন্তঃগাঠনি চেপ্তেম্বৰ মাহত সম্পূৰ্ণ হৈ উঠিব। উচ্চ ন্যায়ালয়ে গেমছ ভিলেজ সম্পৰ্কে অলপতে এক গোচৰ সংক্ৰান্তত ৰায়দান জাৰি কৰিছে। উক্ত ৰায়দানৰ বিপৰীতে চৰকাৰে আপীল কৰাৰ বাবে চিন্তা চৰ্চা কৰিছে।

খ) অসম দল আদি বাচনিৰ দায়িত্ব চৰকাৰৰ নহয়।

গ) প্ৰতিটো ৰাজ্যিক সন্থাই সুকীয়াকৈ নিজ দল বাচনি প্ৰশিক্ষণৰ ব্যৱস্থা সুকীয়াকৈ কৰিছে। এই ক্ষেত্ৰত চৰকাৰে ৰাজ্যিক গোট সমূহক সহায় কৰিছে।

ঘ) বিভিন্ন ৰাজ্যিক ক্ৰীড়া সন্থা সমূহক দল বাছনিৰ বাবে প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে ধন মোকোলাই দিয়াৰ লগতে যাৱতীয় নীতি নিৰ্দ্দেশনা দিয়া হৈছে (বিতং তথ্য গাঠি দিয়া হ'ল) (See Annexure - VI)

ঙ) নাই লোৱা।

চ) অসমৰ দলে সকলো বিভাগতে অংশ গ্ৰহণ কৰিব, এই সংক্ৰান্তত অসম অলিম্পিক সন্থাই যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। খেলুৱৈ সকলক অনুপ্ৰাণিত/ উৎসাহিত কৰিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰথম স্থান (সোনৰ পদক)

পোৱা জনক ৫ লাখ টকা, দ্বিতীয় স্থান (ৰূপৰ পদক) পোৱা জনক ৩ লাখ টকা আৰু তৃতীয় স্থান (ব্ৰঞ্জৰ পদক) পোৱা জনক ১ লাখ টকা দিয়া হ'ব বুলি ঘোষণা কৰিছে।

**বিষয় : দাবীদাবী জনগোষ্ঠী**

**শ্ৰীপানীৰাম ৰাভাই সুধিছে :**

**৫৮২ । মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?**

ক) বৰ্ত্তমান অসমত নতুনকৈ জনজাতি তালিকাভুক্ত হবলৈ কোনো জনগোষ্ঠীয়ে দাবী কৰিছে নেকি ?

খ) যদি কৰিছে, কোন কোন জনগোষ্ঠীয়ে দাবী কৰিছে ?

গ) শৰণীয়া জনগোষ্ঠীৰ লোক সকলেও দাবী কৰিছে নেকি ?

ঘ) অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ শৰণীয়া লোক সকলক জনজাতীয় (অনুসূচীত) তালিকাভুক্ত কৰিবলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবনে ? যদি কৰে কেতিয়ালৈ কৰিব ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) হয়, কৰিছে।

খ) আহোম, মৰাণ, মটক, চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ আৰু প্ৰাক্তন চাহ জনগোষ্ঠী আদি লোক সকলে দাবী কৰিছে।

গ) হয়, কৰিছে।

ঘ) শৰণীয়া লোক সকল ইতিমধ্যে জনজাতীয় তালিকাত কছাৰী ৰূপে তালিকাভুক্ত হৈ আছে । শৰণীয়া লোকসকলে শৰণীয়া হিচাবে পৃথকে অন্তৰ্ভুক্তিৰ দাবী জনোৱাত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ ইতিমধ্যে প্ৰস্তাৱ প্ৰেৰণ কৰিছে।

## বিষয় : পৰিবহন নিগমৰ বাছৰ সংখ্যা

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :**

**৫৮৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

ক) অসম পথ পৰিবহন নিগমত (এ: এছ: টি: চি) সদ্যহতে কিমানখন ব্যক্তিগত খন্দৰ বাছ চলি আছে ? কি কি আৰ্হিৰ বাছ চলি আছে? (বিতংকৈ জনাব)

খ) এইবোৰ ব্যক্তিগত বাছৰ পৰা পৰিবহন নিগমে কি নিৰিখত দৈনিক ভাড়া লাভ কৰে ?

গ) এই ব্যক্তিগত বাছৰ পৰা পৰিবহন নিগমে আৰ্হিভেদে পৰিবহনৰ (বাছৰ) পৰা মাহে বছৰি কিমান ভাড়া লাভ কৰে ?

ঘ) ব্যক্তিগত বাছ সমূহে নিগমৰ অধীনত চলোৱাৰ বাবদ বৰ্ত্তমানলৈকে কিমান ৰেজিষ্ট্ৰেশ্যন ফীজ লাভ কৰিছে ? (বছৰ ভিত্তিত জনাব)

ঙ) অসম পৰিবহন নিগমে যোৱা তিনিটা বছৰত কিমান ধন এই ব্যক্তিগত মালিকনাৰ বাছ সমূহৰ পৰা লাভ কৰিছে ? ( বছৰ হিচাবত দিব)

**শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

**ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত বৰ্ত্তমান ১৪৯২ খন ব্যক্তিগত খন্দৰ বাছ চলি আছে। বাছ সমূহৰ আৰ্হিৰ বিতং তথ্য এনেধৰণৰ :-**

| | | |
|---|---|---|
| ১) সাধাৰণ শ্ৰেণী (৭০৯) বাছ- | | ৬৪৭ খন |
| ২) দিষ্ট্ৰিক টাইপ ,, | - | ৪৭১ খন |
| ৩) ডিলাক্স টাইপ ,, | - | ২৩৭ খন |
| ৪) একজিকিউটিভ শ্ৰেণী ,, | - | ২৫ খন |
| ৫) শীত-তাপ নিয়ন্ত্ৰিত ,, | - | ৬ খন |
| ৬) চিটী বাছ | - | ১০৬ খন |
| মুঠ বাছৰ সংখ্যা | - | ১৪৯২ খন |

খ) উক্ত বাছ সমূহৰ সংগৃহীত ভাড়াৰ দহ শতাংশ বা তলত উল্লেখিত প্ৰতি কিঃ মিঃৰ নিৰিখৰ ভিতৰত যিটোৱে অধিক হয় সেইধৰণে পৰিবহন নিগমে ভাড়া লাভ কৰে :-

| | | |
|---|---|---|
| ১) সাধাৰণ শ্ৰেণী (৭০৯) বাছ | - | ১.০০ টকা |
| ২) দিষ্ট্ৰিক টাইপ ,, | - | ১.২৫ টকা |
| ৩) ডিলাক্স টাইপ ,, | - | ১.৩৫ টকা |

৪) একজিকিউটিভ শ্ৰেণী - ১.৪০ টকা
৫) শীত-তাপ নিয়ন্ত্ৰিত „ - ১.৫০ টকা
৬) চি টি বাছ - ২০০.০০ টকা (প্ৰতিদিনে)
- ২৫০.০০ টকা (প্ৰতিদিনে)

গ) এই ব্যক্তিগত খণ্ডৰ বাছ সমূহৰ পৰা পৰিবহন নিগমে মে ২০০৪ মাহত ১.২৩ কোটি টকা উপাৰ্জন কৰিছে। প্ৰতি বছৰে হোৱা আয়ৰ হিচাপ এনেধৰণৰ :-

| | | |
|---|---|---|
| ২০০১-০২ | - | ১৯৫.০০ লাখ |
| ২০০২-০৩ | - | ৭৬৯.৮৮ লাখ |
| ২০০৩-০৪ | - | ১১৯৫.৫৯ লাখ |
| মুঠ | - | ২১৬০.৪৭ লাখ |

আৰ্হিভেদে গাড়ীৰ আয়ৰ হিচাপ ৰখা হোৱা নাই। সেয়েহে আৰ্হিভেদে পৰিমান দিব পৰা নহ'ল।

ঘ) অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত ব্যক্তিগত বাছ সমূহ যোৱা চেপ্তেম্বৰ ২০০১ মাহৰ পৰা চলোৱা হৈছে। এই বাছ সমূহৰ পৰা পোৱা ৰেজিষ্ট্ৰেচন ফিজৰ পৰিমাণ এনে ধৰণৰ :-

| | | |
|---|---|---|
| ২০০১-০২ | - | ৫০.৬৫ লাখ |
| ২০০২-০৩ | - | ৫৫.১০ লাখ |
| ২০০৩-০৪ | - | ৫১.৬৫ লাখ |
| মুঠ | - | ১৫৭.৪০ লাখ |

ঙ) ব্যক্তিগত মালিকনাৰ বাছ সমূহৰ পৰা পোৱা ধনৰ হিচাপ এনে ধৰণৰ :-

| | | |
|---|---|---|
| ২০০১-০২ | - | ১৯৫.০০ লাখ |
| ২০০২-০৩ | - | ৭৬৯.৮৮ লাখ |
| ২০০৩-০৪ | - | ১১৯৫.৫৯ লাখ |

## বিষয় : মিনি ষ্টেডিয়াম

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে :**

৫৮৪। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত বৰ্ত্তমান কিমানটা মিনি ষ্টেডিয়াম আছে ?

খ) এই মিনি ষ্টেডিয়াম বিলাকৰ উন্নয়নৰ বাবে চৰকাৰে প্ৰতি বছৰে কিমান টকা খৰচ কৰে ?

গ) চলিত বিত্তীয় বছৰত চৰকাৰে ৰাজ্যখনত নতুনকৈ মিনি ষ্টেডিয়াম নিৰ্মাণ কৰাৰ ব্যৱস্থা লৈছে নেকি ?

ঘ) যদি লৈছে, ক'ত, ক'ত এনে ষ্টেডিয়াম নিৰ্মাণ কৰাৰ বৱস্থা লোৱা হৈছে?

ঙ) পাটাছাৰকুছি সমষ্টিত খাৰাধৰাত ১৯৮৭ চনতে নিৰ্মাণ কৰিবলৈ লোৱা মিনি ষ্টেডিয়ামটোৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হবনে ?

চ) যদি হোৱা নাই, নোহোৱাৰ কাৰণ কি ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ (ৰাজ্যিক) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) ৭৩ (তেসত্তৰ) টা প্ৰস্তাৱিত মিনি ষ্টেডিয়াম আছে।

খ) ক্ৰীড়া বাজেটত পুজিৰ অভাৱৰ বাবে ১৯৯৯-২০০০ চনৰ পৰা মিনি ষ্টেডিয়ামৰ বাবে কোনো অনুদান দিয়া হোৱা নাই।

গ) নতুন মিনি ষ্টেডিয়াম নিৰ্মাণ আঁচনি লোৱা হোৱা নাই।

ঘ) প্ৰশ্ন নুঠে।

ঙ) হোৱা নাই।

চ) বিষয়টো মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচৰাধীন হৈ আছে।

## বিষয় : লাঙ্গাই নদীৰ মথাউৰীৰ বাবে টকা মঞ্জুৰী।

**শ্ৰীছিদ্দিক আহমেদ জিজ্ঞাসা করেছেন**

**৫৮৫ । মাননীয় জলসম্পদ বিভাগেৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি :**

ক) পাথারকান্দি হইতে নিলাম বাজার লাঙ্গাই নদীর Right এবং Left Bank এ বিগত তিন বৎসরে কি কি খাতে আজ অবধী কত টাকা sanction হয়েছে এবং কত টাকার কাজ সম্পূর্ণ হয়েছে।

খ) বিগত বন্যার সময় লাঙ্গাই নদীর Right Bank 12000 Ch বাঁধ কত মিটার Breach হয়েছে ? ঐ Breach এর কাজ করার জন্য সরকার কি ব্যৱস্থা নিয়েছেন ?

**Shri Bharat Chandra Narah,** (Minister of W.P.T. & B.C.) replied:

a) During last three years , fund sanctioned as follows -

| | | | | |
|---|---|---|---|---|
| i) | Under Non Lapsable Central Pool of Resources - | | | |
| | | Rs. | 226.00 | lakhs |
| ii) | Under FDR (CRF) = | Rs. | 35.00 | lakhs |
| | Total= | Rs. | 261.00 | lakhs |

The entire fund sanctioned has been utilized for completion of earmarked schemes.

b) No breach occured on R/B of river Longai at ch. 12,000 M.

**Sub : Repairing / restoration scheme.**

**Shri Mission Ranjan Das,** asked :

**586 : Will the Minister of Water Resources be pleased to state:**

a) Whether the Government will take any repairing / restoration scheme on flood damaged bundh along river Kushiara at villages - Sarisa and Charakuri and Karimganj Town in Karimganj District ?

b) If so, what will be the scheme and when it will be executed for protection of said areas ?

c) If not, why and when scheme will be taken for protection of the areas and when it will be executed ?

**Shri Bharat Chandra Narah (Minister of W.P.T. & B.C.) replied :**

a) Yes

b) A scheme under FDR head is being prepared. Works can be taken up after sanction of the Revenue Authorities.

c) Question does not arise in view of reply at (b)

**বিষয় : ষষ্ঠ অনুসূচী অর্ন্তভুক্ত কৰিব বিচৰা জনগোষ্ঠী**

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :**

**৫৮৭ । মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) অসমত কোন কোন জনগোষ্ঠীক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অৰ্ন্তভূক্ত কৰিব বিচৰা হৈছে ?

খ) উক্ত ষষ্ঠ অনুসূচীৰ অন্তৰ্গত কেইটা অঞ্চল ৰাজ্যখনত থাকিব ? প্ৰতিটো এলেকাৰ সীমা নিৰ্ধাৰণ কেনে ধৰণে কৰা হ'ব বা হৈছে ?

গ) উক্ত এলেকাত বসবাস কৰা থলুৱা খিলঞ্জীয়া মানুহৰ কি কি অধিকাৰ থাকিব আৰু কি কি অধিকাৰ নাথাকিব উল্লেখ কৰিব ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) মিচিং, ৰাভা আৰু লালুং (তিৱা) সকলে মিচিং স্বায়ত্ব পৰিষদ, ৰাভা-হাচং স্বায়ত্ব পৰিষদ আৰু লালুং (তিৱা) স্বায়ত্ব পৰিষদ কেইখন ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰিবলৈ কৰা দাবীৰ বিষয়ে অধ্যয়ণ কৰিবৰ বাবে মন্ত্ৰী পৰ্য্যায়ৰ এখন উপ সমিতি গঠন কৰি দিয়া হৈছে। উপ সমিতিখন ১৮-০৬-০৪ তাৰিখৰ পৰা ৬ মাহৰ বাবে কাৰ্য্যকাল বঢ়াই দিয়া হৈছে।

**বিষয় : উন্নয়ণ নিগমৰ কৰ্মচাৰীৰ দৰমহা**

**শ্ৰীকবেন্দ্ৰ বসুমতাৰীয়ে সুধিছে :**

**৫৮৮ । মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদেয় অনুগ্ৰহ কৰি জনাবনে :**

**ক) বিগত ইং ২০০৩ চনৰ চেপ্তেম্বৰ মাহৰ পৰাই অসম ভৈয়াম জনজাতীয় উন্নয়ণ নিগমৰ কাৰ্য্যালয়ত কাম কৰা সমূহ কৰ্মচাৰীয়ে আজিৰ তাৰিখলৈ দৰমহা নোপোৱা বিষয়ে চৰকাৰ অৱগতনে? উক্ত বকেয়া দৰমহা আদায় দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?**

খ) দৰমহা নিদিয়াৰ কাৰণ দৰ্শাবনে ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) অসম ভৈয়াম জনজাতীয় উন্নয়ণ নিগমে দিয়া তথ্য অনুযায়ী মুখ্য কায্যালয়ত কাৰ্য্য নিৰ্বাহ কৰি থকা সকলো বিষয়া কৰ্মচাৰীকে দা-দৰমহা নিয়মিত ভাবে দি আছে। কিন্তু নিগমৰ শাখা কাৰ্য্যালয়ত কিছুসংখ্যক কৰ্মচাৰীক নিয়মিত ভাবে দৰমহা দিয়া নাই।

চৰকাৰে নিগম কৰ্ত্তৃপক্ষক তেওঁলোকৰ বিত্তীয় ব্যৱস্থা উন্নত কৰিবলৈ আৰু নিগমৰ কৰ্মচাৰী সকলক নিয়ম মতে দৰমহা দিয়াৰ ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিছে।

খ) অসম ভৈয়াম জনজাতীয় উন্নয় নিগমে তেওঁলোকৰ দুৰ্বল আৰ্থিক অৱস্থাৰ কাৰণে কৰ্মচাৰী সকলক সময় মতে দৰমহা দিব পৰা নাই।

**বিষয় : ভুৰাগাওঁ আৰু লাহৰীঘাট ৰাজহ চক্ৰ।**

**শ্ৰীবুবুল দাসে সুধিছে :**

**৫৮৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

ক) মৰিগাওঁ জিলাৰ লাহৰীঘাট আৰু ভুৰাগাওঁ ৰাজহ চক্ৰৰ কাৰ্য্যালয় কোন চনত স্থাপন কৰা হৈছিল?

খ) উক্ত ৰাজহ চক্ৰৰ দুয়োটাৰে চক্ৰ বিষয়া সকলৰ কাৰ্য্যালয় প্ৰাঙ্গনত পৰ্য্যাপ্ত মাটি থকা স্বত্তেও বাসভৱন নথকাটো চৰকাৰ জ্ঞাতনে?

গ) এইটো কথা সঁচানে, চক্ৰ বিষয়া সকলে মৰিগাওঁ সদৰৰ পৰা সপ্তাহত দুই এদিন উক্ত কাৰ্য্যালয়ত উপস্থিত হৈ অলপ সময় কাম কৰি লগে লগে গুচি যায় ?

ঘ) যোৱা ফেব্ৰুৱাৰী মাহত অসমত মুখ্য সচিব ৰাজখোৱাদেৱে ৰাইজক আশ্বাস দিছিল অতি সোনকালে ভুৰাগাওঁ আৰু লাহৰীঘাট চক্ৰ বিষয়াৰ বাসভৱনৰ বাবে চৰকাৰী ধন আৱণ্টন দিয়া হব বুলি ৰাইজক দিয়া আশ্বাস সম্পৰ্কে চৰকাৰ জ্ঞাতনে ?

ঙ) যদি জ্ঞাত, এই বছৰ বাজেটত বাসভৱনৰ বাবে ধন আৱণ্টন দিয়া হবনে?

**শ্ৰীগৌতম ৰয়, (সমাজ কল্যাণ মন্ত্ৰী) য়ে ৰাজহ মন্ত্ৰীৰ হৈ উত্তৰ দিছে :**

ক) মৰিগাওঁ মহকুমা (অ) গঠন হোৱাৰ আগতে লাহৰীঘাট ৰাজহ চক্ৰ আৰু ১৯৮১ চনত ভুৰাগাওঁ ৰাজহ চক্ৰ স্থাপন হৈছিল।

খ) জ্ঞাত

গ) সঁচা নহয়।

ঘ) জ্ঞাত।

ঙ) বিবেচনাধীন হৈ আছে।

**বিষয় : মীন পালন ব্যৱস্থা।**

**শ্ৰীহেমন্ত তালুকদাৰে সুধিছে :**

**৫৯০ ঃ মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

**ক) পশ্চিম গুৱাহাটী সমষ্টিৰ অন্তৰ্গত গ্ৰাম্য অঞ্চলত বহু জলাশয় আছে, উক্ত জলাশয় সমূহ মীন পালনৰ উপযোগী কৰিবৰ বাবে কিবা ব্যৱস্থা হাতত লবনে ?**

**খ) যদি লয়, কেতিয়ালৈ কাৰ্য্যকৰী কৰিব ?**

**গ) উক্ত সমষ্টিত কি কি আঁচনিৰ কাম ৰূপায়ণ কৰা হ'ল (২০০০ ইং চনৰ পৰা তালিকা সদনৰ মেজত দাখিল কৰিব)**

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :**

**ক) পুজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।**

**খ) পৰ্য্যায় ক্ৰমে কাৰ্য্যকৰী কৰা হ'ব।**

**গ) ইং ২০০০ চনৰ পৰা পশ্চিম গুৱাহাটী সমষ্টিত ৰূপায়ণ কৰা আঁচনি সমূহৰ তালিকা সংলগ্ন কৰা হ'ল। (সংলগ্ন তালিকা 'ক') (See Annexure VII)**

**বিষয় : পথ মেৰামতি।**

**শ্ৰীউৎপল দত্তই সুধিছে :**

**৫৯১ । মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

ক) যোৱা বানপানীৰ পিচত লক্ষীমপুৰ জিলাৰ বিভিন্ন পথ মেৰামতিৰ বাবে উপায়ুক্তৰ চিঠি ERR/26/NC/2004/3,dtd.24.6.2004 সম্পৰ্কত চৰকাৰ অৱগতনে ?

খ) যদি জানে, বৰ্ত্তমানে যোগাযোগ ব্যাহত থকা পথ কেইটা মেৰামতিৰ বাবে

আঁচনিৰ পৰা টকা মঞ্জুৰ কৰি মেৰামতিৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :**

ক) অৱগত।

খ) বানপানী কমাৰ পিচত পথ মেৰামতিৰ বাবে নিৰ্দ্ধাৰিত বিধি অনুযায়ী টকা মঞ্জুৰ দিয়াৰ ব্যৱস্থা লব পৰা যাব।

## বিষয় ঃ এন. চি. চি. বেটেলিয়ানৰ প্ৰশিক্ষণ।

**শ্ৰী দিনেশ চন্দ্ৰ সৰকাৰে সুধিছে :**

৫৯২। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ১৯৯০ চনৰ পৰা NCC বেটেলিয়ান কিমানটাই ছাত্ৰ-ছাত্ৰী সকলক প্ৰশিক্ষণ দি আছে আৰু কিমানটা NCC বেটেলিয়ান ধনৰ অভাৱত অক্ষম হৈ আছে? প্ৰশিক্ষিত ছাত্ৰ-ছাত্ৰী সকলক কেনেধৰণৰ সা-সুবিধা দিয়া হয়?

(খ) এন. চি . চি প্ৰশিক্ষণ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকলক ২০০৫ চনৰ ৰাষ্ট্ৰীয় খেলৰ বিভিন্ন কাম সুচাৰুৰূপে পৰিচালনাত অংশ গ্ৰহণ কৰোৱা হ'বনে?

(গ) ৰাইফল চুটিং, পিষ্টল চুটিং, নৌকা চালনা আদিৰ শাখা কমিটি সমূহত অসমৰ এন চি চি বেটেলিয়ানৰ কামাণ্ডেণ্ট/ অধিনায়ক সকলক লোৱা হৈছেনে?

(ঘ) ২০০৫ চনৰ ৰাষ্ট্ৰীয় খেলৰ বাবে গঠিত শাখা কমিটি সমূহত নিৰ্দ্দিষ্ট খেল সম্পৰ্কে সম্যক জ্ঞান নোহোৱা ব্যক্তিকো সভাপতি, সম্পাদক তথা সদস্য নিৰ্বাচন কৰা হৈছেনে? (শাখা কমিটিৰ সকলো বিষয়-ববীয়াৰ নাম ঠিকনা সহ কৰ্মৰত অনুষ্ঠান প্ৰতিষ্ঠানৰ নাম তথা খেলৰ অৰ্হতা সম্পৰ্কে জনাব।)

(ঙ) কমিটি সমূহৰ নিয়োজিত কৰ্মৰত বিষয়া সকলে নিজ কাৰ্য্যালয়ৰ কাম এৰি বিভিন্ন সময়ত খেল পৰিচালনা তথা খেলুৱৈ সকলক আৱশ্যকীয় সকলো সময়তে অনুপ্ৰাণিত কৰিবলৈ কেনেদৰে সক্ষম হব?

(চ) ২০০৫ চনৰ ৰাষ্ট্ৰীয় খেলত অসম দল বাচনিৰ বাবে কি কি শাখাই প্ৰস্তুতি/ প্ৰাৰম্ভিক খেল, কিবোৰ কাৰণৰ বাবে আৰম্ভ কৰিব পৰা নাই আৰু কেতিয়াকৈ আৰম্ভ কৰা হ'ব?

(ছ) চৰকাৰে নৌকা চালনা, ৰাইফল চুটিং, পিষ্টল চুটিং আদিৰ লেখীয়া খেল বিলাক এন, চি, চি, বেটেলিয়ানৰ কামাণ্ডেণ্টৰ দ্বাৰা চলাই অসম দল বাচনিৰ ব্যৱস্থা ল'বনে?

**শ্ৰীৰকিবুল হুছেইন, (গৃহ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসমত ২৭টা N.C.C অফিচে প্ৰশিক্ষণ দি আছে। ধনৰ অভাৱত কোনো অফিচ অক্ষম হৈ থকা নাই। প্ৰশিক্ষণ প্ৰাপ্ত N.C.C Cadet ৰ কাৰণে অসম চৰকাৰৰ ফালৰ পৰা উচ্চশিক্ষা চাকৰিত মকৰলৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হয়। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও বিভিন্ন প্ৰতিষ্ঠানত নাম ভৰ্ত্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা আছে।

(খ) হ'ব।

(গ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) নাই কৰা (প্ৰশ্ন নুঠে)।

(ঙ) প্ৰশ্ন নুঠে।

(চ) অলিম্পিক সন্থাই ৰাজ্যিক আৰু জিলা ক্ৰীড়া সংস্থা উদ্যোগত বিভিন্ন খেলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰে আৰু চৰকাৰে এই ক্ষেত্ৰত আৰ্থিক দিশত সহায় কৰে।

(ছ) চৰকাৰৰ ফালৰ পৰা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সকলোবোৰ খেলৰ দল বাচনিৰ বাবে ৰাজ্যিক ক্ৰীড়া সন্থা সমূহক দায়িত্ব দিয়া হৈছে।

**Sub : Protection Work of Annapurna Ghat.**

**Shri BIMOLANGSHU ROY asked :**

**593.** Will the Minister of Water Resources be pleased to state :

(a) Is the Government aware that because of non-payment of contractor's dues on account of protection work of Annapurna Ghat, Silchar no contractor is executing any work of the Departement in Silchar division?

(b) What is the reason of non-payment of executed work? Whether any fund has been sanctioned by the State or the Centre?

(c) Why R/S Scheme of E&D bundh from Uttar Krishnapur to Annapurna Ghat via Madhura Ghat has not been started through Scheme was sanctioned by the Centre 5 years back?

(d) Will Government undertake repairing works of breaches of E & D. bundh at Silchar?

(e) If so, when ? If not, why?

**Shri Bharat Chandra Narah (Minister of W.P.T. & B.C.) replied :**

(a) Yes.

(b) Due to non receipt of fund since January, 2001 under Central Sector scheme, payment could not be made to the contractors against the scheme.

(c) Non-Starting of the work is due to non-allocation of fund under Central Sector Scheme since 2001 by the Central Government.

(d) Yes.

(e) If possible, the work will be taken up after recession of current flood or after the flood season subject to the placement of fund under C.R.F. or any other sources.

**বিষয় ঃ কৰ সংগ্ৰহ ।**

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৫৯৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা বৰ্ত্তমানলৈ পৰিবহন বিভাগে কিমান কৰ সংগ্ৰহ কৰিছে? এই তিনিটা বছৰত চৰকাৰে কিমান কৰ সংগ্ৰহৰ নিৰ্দ্ধাৰণ কৰিছিল আৰু কিমান সংগ্ৰহ কৰে?

(খ) শ্ৰীৰামপুৰ (দমৰা) পৰিবহন তালাচী চকী আৰু ছাগলীয়া পৰিবহন তালাচী চকীৰ পৰা যোৱা তিনিটা বছৰত কিম্যন পৰিবহন কৰ সংগ্ৰহ কৰা হয়?

(গ) এই দুয়োটা চেক্‌গেটত পৰিবহন কৰ সংগ্ৰহৰ নিৰিখ কিমানত নিৰ্দ্ধাৰণ কৰিছিল?

(ঘ) এই দুয়োটা তালাচী চকীৰ দায়িত্বত এতিয়া কোন বিষয়া আছে?

(ঙ) এই দুয়োটা তালাচী চকীত বৰ্ত্তমান কোন কোন বিষয়া কৰ্মী কেতিয়াৰ পৰা আছে?

(চ) পৰিবহন বিভাগৰ কৰ সংগ্ৰহ বৃদ্ধিৰ বাবে প্ৰতিগৰাকী জিলা বিষয়াক একোখনকৈ গাড়ী দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) তলত উল্লেখ কৰা হ'ল —

২০০১ - ২০০২ - ১০২.২৩ কৌটি।

| | | | | | |
|---|---|---|---|---|---|
| ২০০২ | - | ২০০৩ | - | ১২৮.৮১ | ” |
| ২০০৩ | - | ২০০৪ | - | ১৪০.৪৯ | ” |
| ২০০৪ | - | ২০০৫ | - | ৩০.০০ | ” |

| | | | | নিৰ্দ্ধাৰিত কৰ | সংগৃহীত কৰ |
|---|---|---|---|---|---|
| ২০০১ | - | ২০০২ | - | ১৬০.০০ কৌটি | ১০২.২৩ কৌটি |
| ২০০২ | - | ২০০৩ | - | ১৬০.৯৭ কৌটি | ১২৮.৮১ কৌটি |
| ২০০৩ | - | ২০০৪ | - | ১৪৪.০৩ কৌটি | ১৪০.৮৯ কৌটি |
| ২০০৪ | - | ২০০৫ | - | ১৪৫.০০ কৌটি | ৩০.০০ কৌটি |

(৩০-৬-২০০৪ লৈকে)

(খ) শ্ৰীৰামপুৰ আৰু ছাগলীয়া তালাচী চকীৰ যোৱা তিনিটা বছৰৰ কৰ সংগ্ৰহ তলত দিয়া ধৰণৰ ঃ -

| | | | | শ্ৰীৰামপুৰ | ছাগলীয়া |
|---|---|---|---|---|---|
| ২০০১ | - | ২০০২ | - | ২৯.৭৩ কৌটি | ১০.৩৯ কৌটি |
| ২০০২ | - | ২০০৩ | - | ৩৮.০১৩ কৌটি | ০৭.০০ কৌটি |
| ২০০৩ | - | ২০০৪ | - | ৩২.১৭ কৌটি | ০৯.২৯ কৌটি |
| ২০০৪ | - | ২০০৫ | - | ৮.০০ কৌটি | ০৩.১২ কৌটি |

(গ) নিৰ্দ্ধাৰিত কৰ তলত উল্লেখ কৰা হ’ল —

| | | | | শ্ৰীৰামপুৰ | ছাগলীয়া |
|---|---|---|---|---|---|
| ২০০১ | - | ২০০২ | - | ৫০.০০ কৌটি | ৩৫.০০ কৌটি |
| ২০০২ | - | ২০০৩ | - | ৫০.০০ কৌটি | ৩০.০০ কৌটি |
| ২০০৩ | - | ২০০৪ | - | ৪৫.৬৯ কৌটি | ৮.৪০ কৌটি |
| ২০০৪ | - | ২০০৫ | - | ৩৮.৬০ কৌটি | ১১.২৪ কৌটি |

(ঘ) শ্ৰীৰামপুৰ - শ্ৰীপ্ৰদীপ নুনিচা, পুল পৰিবহন বিষয়া। ছাগলীয়া— শ্ৰীকৃষ্ণৰাম বৈশ্য, পৰিবহন বিষয়া,ধুবুৰী।

(ঙ) বিষয়া কৰ্মীৰ তালিকা সংলগ্নিত কৰা হ’ল। (See Annexure - VIII)

(চ) বৰ্ত্তমান তেনে ব্যৱস্থাৰ কথা ভবা নাই।

## বিষয় ঃ মাটিৰ পট্টন নোপোৱা পৰিয়ালৰ সংখ্যা।

**শ্ৰীছিদ্দিক আহমেদ জিজ্ঞাসা কৰেছেনঃ**

৫৯৫। মাননীয় ৰাজহ বিভাগেৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলার বন্দরকোনা জি,পি এরালীগুল এরিয়া ও বিনোদনী জি, পি,র বিনোদনী ও ওষারাণী এরিয়ার বিনা পাট্টায় ও সরকারী রাজস্ব নিদিয়াত ক'ত পরিবার বসবাস কৰছেন?

(খ) সরকার এই সব বসবাসকারীর রাজস্ব আদায় ও জমির পাট্টা দেওয়ার কোন ব্যৱস্থা করছেন কি?

শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠতে ১১৯ টা পৰিয়ালক ১৯৭৫-৭৬ চনতে চিলিং চৰকাৰী মাটি আৱণ্টন দিয়া হৈছিল। এই পৰিয়াল সমূহক বৰ্ত্তমানলৈ মাটিৰ পট্টা দিয়া হোৱা নাই; আৰু ৰাজহ আদায়ো পোৱা হোৱা নাই। বিতং তথ্য উপায়ুক্তৰ পৰা বিচৰা হৈছে।

(খ) আৱণ্টনকাৰী সকলক দখলৰ ভিত্তিত পট্টা দিয়াৰ ব্যৱস্থা লোৱা হৈছে আৰু সেইমতে খাজনা লোৱাৰ ব্যৱস্থাও কৰা হৈছে।

## Sub : Compensation Case.

**Shri Mission Ranjan Das asked :**

**596.** Will the Minister of Revenue be pleased to state :-

(a) Is it a fact that for not paying land compensation under Acquisition of Zamindaries Act against compensation cases JG. 120/84, T. 263/89, CG. 730/84, T. 211/89,BP. 111/83,BP. 89/83,BP84/83, JG. 121/84, JG. 182/84, T. 91/ 89,T. 259/89 and T.389/89 a contempt case (c) No. 530/2003 was filed in the Honourable High Court and order passed on 6-8-2003 against the Government ?

(b) If so, What were the steps taken by the Government for clearing up compensation against the said cases ?

(c) Whether all the said compensation cases are cleared up? If not, why ?

(d) Whether High Court Civil Rule Cases No. 5243/96,5244/96, 5242/96,5241/96 and 5240/96 were filed for compensation cases Nos. T.229/89,BP. 84/83, T. 268/89, T. 298/89 and BP.106/83 respectively against Government for not paying compensatioin in time and order was passed on 21-5-2002 by Honourable High Court for early payment but not making payment as per court order, High court contempt case (c)No.511/2003 was filed and order was passed in 6-8-2003?

(e) If so, what were the steps taken by the Government for clearing up compensation against the said cases?

(f) Whether all the above cases are cleared up if not why?

(g) Whether Writ Petition for compensation (e) case No. 1236/2004 was filed for payment of compensation against compensation cases No. JG. 192/84,T. 194/89, JG.176/84, CG. 1126/84, KK. 409/84, KK. 450/84, KKL. 88/84, DD.145/84, KKL. 107/84, CG. 874/83 JG. 186/84,T.95/89, and JG. 188/84 and order was passed by the Honourable High Court on 26-2-2004 against the Government for payment?

(h) If so, what steps have been taken by the Government for making payment of compensation against the said cases?

(i) Whether the Government is paying interest for not paying compensation in time?

(j) What is the total demand for making payment to land Acquisition compensation under acquisition of zamindary Act, and whether budget provision has been made during 2004-2005 for making payment of all pending compensation cases?

**Sri Gautom Roy (Minister, Social Welfare) replied :**

(a) Yes.

(b) The compensation involved in the compensation case No. T-298/89 has already been paid while in respect of case No.BP.111/83, BP. 84/83 and BP. 89/83 only the final compensation has been paid.

If adequate budget provision is received this year the compensation amount involved in the remaining cases will be paid. The Department has requested Finane Department Government of Assam for enhanced budget provision this year (2004-2005) for this purpose.

(c) No. Due to fund constraint all the cases could not be cleared up.

(d) yes.

(e) Enhanced budget provision is necessary to clear the pending compensation cases. As such the Department has requested the Finance Department for enhanced budget provision this year.

(f) No due to fund constraint all the cases were not cleared up.

(g) Yes.

(h) Enhanced budget provision is necessary to clear the pending compensation case. As such the Department has requested the finance Departement for enhanced budget provision this year.

(i) No.

(j) The total estimated demand would be Rs. 12.00 crore which cannot be provided in the budget in a single year. This year the Finance Department is requested for an enhanced budget provision.

## বিষয় ঃ গড়াখহনীয়াত নিঃশেষ হোৱা ৰাজহ গাওঁ।

### শ্ৰীবুবুল দাসে সুধিছে ঃ

৫৯৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও জিলাৰ লাহৰীঘাট, ভূৰাগাঁও আৰু মায়ং ৰাজহ চক্ৰৰ মুঠ কিমান ৰাজহ গাঁও সম্পূৰ্ণৰূপে ও আংশিক ৰূপে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত নিঃশেষ হৈছে?

(খ) উক্ত তিনিটা চক্ৰৰ কিমানটা পৰিয়াল ও জনসংখ্যা ২০০৪ চনৰ ৩০জুনলৈকে ক্ষতিগ্ৰস্থ হৈছে? (সদনৰ মেজত গাওঁ হিচাপে পৰিয়াল ও জনসংখ্যা দাখিল কৰিব)।

শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাঁও জিলাৰ লাহৰীঘাট, ভুৰাগাঁও আৰু মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত সম্পূৰ্ণ ও আশিংকভাৱে গড়াখহনীয়াত নিঃশেষ হোৱা ৰাজহ গাঁওৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

| | | সম্পূৰ্ণ | আংশিক ভাৱে |
|---|---|---|---|
| লাহৰীঘাট | = | ২২ | ১২ |
| ভূৰাগাঁও | = | ৪৭ | ১৫ |
| মায়ং | = | ৪ | ৩ |

(খ) উক্ত তিনিটা চক্ৰত পৰিয়াল আৰু জনসংখ্যাৰ ক্ষতিগ্ৰস্ত সমূহ তলত উল্লেখ কৰা হ'ল।

| | পৰিয়ালৰ সংখ্যা | জনসংখ্যা |
|---|---|---|
| লাহৰিঘাট | - ৯৩৮১ টা | ৬১৫৭৩ জন |
| ভূৰাগাঁও | - ৪৭৯২ টা | ৩৯৯৩৯ জন |
| মায়ং | - ১০৮৬ টা | ৭৮৪৩ জন |

## বিষয় ঃ ভোলাগাঁও সমবায় সমিতি।

### শ্ৰীহেমন্ত তালুকদাৰে সুধিছে ঃ

৫৯৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ-

(ক) কামৰূপ জিলাৰ ৰাণী ভোলাগাঁও সমবায় সমিতিয়ে ১৯৯২-৯৩ চনৰ পৰা ২০০২-০৩ চনলৈকে চৰকাৰৰ পৰা কিমান টকা পাইছে?

(খ) উক্ত সমবায়খনে Share Capital, Subsidy Grant loan, Tribal Sub-Plan, ITDP আদিৰ পৰা কিমান টকা পাইছে?

(গ) উক্ত সমবায়খনে DRDA ৰ পৰা কিমান টকা পাইছে?

(ঘ) উক্ত সমবায়খনে NCDC বা IFFCO ৰ পৰা কিবা সাহায্য পাইছেনে?

(ঙ) উক্ত সমবায়খনে ১৯৯৪ ৰ পৰা ২০০৪ চনলৈ জিলা পৰিষদ, পঞ্চায়তৰ পৰা কিমান টকা পাইছে?

শ্ৰীমিসবাহুল ইসলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) উক্ত সমবায় সমিতিখনে ১৯৯৪-৯৫ চনত জনজাতীয় সভ্য ভৰ্ত্তিকৰণৰ বাবদ

২৭,০০০/- টকা আৰু ৰেহাই মূল্যৰ ২.০০ টকা চাউলৰ বাবদ ৫০,০০০/- টকা ঋণ পাইছে।

(খ) উক্ত সমবায় সমিতিখনে পোৱা টকাৰ হিচাপ তলত উল্লেখ কৰা হ'ল—

| | |
|---|---|
| Share Capital | - ৩,৭১,২০০/-টকা |
| Subsidy | - ৯৮,১০০/-টকা |
| Grant loan | - ১,৪২,২৪৫/-টকা |
| Tribal Sub-plan | - ৭৭,০০০/-টকা |

(গ) উক্ত সমবায় সমিতিখনে DRDA ৰ পৰা কোনো টকা পোৱা নাই।

(ঘ) উক্ত সমবায় সমিতিখনে NCDC ৰ পৰা অংশৰ মূলধনৰ বাবদ মুঠ ৩,৩০,০০০/- টকা পাইছে।

(ঙ) উক্ত সমবায় সমিতিখনে ২০০০-২০০১ চনত ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ পৰা সাৰৰ গুদাম নিৰ্মাণৰ বাবদ মুঠ ১,৫৪,০০০/- টকা অনুদান পাইছে আৰু উক্ত টকা সাৰ গুদাম নিৰ্মাণত ব্যয় কৰা হৈছে। জিলা পৰিষদ আৰু পঞ্চায়তৰ পৰা এই সময়চোৱাত কোনো টকা পোৱা নাই।

**(Unstarred question no. 599 was deferred)**

## বিষয় ঃ ভূমিহস্তান্তৰ

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৬০০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ -

(ক) জনজাতি খণ্ড আৰু আবেষ্টনীত বেআইনীভাৱে ভূমি হস্তান্তৰ কৰি হোৱা পট্টাদাৰৰ ভূমিৰ ওপৰত চৰকাৰে এভেকশ্যন কৰাৰ বিধি আছেনে?

(খ) যদি আছে, এই বিধিৰে বৰ্ত্তমানলৈকে কিমান বেআইনী পট্টাদাৰৰ ওপৰত আইনী ব্যৱস্থা বলবত কৰা হৈছে?

(গ) দক্ষিণ কামৰূপ জনজাতি খণ্ড আৰু আবেষ্টনীৰ ডিমৰীয়া খণ্ডত কিমান লোকলৈ জনজাতি আবেষ্টনীত কিমান ভূমি, কিমানজন অসংৰক্ষিত শ্ৰেণীৰ হাতলৈ ভূমি হস্তান্তৰ কৰিছে তথ্য সদনত দাখিল কৰিব?

**শ্ৰীগৌতম ৰয়(সমাজকল্যাণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম ভূমি ও ৰাজহ আইনৰ দশম অধ্যায়ৰ ১৬৫(২) আৰু ১৬৫ (৩) ধাৰামতে এনে লোকক উচ্ছেদ কৰিব পাৰে।

(খ) ওপৰোক্ত আইনৰ ভিত্তিত জিলা সমূহৰ পৰা পোৱা তথ্যমতে মৰিগাঁও জিলাত ৭ জন এনে লোকৰ ওপৰত ব্যৱস্থা লোৱা হৈছে। বাকী কেইখন জিলাৰ তথ্য তলত দাখিল কৰা হ'ল।

| | | | |
|---|---|---|---|
| ১। | ডিব্রুগড় | - | জনজাতি বেল্ট নাই। |
| ২। | নলবাৰী | - | হোৱা নাই। |
| ৩। | শিৱসাগৰ | - | হোৱা নাই। |
| ৪। | বৰপেটা | - | হোৱা নাই। |
| ৫। | কোক্ৰাঝাৰ | - | হোৱা নাই। |
| ৬। | দৰং | - | বেআইনী হস্তান্তৰ হোৱা নাই। |
| ৭। | কৰিমগঞ্জ | - | নাই। |
| ৮। | হাইলাকান্দি | - | বেল্ট নাই। |
| ৯। | ধেমাজী | - | হোৱা নাই। |
| ১০। | ওদালগুৰি | - | হোৱা নাই। |
| ১১। | গোৱালপাৰা | - | হোৱা নাই। |
| ১২। | গোলাঘাট | - | হোৱা নাই। |
| ১৩। | লক্ষীমপুৰ | - | হোৱা নাই। |
| ১৪। | তিনিচুকীয়া | - | তিনিচুকীয়া জিলাত দুটা ট্ৰাইবেল আবেষ্টনী আৰু খণ্ড আছে। এটা শদিয়াত আৰু এটা টিৰাপত ট্ৰাইবেল বেল্ট । কিছু অসংৰক্ষিত লোকে টিৰাপ ট্ৰাইবেল বেল্টত বেদখল কৰিছে যদিও আইনগত বিধিৰে উচ্ছেদ কৰা হৈছে আৰু এই অভিযান অব্যাহত আছে। |
| ১৫। | মৰিগাঁও | - | ১৭ জন অসংৰক্ষিতৰ ভিতৰত ৭জনক উচ্ছেদ কৰা হৈছে আৰু ১০ জনক উচ্ছেদৰ ব্যৱস্থা লোৱা হৈছে। |
| ১৬। | শিলচৰ | - | নাই। |
| ১৭। | ধুবুৰী | - | নাই। |

(গ) দক্ষিণ কামৰূপ জনজাতীয় আবেষ্টনীৰ ডিমৰীয়া খণ্ডৰ বৰ্ত্তমানলৈ পোৱা তথ্যমতে ১১জন অসংৰক্ষিত শ্ৰেণীৰ লোকলৈ মুঠ ৮৯ বিঘা ২ কঠা ১৫ লেছা জমী হস্তান্তৰ হৈছে। বিতং তথ্য তলত দিয়া হ'ল।

মাটিৰ পৰিমাণ

| | | বিঘা | কঠা | লেছা |
|---|---|---|---|---|
| ১) | শ্রী এন, এন, দত্ত | ৭ বিঘা | ২ কঠা | ১০ লেছা |
| ২) | শ্রীমতী মালা সন্দিকৈ | | | |
| ৩) | শ্রীমতী হর্ষিতা সন্ধিকৈ | ২২ বিঘা | ৩ কঠা | ১০ লেছা |
| ৪) | শ্রী ৰাজীৱ গোস্বামী | ৭ বিঘা | ১ কঠা | ৫ লেছা |
| ৫) | শ্রীমতী ৰুবী বৰুৱা | ৭ বিঘা | ০ কঠা | ১৬ লেছা |
| ৬) | শ্রীকিশোৰ কুমাৰ বৰুৱা | ৯ বিঘা | ২ কঠা | ৫ লেছা |
| ৭) | মহম্মদ আহমেদ হুছেইন | ৪ বিঘা | ০ কঠা | ০ লেছা |
| ৮) | শ্রীহলধৰ কলিতা | ২৬ বিঘা | ৮ কঠা | ২ লেছা |
| ৯) | শ্রী পংকজ বৰা | ০ বিঘা | ২ কঠা | ১০ লেছা |
| ১০) | শ্রীমেঘনাথ শৰ্মা বৰখাট, | ২কঠা | ০কঠা | ০ লেছা |
| ১১) | শ্রী মতী উপাসনা দাস (আৰু) স্বাঃ প্রশান্ত, গুৱাহাটী | ১ বিঘা | ১ কঠা | ১০ লেছা |
| | মুঠ = | ৮৯ বিঘা | ২ কঠা | ১৫ লেছা |

## বিষয় ঃ ছাত্রাবাস ভৱন নির্মাণৰ বাবে মাটি আৱণ্টন।

### শ্রীমিশ্বন ৰঞ্জন দাস জিজ্ঞাসা করেছেন ঃ

৬০১। মাননীয় ৰাজহ বিভাগেৰ মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জের অতিরিক্ত জিলা উপায়ুক্ত (রাজস্ব) কার্য্যালয় থেকে পত্র নং- KRS/1/99/105-A তারিখ ১৬-০২-২০০৩ ইং করিমগঞ্জ সেটেলমেণ্ট অফিসারের নিকট প্রেরিত পত্রের মর্মানুযায়ী বিভাগীয় কর্ত্তৃপক্ষ করিমগঞ্জ গোরক্ষনাথ ছাত্রাবাস ভৱন নির্মাণের জন্য করিমগঞ্জ শহর অথবা শহর সংলগ্ন স্থানে এক খণ্ড জমি দেওয়ার জন্য কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন, বিশদ তথ্য সদনের মেঝে দাখিল করবেন?

(খ) বর্ত্তমান অর্তবর্ষে গ্রাম্যঞ্চলের অন্যান্য অনুন্নত শ্রেণীভূক্ত ছাত্র-ছাত্রী দেৰ সুবিধার্থে করিমগঞ্জ শহর অথবা শহর সংলগ্ন স্থানে গোরক্ষনার্থে ছাত্রাবাস নির্মানের জন্য প্রয়োজনীয় খাস জমি বরাদ্দ করার ব্যৱস্থা গ্রহণ করবেন কি?

শ্রী গৌতম ৰয় (সমাজ কল্যাণ মন্ত্রী) উত্তৰ দিছেন ঃ

(ক) সরকার এখন পর্য্যন্ত কোনো প্রস্তাৱ পায় নাই। কিন্তু প্রাথমিক আবেদনর ভিত্তিতে এবং উপায়ুক্তের নির্দেস মর্মে করিমগঞ্জর বন্দবস্তী প্রাধিকাৰক জনাইছে যে শহৰাঞ্চালে চাহিত জমি বর্ত্তমানে সরকারের হাতে নাই। এই মর্মে প্রস্তাৱ পেলে যথা সময়ে ব্যৱস্থা নেওৱা হবে। যেহেতু প্রস্তাৱ সরকারের কাছে নাই, তথ্য দাখিল করার প্রশ্ন উঠে না।

(খ) উপায়ুক্তর নিকট থেকে উপযুক্ত প্রস্তাৱে পেলে এবং পর্যাপ্ত খাস জমি সরকারের হাঁতে থাকার সাপেক্ষে যথাসময়ে ব্যৱস্থা গ্রহণ করা হবে।

## বিষয় : Development Scheme

**শ্রীছিদ্দিক আহমেদ জিজ্ঞাসা করেছেন ঃ**

৬০২ । মাননীয় মীনবিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) আসাম সরকারের অধিনে Fishing Development Community Fishing, Private Fisheries ইত্যাদি Development এর জন্য কি কি Scheme আছে?

(খ) করিমগঞ্জ জিলায় বিগত ২০০১ সাল থেকে আজ পর্য্যন্ত Fisheries Development এর নামে কত টাকা Sanction হয়েছে? ঐ কাজগুলি Implementation হয়েছে কি? (Scheme-wise implemented টাকার হিসাব সদনের মেঝেত দাখিল করবেন?

(গ) আগামী বৎসরে নতুন কোন Scheme নেওয়া হবে কি?

**শ্রীভৰত চন্দ্র নৰহ (মীন বিভাগৰ মন্ত্রী)**য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ অধীনস্থ মীন বিভাগত মীন উন্নয়নৰ বাবে থকা আঁচনি সমূহ এনে ধৰণৰ ঃ

(১) মীনপালক উন্নয়ন সন্থাৰ অধীনত ঃ

(ক) পুখুৰীৰ উন্নয়ন।

(খ) মীন পালনৰ বাবে আৰ্থিক সাহাৰ্য্য।

(গ) মীন পালকক প্ৰশিক্ষণ।

(২) পৰিত্যক্ত জলাশয় উন্নয়ন ঃ

(৩) মীন পোনা উৎপাদন।

(৪) অসম মীন গ্ৰাম্য আন্তঃগাঠনি কৃষি সেৱা প্ৰকল্প (বিশ্ব বেংক সাহাৰ্য্য)

(ক) ব্যক্তিগত মীন পালকৰ পুখুৰী উন্নয়ন।
(খ) ৰাজহুৱা পুখুৰী উন্নয়ন।
(গ) উদ্যান শস্যৰ লগত মীন পালন।
(ঘ) ধান খেতিৰ লগত মীন পালন।
(ঙ) গাহৰিৰ লগত মীন পালন।
(চ) বিল উন্নয়ন।
(ছ) মীন প্ৰশিক্ষণ।

(খ) কৰিমগঞ্জ জিলাত যোৱা ২০০১ চনৰ পৰা আজিলৈকে বিভিন্ন আঁচনি অন্তৰ্গত মীন উন্নয়নৰ বাবে মুঠ ৩৬,৬১,৯৮২.০০ টকা অনুমোদন দিয়া হৈছে আৰু ইয়াৰ মুঠ ৩৩,৫৭,৬৯৩.০০ টকা খৰছ হৈছে। আঁচনি অনুযায়ী অনুমোদন আৰু খৰছৰ বিৱৰণ ইয়াৰ লগত বেলেগে গাঠি দিয়া হ'ল। (সংলগ্ন তালিকা 'ক') (See Annexure - IX)

(গ) ARIASP আঁচনিৰ কাম শেষ হৈছে। অসমত বিশ্ব বেংকৰ দ্বিতীয় পৰ্য্যায়ৰ কামৰ আঁচনিৰ চূড়ান্ত অনুমোদন পোৱাৰ লগে লগে এই বছৰতে আঁচনিৰ কাম আৰম্ভ কৰাৰ সম্ভাৱনা আছে। অন্য কোনো নতুন আঁচনি এই বছৰত বৰ্তমানলৈকে লোৱা হোৱা নাই।

## বিষয় : গড়া খহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল।

**শ্ৰীবুবুল দাসে সুধিছে ঃ**

৬০৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মৰিগাঁও জিলাৰ গড়াখহনীয়া আৰম্ভ হোৱাৰ পৰা বৰ্তমানলৈকে লাহৰীঘাট ভুৰাগাঁও আৰু মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওবোৰৰ ব্ৰহ্মপুত্ৰই গড়াখহনীয়াৰ ক্ষতিগ্ৰস্ত কৰা পৰিয়ালৰ সংখ্যা কিমান? (সদনৰ মেজত ৰাজহ চক্ৰ গাঁওৰ জনসংখ্যা ও পৰিয়ালৰ সংখ্যা দাখিল কৰিব)

(খ) ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালক সাহাৰ্য্য ও পুনৰ সংস্থাপন দিয়া হৈছেনে? (সদনৰ মেজত গাঁও হিচাপে বিৱৰণ দিব)

(গ) যদি পুনৰ সংস্থাপন ও সাহাৰ্য্য দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই?

শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজহ চক্ৰভিত্তিত পৰিয়ালৰ সংখ্যা তলত দেখুৱা হ'ল ।

(১) লাহৰিঘাট ৰাজহ চক্ৰ ৯৩৮১ টা পৰিয়াল।

(২) ভূৰা গাঁও ৰাজহ চক্ৰ ৩৭৯১ টা পৰিয়াল।

(৩) মায়ং ৰাজহ চক্ৰ ১০৮৬ টা পৰিয়াল।

( গাঁওৰ জনসংখ্যা আৰু পৰিয়ালৰ তালিকা সংলগ্ন কৰা হ'ল।)

(See Annexure X )

(খ), (গ) ক্ষতিগ্ৰস্ত পৰিয়ালক অসম সাহায্য নিয়মাৱলী অনুযায়ী সময়ে সময়ে সাহায্য দি থকা হৈছে। উপযুক্ত চৰকাৰী মাটি থাকিলে উপায়ুক্তই অসম সাহার্য্য নিয়মাৱলীৰ আধাৰত ক্ষতিগ্ৰস্ত পৰিয়ালক সংস্থাপন দিব পাৰে।

## বিষয় : বিষয়া নিয়োগ

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৬০৪ । মাননীয় ভৈয়াম জনজাতি ও কল্যাণ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বি. টি. এ. ডি.ৰ প্ৰশাসন সন্দৰ্ভত অসম চৰকাৰে কিমান গৰাকী বিষয়া নিয়োগ কৰিছে? (বিষয়া সকলৰ পদসহ নামবোৰ দিব)

(খ) এই বিষয়া সকলৰ সকলোৱে কামত যোগদান কৰিছেনে? যদি নাই কৰা, প্ৰশাসন কেনেকৈ চলিছে?

(গ) বি. টি. এ. ডি.ৰ গঠনৰ পৰা প্ৰশাসনীয় কাম-কাজৰ বাবে আৰু বাৰ্ষিক বাজেটত কিমান ধন বৰ্ত্তমানলৈকে মুকলি কৰি দিছে?

(ঘ) বি. টি. এ. ডি.ৰ বাবে কেন্দ্ৰীয় চৰকাৰে বৰ্তমানলৈকে কিমান পুঁজি মুকলি কৰি দিছে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বি. টি. এ. ডি.লৈ হস্তান্তৰ হোৱা সকলো বিভাগলৈ সেই বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলক বি. টি. এ. ডি.লৈ হস্তান্তৰৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে।

(খ) বিতং তথ্য বি. টি. এ. ডি.ৰ পৰা বিচৰা হৈছে।

(গ) বাৰ্ষিক বাজেটৰ পৰা ২০০৩-২০০৪ চনত ১৩৫৪.০০ লাখ টকা আৰু ২০০৪-২০০৫ চনৰ বৰ্তমানলৈকে ১০৫০.০০ লাখ টকা দিয়া হৈছে।

(ঘ) বি. টি. এ. ডি.ৰ পৰা তথ্য বিচৰা হৈছে।

**Shri MISSION RANJAN DAS asked :**

605. Will the Minister of Revenue be pleased to state :

(a) How much fund has been assured by the Central Government to provide for Assam during 2004-2005 for relief and rehabilitation of people and repairing and restoration of roads, bridges, bundhs and other Government properties affected and damaged by recent flood in all parts of Assam?

(b) How much fund has been released by the Central Government till now for above purpose?

(c) How much fund has been utilised by the State Government for above purpose? (please give the details of fund utilised in different circles and in different districts of Assam).

Shri Gautam Roy (Minister, Social Welfare) replied :

(a) Central Government has not given any specific assurance with regards to placement of fund for flood relief in Assam for 2004.

(b) Central Government has already released Rs. 55.00 crore from N. C. C. F. and Rs. 46.26 crore as first instalment of Central share of C. R. F. for the year 2004-2005.

(c) Revenue Department released an amount of Rs. 5037.50 lakh for the above mentioned purpose till date as detailed below :

| Name of DCs/SDOS/Deptts. | Purpose | Amount released |
|---|---|---|
| 1. All DCs and SDOS | : Gratuitous Relief | Rs.4135.50 Lakh |
| 2. All DCs and SDOS | : Cattle feed | Rs. 214.00 Lakh |
| 3. P. W. Department | : F. D.R. works | Rs. 200.00 Lakh |
| 4. Water Resources Department | : F. D. R. works | Rs. 200.00 Lakh |

| | | | |
|---|---|---|---|
| 5. Health & F.W. Department | :Vaccines/Medicines | Rs. | 200.00 Lakh |
| 6. P. H. E. Department | : for supply of drinking water | Rs. | 20.00 Lakh |
| 7. Environement&Forest deptt. | : Protection of wild animals | Rs. | 30.00 Lakh |
| 8. A. S.E. B. | : For Supply of power etc. | Rs. | 25.00 Lakh |
| 9. A. H. & Vety. Department | :Vaccines/Medicines | Rs. | 15.00 Lakh |

Mr. Speaker : Question Hour is over.

## MISCELLANEOUS

☆ **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম চৰকাৰৰ পৰা এটা কথা জানিব খুজিছোঁ যে গণতান্ত্রিক দেশ এখনত মানুহে আন্দোলন কৰিবলৈ আহিব নোৱাৰে নেকি? এখন দেশত বিভিন্ন ধৰণৰ গণতান্ত্রিক প্রক্রিয়াৰে গঠিত সভা আছে। যোৱাকালি ধেমাজি, ঢকুৱাখানাৰ পৰা সন্মিলিত জনগোষ্ঠীৰ লোক আহি লাষ্টগেটত ধর্ণা দিয়াৰ কথা কিন্তু তেওঁলোক আহোঁতেই পুলিচে বাধা দিছে। এইটো সাংঘাতিক বেয়া কথা। ভৱিষ্যতে যাতে তেনে কাম নকৰে তাৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিছোঁ। আমাৰ মাননীয় সংসদী পৰিক্রমা মন্ত্রী নৰহ ডাঙৰীয়াই লাষ্টগেটত ধেমাজি,ঘিলামৰা আৰু ঢকুৱাখানাৰ পৰা আহা লোক সকলে ধর্ণা দি আছে তাত গৈ এবাৰ খবৰ লৈ আহিলে ভাল হয়।

☆ **ডঃ জয়নাথ শর্মা ঃ -** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দেখোন এখন নটিচো গ্রহন কৰা নাই, মোক কিয় কবলৈ নিদিয়ে? এখন খবৰৰ কাগজ বিক্রী কৰাত চৰকাৰে বাধা দিছে যিটো একেবাৰে অনুচিত কথা হৈছে। গতিকে এই বিষয়টো মই আজি নটিচ আকাৰে দিছোঁ। অধ্যক্ষ মহোদয়, আপোনাৰ অধিকাৰ আছে মোৰ নটিচ নাকচ কৰাৰ কিন্তু সদস্য হিচাপে মোৰো অধিকাৰ আছে বিষয় এটা উত্থাপন কৰাৰ গতিকে মোক পাচ মিনিট হলেও কবলৈ দিয়ক।

## DISCUSSION ON ZERO HOUR MATTER

**Mr. Speaker :** I have received as many as 8 Zero Hour Notices for today from the following Hon'ble Members -

1. Sri Raju Sahu
   Sri Pani Ram Rabha
2. Sri Dilip Kr. Saikia
3. Sri Karendra Basumatary
   Sri Romio Brahma

---

✱ Speech not corrected

Sri Matindra Basumatary

Sri Nathu Ram Boro

4. Dr. Idris Ali
5. Sri Prafulla Kumar Mahanta
6. Sri Pabindra Deka
7. Sri Gopi Nath Das
8. Dr. Zoii Nath Sarma

As per rules, I have selected 3 Zero Hours for raising before the House today. I now call upon Hon'ble Member, Sri Gopi Nath Das to raise the Zero Hour Motion published in "The Dainik Agradoot" Dated 2.8.2004 under the caption." প্ৰতি বছৰে অসমত বাঢ়িছে হেজাৰ হেজাৰ কৰ্কট ৰোগী"।

**শ্ৰীগোপী নাথ দাস** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই আজি এটা গুৰুত্বপূৰ্ণ কথা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। কথাটো হৈছে যোৱা এক আগষ্ট তাৰিখে 'দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশিত 'প্ৰতিবছৰে বাঢ়িছে অসমত কৰ্কট ৰোগী' এই বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৪-৭৫ চনত কৰ্কট ৰোগীৰ সংখ্যা অসমত আছিল ২৯০ জন। কিন্তু এতিয়া এইটো বাঢ়ি গৈ ২০০২-০৩ চনত ৫ হাজাৰ ৬১৪ জনলৈ বাঢ়িছে আৰু বি বৰুৱা কেন্সাৰ ইন্‌ষ্টিটিউটত পঞ্জীভুক্ত হৈছে। প্ৰতি বছৰে এইদৰে কেন্সাৰ ৰোগীৰ সংখ্যা বাঢ়ি যোৱাৰ ফলত যথেষ্ট অসুবিধা হৈছে। অধ্যক্ষ মহোদয়, কেন্সাৰ ইন্‌ষ্টিটিউটটো যেতিয়া স্থাপন কৰিছিল সেই সময়ত ৰোগীৰ সংখ্যা কম আছিল পৰবৰ্ত্তী কালত ৰোগীৰ সংখ্যা বাঢ়িহে আছে। ফলত বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটত আন্তঃগাঠনিৰ অভাৱ হৈছে। যি ধৰণে ৰোগীক চিকিৎসা আগবঢ়াব লাগিছিল সেইধৰণে কৰিব পৰা নাই। প্ৰতিবছৰে ৰোগীৰ সংখ্যা বৃদ্ধি হৈ আছে আৰু সেই হিচাপে আন্তঃগাঠনি চৰকাৰে বৃদ্ধি কৰা দৰকাৰ। এতিয়া আমাৰ কথা হ'ল ৰোগী বাঢ়ি গৈয়ে আছে ৰোগীৰ সংখ্যাযে কমাব লাগে সেই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে?

অধ্যক্ষ মহোদয়, আমি বয়ষষ্ঠ মানুহৰ মুখত শুনিছিলোঁ 'যাৰ হৈছে যক্ষ্মা তাৰ

নাই ৰক্ষা'। যক্ষ্মা হোৱা মানেই তেওঁৰ মৃত্যু অনিবাৰ্য্য কিন্তু আজিৰ দিনত এই ৰোগ পানী লগা চৰ্দ্দি জ্বৰৰ নিচিনা হৈছে। আগতে এই ৰোগৰ কাৰণে ১৮ মাহৰ দৰৱঁ, পাচত ৯ মাহ, তাৰো পিচত ৬ মাহৰ আৰু এতিয়া ৩ মাহৰ দৰৱ খালেই ৰোগী ভাল হয়। আজিকালি টি বি টো বেমাৰেই নহয়। কিন্তু কাৰোবাৰ কেন্সাৰ হোৱা বুলি ক'লে আতংকৰ সৃষ্টি হয়। এজন মানুহৰ কেন্সাৰ হ'লে মানুহৰ বদ্ধমূল ধাৰণা হৈছে যে সেই বেমাৰত শতকৰা ৯৮ জনেই মৃত্যুমুখত পৰিব। কেন্সাৰ হ'লে আৰু তেওঁ বাচি নাথাকে। কেন্সাৰৰ ঘোষণা নকৰা পৰ্য্যন্ত মানুহজন ঠিকেই থাকে কিন্তু হোৱা বুলি কোৱাৰ লগে লগে আতংকতেই শতকৰা ৯৫ ভাগেই মৃত্যুবৰণ কৰে। এই ক্ষেত্ৰত চৰকাৰে কি বলিষ্ঠ পদক্ষেপ লৈছে জানিব বিচাৰিছোঁ। মই বোম্বেৰ টাটা মেম'ৰিয়েললৈ গৈছিলোঁ, তাত বেমাৰীক দুইধৰণে চিকিৎসা কৰা দেখিছোঁ। সাধাৰণ মানুহক বিনামুল্যে চিকিৎসা কৰে। যি সকল পইচা থকা মানুহ তেওঁলোকৰ প্ৰাইভেট ভাৱে টকা পইচা লৈ চিকিৎসা কৰাৰ প্ৰভিজন আছে।

আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ প্ৰতিষ্ঠান এই কেন্সাৰ প্ৰতিষ্ঠান খনৰ ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেলপমেণ্ট কৰিব লাগে যাতে আমাৰ এই অঞ্চলৰ কেন্সাৰ বেমাৰী সকলে চেন্নাই, মুম্বাই, দিল্লী আদি ঠাইলৈ চিকিৎসাৰ কাৰণে যাব নেলাগে। আমাৰ কেন্সাৰ বেমাৰী সকলে আমাৰ ৰাজ্যৰ বাহিৰলৈ চিকিৎসা কৰিবলৈ যোৱাৰ কাৰণে যথেষ্ঠ টকা খৰচ কৰিবলগীয়া হয়। লাখ লাখ টকা এই বেমাৰৰ পিচত গুচি যায়। গতিকে বি, বৰুৱা কেন্সাৰ ইনষ্টিটিউট খনৰ ইনফ্ৰাষ্ট্ৰাকাচাৰ ডেভেলপমেণ্ট কৰিব লাগে। দিনে দিনে আমাৰ ৰাজ্যখনত কেন্সাৰ বেমাৰীৰ সংখ্যা বাঢ়ি গৈ আছে। সেয়েহে এই কেন্সাৰ ৰোগ প্ৰিভেণ্ট কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা ল'ব। বাতৰি কাকতত বাতৰি পৰিবেশন কৰাৰ দৰে বৰ্তমান ভাৰতবৰ্ষত ২৫ লাখ কেন্সাৰ বেমাৰী আছে আৰু প্ৰতি বছৰে নতুনকৈ ৭ লাখ কেন্সাৰ ৰোগীৰ সৃষ্টি হয়। তাৰে আঢ়ৈ লাখ মানুহৰ ধপাত বা ধূমপান জাতীয় বস্তু খোৱাৰ ফলত এই বেমাৰৰ সৃষ্টি হয়। অসমৰ বেলিকা মুখ আৰু খাদ্য নলীত মানুহৰ বেচিকৈ কেন্সাৰ হয়। অসমৰ মানুহে তামোল খায় আৰু তাৰ লগত জৰ্দ্দা, ধপাত আদিও খায়। ধপাত জাতীয় বস্তুৰ ক্ষেত্ৰত এই লেভেলটো থাকে — ইংৰাজীত সেইটো ষ্টেটিউটৰী ওৱাৰ্ণিং এটা আছে। কিন্তু সেই ওৱাৰ্ণিং থকাৰ পিচতো চৰকাৰে টেক্স যথেষ্ঠ পৰিমানে বৃদ্ধি কৰি আছে।

লাহে লালে টেক্স বঢ়াই আছে। কেন্সাৰ বেমাৰ প্ৰিভেণ্ট কৰাৰ কাৰণে সেই ধপাত জাতীয় বস্তবোৰ খোৱাতো বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। লগতে কেন্সাৰ ৰোগ প্ৰিভেণ্ট কৰাৰ কাৰণে চৰকাৰে ডাক্টৰ সকলক উপযুক্ত ধৰণে ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিব লাগে। কেন্সাৰ ৰোগৰ ক্ষেত্ৰত জনসাধাৰণৰ মনত যিটো আতঙ্কৰ সৃষ্টি হৈছে সেইটো নাইকীয়া কৰিব লাগে। আমি গাঁও বিলাকত গ'লে প্ৰায়েই কেন্সাৰ বেমাৰী সকলৰ পৰা সাহায্যৰ আবেদন পাও। আমি সেই আবেদন বিলাক মাননীয় মুখ্যমন্ত্ৰীক দিও আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে তেখেতৰ ৰিলিফ ফাণ্ডৰ পৰা কিছু আৰ্থিক সাহায্য দিয়ে। এইৰোগটো যাতে নাইকীয়া কৰিব পাৰো তাৰ কাৰণে চৰকাৰে এতিয়াৰ পৰাই চিন্তা-চৰ্চা কৰিব লাগে। মাননীয় স্বাস্থ্যমন্ত্ৰী গৰাকী যিহেতু নিজেই এজন ডাক্টৰ, গতিকে মই তেখেতক অনুৰোধ কৰিব খুজিছো যে কি ব্যৱস্থা ল'লে সেই ৰোগটো প্ৰিভেণ্ট কৰিব পৰা যায় সেইটো চিন্তা-চৰ্চা কৰি ব্যৱস্থা ল'ব লাগে।

☆ শ্ৰীগুণীন হাজৰিকা ঃ - চাৰ, মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ পৰা দুটা কথা জানিব বিচাৰিছো। প্ৰথমতো হ'ল অসমৰ কোন কোন জিলাত বেচিকৈ কেন্সাৰ হয় আৰু সেই জিলা কেইখনত কেনচাৰ হোৱাৰ কাৰণ কি? দ্বিতীয় কথটো হ'ল অসমৰ মানুহৰ যে কেনচাৰ হয় কি কেনচাৰ বেচিকৈ হয়? ব্লাড কেনচাৰ নে অন্য কেনচাৰ বেছিকৈ হয়?

☆ ডঃ জয়নাথ শৰ্মা ঃ - চাৰ, মোৰ সমষ্টিৰ কেইখনমান গাঁওত বিশেষকৈ লোথাপাৰা গাঁওত মানুহে কিবা এটা বিষ হলেই কেনচাৰ হোৱা বুলি ভাবে। কি কাৰণত কেনচাৰ বৃদ্ধি হৈছে তাৰ বাবে মই এবাৰ বি, বৰুৱা কেনচাৰ ইনষ্টিটটিউটৰ পৰা এজন ডাক্টৰ তালৈ লৈ গৈছিলো। কেনচাৰ ৰোগ প্ৰিভেণ্ট কৰাৰ কাৰণে আৰু ট্ৰিটমেণ্ট কৰাৰ কাৰণে অসম চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ এৱাৰনেচ প্ৰগেম্ লোৱা দেখা নাই। কেনচাৰ ৰোগ কি কাৰণে হয়, কেনচাৰ ৰোগৰ ক্ষেত্ৰত মানুহে কেনেকৈ সতৰ্কতা অৱলম্বন কৰিব লাগে, কেনেকৈ এই ৰোগ প্ৰিভেণ্ট কৰিব পাৰি তাৰ কাৰণে মানুহৰ মাজত সজাগতা আনিব লাগে। পানীৰ কাৰণে হৈছে নে তামোল বা ধুমপানৰ কাৰণে হৈছে বা ব্ৰেষ্ট ফিডিং নোহোৱাৰ কাৰণে হৈছে সেই কথা বিলাক চাব লাগে।গতিকে কেনচাৰ বেমাৰ প্ৰিভেণ্ট কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি আমাৰ ৰাজ্যখনত কেনচাৰ বেমাৰীৰ সংখ্যা ইমান বেছি হৈছে যে স্বাস্থ্য বিভাগত এই বেমাৰত আক্ৰান্ত হোৱা লোক সকলক

* Speech not corrected

সাহায্য দিয়াৰ কাৰণে কমেও ৫/৬ কৌটি টকাৰ প্ৰয়োজন হয় আৰু তাৰ কাৰণে এটা 'হেড' কৰিব লাগে। এইটো এই কাৰণেই কৰিব লাগে যে মুখ্যমন্ত্ৰীৰ সাহায্য পুজিলৈ কেনচাৰ বেমাৰী সকলৰ আবেদন বিলাক পঠিয়ালে ঠিক মতে সাহায্য নাপায়। এই কথা মই বাজেট বক্তৃতাৰ আগতেও কৈছো। বিৰোধী দলৰ বিধায়কে দিয়া আবেদন পেলাই থয় আৰু কেতিয়াবা কম টকা দিয়ে। এনেকুৱা ধৰণৰ বৈষম্য কেনচাৰ বেমাৰী সকলৰ ক্ষেত্ৰত কৰিবনেলাগে। দূৰ্গত সকলক সম দৃষ্টিৰে চাব লাগে।

☆ **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** - যিবিলাক বি, পি, এল মানুহ আছে সেই মানুহ বিলাকৰ কেনচাৰ হলে বি, বৰুৱা কেনচাৰ ইনষ্টিটিউটত বিনা পইচাৰে কেমো থেৰাপি কোবাল্ট (থেৰাপি আৰু 'ৰে') দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**ডঃ ইদ্ৰিছ আলী ঃ** - চাৰ, আমাৰ মাননীয় সদস্য দাস ডাঙৰীয়াই কেনচাৰ সম্পৰ্কত যিটো আলোচনা ডাঙি ধৰিছে তাৰ লগতে মইও দুষাৰমান কব বিচাৰিছোঁ। মই এই ৰোগটোৰ সম্পৰ্কত মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক কিছু পৰামৰ্শ দিব বিচাৰিছোঁ। বি, বৰুৱা কেনচাৰ ইনষ্টিটিউট খন উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতেই একমাত্ৰ কেনচাৰ প্ৰতিষ্ঠান। আমাৰ ৰাজ্যখনৰ গাঁও অঞ্চলৰ মানুহৰ কেনচাৰ হলে বি, বৰুৱা কেনচাৰ ইনষ্টিটিউটলৈ আহি চিকিৎসা কৰাতো আৰ্থিক ক্ষেত্ৰত কঠিন হৈ পৰে। সেই কাৰণে আমাৰ ৰাজ্যখনৰ প্ৰত্যেকখন জিলাৰ অসামৰিক চিকিৎসালয়ত এই ৰোগৰ প্ৰিলিমিনাৰী ডিটেকচনৰ ব্যৱস্থা কৰিব লাগে আৰু এই ৰোগ হোৱাৰ লগে লগেই চিকিৎসা কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ বি, বৰুৱা কেনচাৰ ইনষ্টিটিউট খন এখন ভাল ইনষ্টিটিউট। এই ইনষ্টিটিউটখনে অৰ্থনৈতিক দিশত পিচ পৰি থকাৰ কাৰণে যেনে ধৰণে আধুনিক চিকিৎসা কৰিব লাগে তেনে ধৰণে আধুনিক চিকিৎসা কৰিব পৰা নাই। আমাৰ এই ইনষ্টিটিউটখন মুম্বাইৰ টাটা কেনচাৰ ইনষ্টিটিউটখনতকৈ কোনো গুণেই কম নহয়। আমাৰ এই ইনষ্টিটিউট খন টাটা ইনষ্টিটিউটৰ সমপৰ্য্যায়ৰেই ইনষ্টিটিউট। আমাৰ এই ইনষ্টিটিউটখন এখন ভাল ইনষ্টিটিউট আৰু এই ইনষ্টিটিউট খন যাতে অৰ্থনৈতিক ক্ষেত্ৰত কোনো ধৰণে পিচ পৰি নেথাকে তাৰ কাৰণে ব্যৱস্থা কৰিবৰ কাৰণে মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনাইছো।

**ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহাশয়, আমাৰ মাননীয় সদস্য কেবাজনেও অসমত কেন্সাৰ ৰোগীৰ ওপৰত বিভিন্ন বক্তব্য আৰু পৰামৰ্শ আগবঢ়ালে তাৰ কাৰণে মই মাননীয় সদস্য কেইজনক ধন্যবাদ জনাইছো। অসম তথা উত্তৰ

---

* Speech not corrected

পূৰ্বাঞ্চলত যি হাৰত কেন্সাৰ ৰোগী বাঢ়ি আহিছে তাৰ কাৰণে চৰকাৰেও যথেষ্ঠ চিন্তা-চৰ্চা কৰিছে। অধ্যক্ষ মহাশয়, আমাৰ অসমত অকল যে পেট বা হাড়ৰে কেন্সাচৰ হয় এনে নহয় চালৰ কেন্সাৰ, লিভাৰ কেন্সাৰ আদিও হয়। আজিকালি কেন্সাৰ শৰীৰৰ যিকোনো ঠাইতে হ'ব পাৰে। অধ্যক্ষ মহাশয়, আজি অসমৰ পৰা ভেলোৰলৈ যিবিলাক ৰোগী যায় তাৰে ভিতৰত অসমৰে কেন্সাৰ ৰোগী সৰ্বাধিক। আজি অসম তথা উত্তৰ-পূৰ্বাঞ্চলত যি হাৰত কেন্সাৰ ৰোগী বাঢ়ি আহি আছে তাৰ কাৰণে বিভিন্ন ধৰণৰ গৱেষণা পৰ্য্যন্ত চলি আছে যদিও আজিলৈকে কি কাৰণত এই ৰোগটো হবলৈ পাইছে কোনেও কব পৰা নাই। অধ্যক্ষ মহাশয়, আমাৰ অসমত প্ৰখ্যাত চিকিৎসক ডাঃ সুৰেন্দ্ৰনাথ শৰ্মাই এই বিষয়ত বহুদিন ধৰি গৱেষণা কৰিছিল আৰু তেখেতে কৈছিল যে অসমৰ মানুহে সৰ্বাধিক হাৰত তামোল, পান খায় আৰু পুৰুষ বিলাকে যথেষ্ট পৰিমাণে ধপাত বিড়ি, চিগাৰেট খোৱাৰ ফলত এই ৰোগে দেখা দিয়ে। অধ্যক্ষ মহাশয়, এইটোও দেখা গৈছে যে একেবাৰে একো নোখোৱা মানুহজনক এই কেন্সাৰ ৰোগত আক্ৰান্ত হোৱাটোও আমি লক্ষ্য কৰিছো। দেখা যায় যে খোৱা-নোখোৱাৰ কাৰণে এই ৰোগটোৱে কাকো বাচ বিচাৰ নকৰে। অধ্যক্ষ মহাশয়, আগৰ দিনত যেতিয়া (Tuberculosis) বেমাৰৰ চিকিৎসা উদ্ভাৱন হোৱা নছিল সেই সময়ত সাগৰৰ পাৰত নাইবা নদীৰ পাৰত মুকলি বতাহ লবলৈ কোৱা হৈছিল। কিন্তু আজিকালি উন্নতমানৰ চিকিৎসা ওলোৱাৰ পৰা প্ৰায় বিলাক মানুহে চিকিৎসা কৰি ভাল হয়।

অধ্যক্ষ মহাশয়, মই সন্মানীয় সদনত জনাব বিছাৰিছো যে আমাৰ স্বাস্থ্য বিভাগৰ তৰফৰ পৰা কি কি ব্যৱস্থা লোৱা হৈছে তাৰ অকণমান বিৱৰণ আজিৰ এই সদনত ডাঙি ধৰিছো। যোৱা ২-৮-২০০৪ ইং তাৰিখে অগ্ৰদূত কাকতত প্ৰকাশিত, "প্ৰতি বছৰে বাঢ়িছে হেজাৰ হেজাৰ কৰ্কট ৰোগী" শীৰ্ষক বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে। উক্ত বাতৰি সন্দৰ্ভত মই সন্মানীয় সদনক অৱগত কৰো যে এইড্‌ছৰ পিচতে আধুনিক চিকিৎসা বিজ্ঞান শাস্ত্ৰত কৰ্কটৰোগ অন্যতম ভয়াবহ ৰোগ বুলি গণ্য কৰা হয়। শীৰ্ষক বাতৰিৰ জৰিয়তে অসমকে ধৰি চুবুৰীয়া ৰাজ্য কেইখনত এই ৰোগৰ ব্যাপকতা সম্পৰ্কে আৰু পঞ্জীয়নভুক্ত ৰোগীৰ সংখ্যা দাঙি ধৰা হৈছে। এইখিনিতে যোৱা ১৯৯৮-৯৯ চনৰ পৰা ২০০৩-০৪ চনলৈ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত কৰ্কট ৰোগ চিকিৎসাৰ একমাত্ৰ প্ৰতিষ্ঠান গুৱাহাটীস্থ ডাঃ বি. বৰুৱা কৰ্কটৰোগ প্ৰতিষ্ঠানত পঞ্জীভুক্ত ৰোগীৰ সংখ্যা উল্লেখ কৰা হৈছে। অধ্যক্ষ মহাশয়, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আবণ্টিত ২০০০-২০০১ বিত্তীয় বৰ্ষৰ

মুঠ ৪৫.০০ লাখ টকাৰ যোৰহাট, ধুবুৰী আৰু কাছাৰ জিলাৰ প্ৰতিখনতে ১৫ লাখ টকাকৈ মুকলি কৰি দিয়া হৈছে। এই টকাৰে যাবতীয়া যন্ত্ৰপাতি, ঔষধ আদি সংশ্লিষ্ট জিলা কেইখনত যোগান ধৰাৰ উপৰিও ডাক্তৰ সকলক ডাঃ বি, বৰুৱা কৰ্কট প্ৰতিষ্ঠানত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ মহাশয়, ডাঃ বি, বৰুৱা কৰ্কট প্ৰতিষ্ঠান উন্নয়ন আৰু প্ৰসাৰণৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰৰ অধীনত আন দুটা সংস্থা আনৱিক শক্তি সন্থা আৰু উত্তৰ পুব পৰিষদৰ লগত ত্ৰিপাক্ষিক চুক্তিৰ আধাৰত ব্যৱস্থা লোৱা হৈছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে ধপাত সেৱনৰ ফলত হোৱা অপকাৰিতাৰ বিষয়ে সজাগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অধ্যক্ষ মহাশয়, মই কব বিচাৰিছো যে কৰ্কটৰোগ সজাগতা আৰু চিনাক্তকৰনৰ বাবে ডাঃ বি. বৰুৱা কৰ্কটৰোগ প্ৰতিষ্ঠানে অসমৰ বিভিন্ন গাঁও আৰু নগৰ অঞ্চলৰ লগতে চুবুৰীয়া ৰাজ্যকেইখনৰ বিভিন্ন স্থানত শিবিৰ পতাৰ ব্যৱস্থা কৰিছে। ডাঃ বি, বৰুৱা কৰ্কটৰোগ প্ৰতিষ্ঠানত উন্নতমানৰ চিকিৎসা সুবিধা থকাৰ উপৰিও অসম চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ত কেৱল থেৰাপিৰে চিকিৎসা কৰাৰ ব্যৱস্থা আছে।

মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্য ডঃ জয়নাথ শৰ্মা, ডঃ ইদ্ৰিছ আলী, পবিন্দ্ৰ ডেকা প্ৰমুখ্যে মাননীয় সদস্য সকলে ভাল পৰামৰ্শ আগবঢ়ালে। অধ্যক্ষ মহাশয়, আমাৰ ডাঃ বি, বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানত কিছুসংখ্যক দুখীয়া ৰোগীক বিনামূলীয়া চিকিৎসা কৰাৰ ব্যৱস্থা আছে। আমাৰ ডাঃ বি, বৰুৱা কেন্সাৰ প্ৰতিষ্ঠান খন তিনিটাৰ অন্তৰ্ভুক্ত যেনে উত্তৰ পুৰ্ব পৰিষদ আৰু কেন্দ্ৰীয় চৰকাৰ আদিৰ লগতহে আমাৰ এই প্ৰতিষ্ঠানখন চলি আছে। আমাৰ যিবিলাক পি এইচ চি আৰু যিবিলাক চি এইচ চি আছে তাতো আমাৰ কৰ্কটৰোগীৰ বাবে বিশেষ একো চিকিৎসা নাই কাৰণে চিকিৎসক সকলে গুৱাহাটীৰ বি বৰুৱা, কৰ্কটৰোগ প্ৰতিষ্ঠানলৈ পঠিয়াই দিয়ে। অধ্যক্ষ মহাশয় আমি ইতিমধ্যে জিলা কেন্সাৰ কন্ট্ৰোল প্ৰগ্ৰেমৰ ওপৰত গুৰুত্ব আৰোপ কৰিছো। অসম চিকিৎসা মহাবিদ্যালয়ত আৰু শিলচৰ মহাবিদ্যালয়ত চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ মহাশয়, আমি গুৱাহাটী বি, বৰুৱা কৰ্কটৰোগ প্ৰতিষ্ঠানখন উন্নত মানৰ কৰাৰ বাবে যিমান পাৰি চেষ্টা অব্যাহত ৰাখিছো। অধ্যক্ষ মহাশয়, আমি ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো যে এই প্ৰতিষ্ঠানখনক আৰু অধিক উন্নতমানৰ কৰাৰ বাবে চেষ্টা চলাই আছো আৰু আশা কৰিছো কেন্দ্ৰীয় চৰকাৰে আমাৰ এই বিষয়ত সহাৰি জনাব। ইমানকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

☆ ড°জয়নাথ শৰ্মা ঃ - মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগৰ বাজেটত মাননীয় মন্ত্ৰী মহোদয়ে যিটো টকা ধৰিছে তাৰে ১ শতাংশ যদি কৰ্ত্তন কৰি ৰাখে ৬৫০ কৌটি টকা হব। এইখিনি টকা কৰ্কটৰোগীৰ সাহায্যৰ কাৰণে যথেষ্ঠ হব।

☆ ডাঃ ভূমিধৰ বৰ্মন ঃ - মাননীয় অধ্যক্ষ মহোদয়, সদনৰ সকলো মাননীয় সদস্যই যদি কথাটোত সমৰ্থন কৰিছে তেন্তে মই সেইটো কৰিম।

☆ **Mr. Speaker :** I now call upon the Hon'ble Members, Shri Karendra Basumatary, Shri Romio Brahma, Shri Matindra Basumatary and Shri Nathu Boro to raise their Zero Hour Motion which was published in the "Amar Asom" dated 26-07-2004 under the caption: "ৰঙিয়া ৰে'ল ডিভিজনৰ পদ কৰ্তন, থলুৱাৰ মূৰত ৰে'লৰ মাধমাৰ।"

☆ **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ -** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬-৭-২০০৪ তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশ পোৱা "ৰঙিয়া ৰে'ল ডিভিজনৰ পদ কৰ্তন, থলুৱাৰ মূৰত ৰে'লৰ মাধমাৰ" শীৰ্ষক বাতৰিটোৰ ওপৰত মই দুআষাৰমান কব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, ৰঙিয়া ৰে'ল ডিভিজনটো অসম তথা সমগ্ৰ উত্তৰপূৰ্বাঞ্চলৰ সৈতে জড়িত। ৰঙিয়া ৰে'ল ডিভিজনৰ অধীনত ৮০০গেং মেন আৰু খালাছীৰ পদ এতিয়াও খালী হৈ আছে। ইয়াৰে ৯২ টা খালাছী পদ। এই ৯২ টাৰ ৩৯ টা পদ কৰ্তন কৰিছে এতিয়া খালী আছে ৫৩ টা। মাজে সময়ে দুই এটা নিযুক্তি দি আছে। খালী পদবিলাকত নিযুক্তি নিদিয়াৰ বাবে স্থানীয় নিবনুৱা যুৱক-যুৱতীসকল অসন্তুষ্ট হৈ আছে। এই বিষয়টোত এটা মনে মনে বিতৰ্ক হৈ আছে। কেৰেজ বিভাগত ২৩৫ টা পদ খালী হৈ আছে, কিন্তু ইতিমধ্যে ২০৯টা পদ কৰ্তন কৰিলে। বিদ্যুৎ বিভাগত ৮০ টা পদৰ ৬০ টা কৰ্তন কৰিলে। গতিকে ৰঙিয়া ৰেল ডিভিজনটো 'কলিতে জয় পৰি যোৱাৰ' দৰে অৱস্থা হৈছে। গতিকে যিসকল থলুৱা নিবনুৱা আছে তেওঁলোকক খালাছী, কেৰাণী আদি খালি হৈ থকা পদসমূহত নিয়োগ বিভাগৰ যোগেদি নিযুক্তি দিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় নিয়োগ মন্ত্ৰী তথা মাননীয় মুখ্য মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিবলৈ সদনত এটা সিদ্ধান্ত লবৰ বাবে মই আহ্বান জনাইছো। ইয়াৰ লগতে ৰঙিয়াৰ পৰা জোনাইৰ মোৰ্ককচেলেংলৈকে এতিয়াও ব্ৰড গজ ৰেল লাইন সম্প্ৰসাৰণৰ কাম হৈ উঠা নাই। এই আঁচনিটো যাতে সোনকালে ৰূপায়ণ কৰা

☆ Speech not corrected

হয় তাৰ ব্যৱস্থা হাতত লব লাগে। বৃহত্তৰ স্বাৰ্থৰ খাতিৰত মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আপীল জনাইছো। এই ৰঙিয়া ৰেল ডিভিজনকলৈ অসমীয়া আৰু হিন্দীভাষীৰ মাজত সংঘাট হৈ আছে। গতিকে অন্ততঃ ২০ শতাংশ যদি অসমৰ থলুৱা ল'ৰা-ছোৱালীবিলাকে খালাছী, কেৰাণী, গেংমেন আদিত নিযুক্তি পালেহেতেন তেতিয়া অৱস্থাৰ কিছু উন্নত হ'লহেতেন। কাৰণ আজিকালি অসমীয়া ল'ৰা-ছোৱালীবিলাকে মূৰত টোপোলা লব পাৰে, ৰিক্সা চলাব পৰা হৈছে। বঙ্গাইগাঁৱত গেংমেন পদকেইটাত হিন্দীভাষীয়ে নিযুক্তি পায়। থলুৱা অসমীয়া ল'ৰাই নাপালে। ইয়াৰ মাজত এটা চক্ৰই কাম কৰি আছে।

**মাননীয় অধ্যক্ষ মহোদয়,** ৰৌতাৰ জীয়া-ধনশিৰি নদীত যিখন দলং আছে তাত দুৰ্ঘটনাত বহুত মানুহ মৰিছে। এই দলংখনৰ কাষেদি এখন ফুট ব্ৰীজ দিবৰ কাৰণে ৰেল মন্ত্ৰালয়লৈ শ্ৰীৰামবিলাচ পাছোৱান আৰু শ্ৰীনীতিশ কুমাৰলৈ চিঠি লিখা হৈছিল, কিন্তু আজিলৈকে কাম নহ'ল।

**মাননীয় অধ্যক্ষ ঃ-** বিষয়টো কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ সম্পৰ্ক আছে সেই কাৰণে মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব নোৱাৰিলে।

**☆ শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ -** মাননীয় অধ্যক্ষ মহোদয়, ৰেল বোৰ্ডৰ মেম্বাৰসকলৰ কাম কি? তেওঁলোকক মাতি আনি এই কথাবিলাক আলোচনা কৰি ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিব লাগে। এই শূণ্য কালিন সময়ৰ প্ৰশ্নটো উত্থাপন কৰিবলৈ মোক সুবিধা দিয়াৰ বাবে মই ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

**☆ শ্ৰীমতিন্দ্ৰ বসুমতাৰী ঃ -** মাননীয় অধ্যক্ষ মহোদয়, মই ৰঙিয়া ৰেল ডিভিজনৰ ওপৰত দুটামান কথা কব বিচাৰিছো। লামডিং, মালিগাঁও, বঙ্গাইগাঁওত স্থানীয় ভাবে নিয়োগ কৰিবৰ কাৰণে নিয়োগবোৰ্ড আছিল। আৰু সেই নিয়োগ বোৰ্ডত দুজনকৈ স্থানীয় সদস্য অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা আছিল। যিবিলাক অঞ্চলত এচ চি / এচ টি সংখ্যা আছে তাত ল'কেলি এচ, চি বা এচ টি সদস্য নিয়োগ বোৰ্ডত অন্তৰ্ভুক্ত কৰি নিয়োগ দিয়াৰ ব্যৱস্থা আছিল। ফলত উক্ত বোৰ্ড সমূহ উঠাই দিয়াত গুৱাহাটীতে একমাত্ৰ ৰেল নিযুক্ত বোৰ্ড হোৱাৰ কাৰণে বাকীবিলাক অঞ্চলৰ নিবনুৱাসকল বহু অসুবিধাত পৰে। অবিভক্ত গোৱালপাৰা জিলাত বঙ্গাইগাঁওত থলুৱা নিযুক্তি দিবৰ বাবে অসম চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লব নোৱাৰেনে? গতিকে থলুৱা নিবনুৱা সকলক নিযুক্তি দিবৰ কাৰণে বৰ্ত্তমানৰ ব্যৱস্থাটো বিকেন্দ্ৰীকৰণ কৰিলে নিবনুৱাসকল যথেষ্ট উপকৃত হ'লহেতেন। গতিকে মই

☆ Speech not corrected

এই বিষয়টোত ব্যৱস্থা লবৰ বাবে মই চৰকাৰক আবেদন জনালো।

**শ্রীৰামেশ্বৰ ধানোৱাৰ (মন্ত্রী) :** - মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীমতিন্দ্র বসুমতাৰীকে ধৰি মাননীয় সদস্য সকল 'ৰঙিয়া ৰেল ডিভিজনৰ পদ কৰ্তন, থলুৱাৰ মূৰত ৰেলৰ মাধমাৰ সম্পৰ্কীয় শূন্যকালৰ আলোচনাৰ উত্তৰত মই কবলৈ ওলাইছো যোৱা বাৰ সদনত ২২-১২-০৩ তাৰিখে এটা সৰ্ব্বসন্মতি ক্রমে সিদ্ধান্ত লোৱা হৈছিল যে উত্তৰ পূর্বাঞ্চলৰ কাৰণে এটা বেলেগ ৰেলৱে ৰিক্রুয়িটমেণ্ট পলীচি কৰাৰ দৰকাৰ। ৰেলৱে ৰিক্রুয়িটমেণ্টত পদ কৰ্ত্তন সম্পৰ্কে কেন্দ্রীয় চৰকাৰ আৰু ৰেল বিভাগৰ নিজস্ব নীতি আছে আমাৰ চৰকাৰে তাত হস্তক্ষেপ কৰিব নোৱাৰে। সেই কাৰণে যোৱা বাৰ সদনত ২২/১২/০৩ তাৰিখে সৰ্ব্বসন্মতিক্রমে এই প্রস্তাৱ গ্রহণ কৰা হৈছে।

এই বিষয়ে আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে ব্যক্তিগত ভাবে তেতিয়াৰ প্রধানমন্ত্রী শ্রী অটল বিহাৰী বাজপেয়ী মহোদয় আৰু এতিয়াৰ প্রধানমন্ত্রী শ্রীমনমোহন সিং দেবৰ লগত ব্যক্তিগত ভাবে চিঠিৰ জৰিয়তে উত্তৰ পূবৰ বাবে বেলেগ নিযুক্তিৰ প্রক্রিয়াৰ ব্যৱস্থাৰ কাৰণে যোগাযোগ কৰিছে। উত্তৰ পূবৰ বাবে সুকীয়া নিয়োগনীতি হলে আমাৰ উত্তৰ পূবৰ নিবনুৱা ল'ৰা-ছোৱালী বিলাকৰ উপকাৰ হব। আমি আগতে দেখিছিলো যে তিনিচুকীয়া আৰু লামডিং জংচনত বেলেগে ৰিক্রুয়িটমেণ্ট বৰ্ড আছিল। আৰু গুৱাহাটীৰ বাবে বেলেগে বৰ্ড আছিল। কেন্দ্রীয় চৰকাৰ আৰু ৰেলবিভাগে উত্তৰ পূবৰ বাবে বেলেগ ৰিক্রুয়িটমেণ্ট বৰ্ড কৰিলে আমাৰ স্থানীয় ল'ৰা-ছোৱালী বিলাক নিয়োগৰ জৰিয়তে উপকৃত হব বুলি আশা কৰিছো বুলি তেখেতৰ প্রশ্নৰ উত্তৰত কৈছো।

★ **শ্রীগুণীন হাজৰিকা :** - মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত মাননীয় ৰেল মন্ত্রী শ্রী লালু প্রসাদ যাদৱক লগ কৰিলে ভাল হব।

**Mr. Speaker :** I now, call upon Hon'ble Member, Shri Prafulla Kr. Mahanta to raise his Zero Hour Motion which was published in "The Telegraph" dated 3-8.2004 under the caption "Garden Grading route to Tea bonus.

★ **শ্রী প্রফুল্ল কুমাৰ মহন্ত :** - মাননীয় অধ্যক্ষ মহোদয়, টেলিগ্রাফ, বাতৰি কাকতত ৩-৮-০৪ তাৰিখে প্রকাশিত বোনাচ সম্পৰ্কীয় বাতৰি মই সদনৰ জৰিয়তে মুখ্যমন্ত্রী আৰু বিভাগীয় মন্ত্রীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ অসমখন এখন

---

* Speech not corrected

ক্ষুদ্র ভাৰতবৰ্ষ। ইয়াত বহুতো ভাষা-ভাষী, জাতি-জনজাতিৰ লোকে বাস কৰে। চাহ জনজাতিসকল অসমৰ এক অবিচ্ছেদ্য অংগ। এই চাহজনজাতি সকলৰ ৮০-৯০শতাংশই চাহ বাগিছা বিলাকত শ্ৰমিক হিচাবে কাম কৰে। তেওঁলোকক পূজাৰ সময়ত ৮.৩৩ হাৰত বোনাচ দিব লাগে। এইটো এটা নিয়ম। কিন্তু তেওঁলোকক সেই প্ৰাপ্য বোনাচ দিয়াৰ ক্ষেত্ৰত বাগিছা কতৃপক্ষই গাফিলতি কৰে। তেওঁলোকক ওপৰত শোষণ কৰে। শাস্তিমূলক ব্যৱস্থা লয়। যোৱা বাৰ খোৱাং চাহ বাগিছাত এই বোনাচক লৈ এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। যাৰ ফলত চাহ শ্ৰমিকৰ মৃত্যু পৰ্য্যন্ত হৈছিল। এনেই চাহ শ্ৰমিক আৰু মালিকৰ মাজত অপ্ৰীতিকৰ পৰিস্থিতি আৰু তাৰ মাজতেই তাত প্ৰশাসনৰ হস্তক্ষেপৰ ফলত ৫ জন চাহ শ্ৰমিকক গুলীয়াই হত্যা কৰিব লগাৰ পৰিস্থিতি সৃষ্টি হৈছিল। চাহ শ্ৰমিকক বোনাচ দিয়াৰ ক্ষেত্ৰত চৰকাৰে শ্ৰমিক সংগঠন আৰু বাগিছা কতৃপক্ষৰ লগত আলোচনা কৰি কিবা সিদ্ধান্ত লৈছে নেকি? এতিয়া হল আগষ্ট মাহ। অক্টোবৰ, নবেম্বৰ মাহৰ আগতে চাহশ্ৰমিকক বোনাচ দিয়াৰ ক্ষেত্ৰত বাগিছা কতৃপক্ষ আৰু শ্ৰমিক সংগঠনৰ মাজত আলোচনা হব নেকি? পূজাৰ বোনাচৰ ক্ষেত্ৰত এ বি চি ডি কিবা ভাগ কৰিছে নেকি? চি চি পি বাগান আৰু এ টি চি ৰ অধীনৰ বাগানৰ মাজত বোনাচৰ ক্ষেত্ৰত পৰ্যায়ক্ৰমে একে ব্যৱস্থা পাব নেকি? এ টি চিৰ বাগনৰ অধীনত শ্ৰমিকেও একে ৮.৩৩ হাৰত বোনাচ পায় নেকি? চাহ বাগানৰ শ্ৰমিকসকলক বোনাচ দিয়াৰ ক্ষেত্ৰত ইয়াৰ জৰিয়তে সকলোবোৰ বাগানৰ শ্ৰমিকে বোনাচ নেপালে কি পৰিস্থিতিৰ সৃষ্টি হব আৰু সেই পৰিস্থিতিৰ সৃষ্টি হলে তাৰ মোকামিলা কৰিবৰ বাবে চৰকাৰে কেনে স্থিতি লব মই জানিব বিচাৰিছো।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) ঃ** - মাননীয় অধ্যক্ষ মহোদয়, চাহ শ্ৰমিকক বোনাচ পূজাৰ আগতে দিব লাগে। এইটো এটা নিয়ম। যোৱাবাৰ খেলিমেলি হোৱা বাবে এইবাৰ আমি ৭ সপ্তাহ আগতে বেলেন্স চীট সমূহ চৰকাৰক দিবলৈ চাহ বাগিছা সমূহক জনাইছো। তেওঁলোকে চাহ শ্ৰমিক সংগঠনৰ লগত আলোচনা কৰি বাগান কতৃপক্ষই বেলেন্স চীট জমা দিব লাগে। আমি কৈছো তোমালোকে বেলেন্স চীটবোৰ সোনকালে জমা দিব। তেতিয়াহে বোনাচৰ বিষয়টো নিস্পতি কৰিব পাৰি। এই কথাটো বিবেচনা কৰি মালিক পক্ষ আৰু শ্ৰমিক সংগঠন বিলাকক আলোচনাত বহুৱাব লাগিব। আৰু তেওঁলোকক আলোচনাৰ মাধ্যমেৰে তিনিটা নে চাৰিটা গ্ৰেড কৰিব, গ্ৰেড নে একেবাৰে তেওঁলোকে সমানে ৰাখিব এই

কথাটো বাছি উলিয়াব লাগে। এ বি চিকে যদিও তিনিটা গ্ৰেড কৰিব পৰা যায় তেনেকৈ গ্ৰেড কৰা হোৱা নাই। এইবাৰ বিবেচনা কৰি থকা হৈছে যে কিহৰ ওপৰত ভিত্তি কৰি 'এ' গ্ৰেড কৰিব পৰা যায় আৰু কিহৰ ওপৰত ভিত্তি কৰি 'বি' গ্ৰেড কৰিব পৰা যায়। এই গ্ৰেড আলোচনাৰ মাধ্যমেৰে কৰিব লাগে। যোৱা পৰহি আলোচনা কৰা হৈছে। কেনে ধৰণে গ্ৰেডেচন কৰিব। প্ৰডাকচন প্ৰডাক টি ভি টিৰ ওপৰত কৰিব নে কিহৰ ওপৰত কৰিব ১৫ আগষ্টৰ আগে আগে মালিক পক্ষক কোৱা হৈছে। বিতংভাবে তেওঁলোকক এই প্ৰপ'জেলৰ ওপৰত দেখুৱাবলৈ কোৱা হৈছে। আৰু সেইটো কোৱাৰ পিছতেই আৰু কোন পথে মালিক সংগঠনে কি কৰিব এই বিষয়ে আলোচনা কৰিব। তেতিয়াহে আগবাঢ়িব। যোৱা বছৰ খোৱাংত যি ঘটনা ঘটিল সেইটো আসাম ফ্ৰণটিয়াৰ টি কৰ্পৰেচনৰ ১২ খন বাগিছা আছিল। ১২ খন বাগিছাক আলোচনাৰ মাধ্যমেৰে ১৫ পাৰচেণ্ট দিয়া হ'ল। ১১ খন বাগিচাই বোনাচ গ্ৰহণ কৰিলে কিন্তু খোৱাং বাগিছা থাকি গ'ল আৰু তাৰ কাৰণে এই ঘটনাটো হ্‌ল। পাঁচজন শ্ৰমিক মৃত্যুমুখত পৰিল আৰু উন্নৈশজন আঘাতপ্ৰাপ্ত হ্‌ল। আজিলৈকে আমাৰ বেলেন্সচীটৰ যিটো তালিকা সেই বেলেন্সচীটত অধ্যয়ণ কৰিবৰ কাৰণে আমাৰ চৰকাৰৰ কোনো ব্যৱস্থা নাই। এইবাৰ আমি এটা প্ৰস্তাৱ লব বিচাৰিছো যে যদিও শ্ৰমিক সংগঠনৰ লগত কেনেবাকৈ আলোচনা বিফল হলেও আমি এই বেলেন্সচীট অধ্যয়ণ কৰিবৰ কাৰণে চাৰ্টাৰ একাউটেণ্ট ৰাখি বেলেগে পৰীক্ষা কৰিবলৈ ব্যৱস্থা কৰিম। আমি আশা কৰো দুৰ্গাপূজাৰ আগে আগে আমি বোনাচ খিনি বাগানৰ শ্ৰমিকক দিব পাৰিম। সেই প্ৰাপ্য ব'নাচ এতিয়া পাব বুলি আমি আশা ৰাখিছো।

**☆ শ্ৰী গুণীন হাজৰিকা ঃ** - মাননীয় অধ্যক্ষ মহোদয়, এ, টি, চি সম্পৰ্কে চৰকাৰে কি ভূমিকা লৈছে। আমাৰ এজন ৰাজ্যিক মন্ত্ৰীয়ে কথাই কথাই কয় অসম চৰকাৰ আৰ্থিকভাবে আজি স্বচ্ছল হৈছে।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) ঃ** - মাননীয় অধ্যক্ষ মহোদয়, এ, টি, চি দেউলীয়া হৈ আছে। এতিয়া কেচাপাত বিক্ৰী কৰি চলি আছে। আমি বোনাচ আইন মতে ৮.৩৩ দিব লাগিব। এই ক্ষেত্ৰত মিনিমাম বোনাচ আহিব। এ, টি, চি ৰ কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা এই প্ৰচেষ্টা চলাই থকা হৈছে আৰু লং টাৰ্ম লিজৰ কাৰণে চেষ্টা চলাই থকা হৈছে। লায়েবেলিটিৰ কাৰণে কিন্তু এতিয়া কোনো পাৰ্টি আগবাঢ়ি অহা নাই আৰু

---

✱ Speech not corrected

দিনে দিনে বাগিছা বিলাক বেয়াৰ ফালে গৈ আছে।

★ **ডঃ জয়নাথ শৰ্মা ঃ** - মাননীয় অধ্যক্ষ মহোদয়,মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাব নে যে এ, টি, চি ৰ হেড অফিচ বিক্ৰী কৰিবৰ কাৰণে কিবা প্ৰস্তাৱ লৈছে নেকি আজি গোটেই বিলাক টি গাৰ্ডেনক ব'নাচ দিব পৰা নাই। লষ্ট দেখুৱাইছে। কিন্তু টি প্ৰডাকচন কমা নাই, দাম কমা নাই, কিন্তু লষ্ট হৈ আছে। এই কথাটো কি?

## STATEMENT BY MINISTER

**মাননীয় অধ্যক্ষ ঃ-** উত্তৰ ইতিমধ্যে সদনত দিছে।

**Now, Hon'ble Minister of State (Independent), Co-operation Shri Misbahul Islam Lasker to reply the Zero Hour Question raised by the Hon'ble Member, Shri Pabindra Deka on 21st July, 2004 regarding a news item appeared on an Assamese daily 'Aji'.**

★ **Shri Misbahul Islam Lasker (Minister of State (Ind)) :** Sir, in reply to the Zero Hour Question raised by the Hon'ble Member, Shri Pabindra Deka on 21st July, 2004 regarding a news item appeared on an Assamese daily 'Aji' my reply is as follows :

It is a fact that on the night of 14th July, 2004 landslide took place at different places of Guwahati due to heavy shower and artificial flood. The Hon'ble Member has already explained the causes of the landslide in his deliberations.

It is also a fact that in and around Guwahati some people are illegally cutting/carrying earth in different areas from the hills which causes iminent danger of landslides/blockade of drains, extensive danger to the adjoining life and properties and also irreparable danger to the environment. The Deputy Commissioner, Kamrup (Metro) through the Sub-divisonal Megistrate , Kamrup (Metro) isssued an order vide No. KMJ/3/2003/68, dated 27-05-04 in excercise of

---

✱ Speech not corrected

powers conferred under Section 144 of Cr.PC 1973 prohibited unauthorised earth cutting in Greater Guwahati.

Altogether 14 persons were killed and 14 persons injured. Names of the killed persons are : -

1. Late Biplab Thakuria
2. Late Robin Kalita
3. Late Abinash Sarma
4. Late Singhasan Paswan
5. Late Puja Paswan
6. Late Hira Mandal
7. Late Biju Mandal
8. Late Bishal Mandal
9. Late Narayan Das
10. Late Naren Das
11. Late Anil Lahkar
12. Late Kanailal Sarma
13. Late Sanjay Yadav
14. Late Kiran Das

Names of the injured persons are :-

1. Shri Luku Roy
2. Shri Hemen Pathak
3. Shri Rantu Das
4. Shri Ghanashyam Das
5. Shri Gitanjali Das
6. Shri Hemen Choudhury
7. Shri Bipul Choudhury
8. Shri Mukut Choudhury
9. Shri Ajghar Ahmed
10. Shri Paresh Kalita
11. Shri Arun Das

12. Smti. Shakuntala Yadav
13. Smti Sonia Yadav
14. Shri Ranjit Yadav,

Ex-gratia Grant at the rate of Rs. 5000/- to the next of kin of the 14 persons killed and @Rs. 500/- to the injured persons has been distributed by the Deputy Commissioner, Kamrup (Metro). Ex-gratia grant will be provided as per norms in due course.

The ex-gratia grant to the next of the kin of the killed persons due to electrocute is under process.

## CALL ATTENTION NOTICE

**Mr. Speaker : ITEM NO. 2.** Now, Hon'ble Member, Smt. Pramila Rani Brahma is to call the attention of the Hon'ble Minister, Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Dainik Janambhumi" dated 5th July, 2004.

*** শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫ জুলাই তাৰিখে 'দৈনিক জনমভূমি'কাকতত প্ৰকাশ পোৱা "দৰঙত সৰ্বশিক্ষাৰ কাণ্ড-বিজ্ঞানৰ প্ৰশ্নকাকতৰ আনটো পিঠিত সমাজ অধ্যয়ণৰ প্ৰশ্ন" এই বাতৰিটোৰ প্ৰতি মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ছাৰ, বাতৰিটো বৰ চিৰিয়াচ। শিক্ষা বিভাগটো হৈছে হিউমেন কুৱালিটিৰ এটা অনুষ্ঠান। এই অনুষ্ঠানটোৰ যোগেদি আমাৰ ৰাজ্যখনত থকা ল'ৰা-ছোৱালী বিলাকক ১০০ শতাংশ শিক্ষিত কৰিবৰ কাৰণে সৰ্বশিক্ষাৰ আচনিৰ জৰিয়তে প্ৰয়াস কৰা হৈছে। যিবিলাক ল'ৰা-ছোৱালী স্কুললৈ নোযোৱাকৈ বা যিবিলাক ল'ৰা-ছোৱালী স্কুললৈ গৈ পেলাই এৰি দিছে সেইবোৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰিবৰ বাবে সৰ্বশিক্ষা আঁচনিৰ জৰিয়তে এটা ব্ৰীজ কোৰ্চ খোলা হৈছে। এই কোৰ্চৰ জৰিয়তে সেইসকল ল'ৰা-ছোৱালীক শিক্ষিত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে। সেই কাৰণে আমাৰ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে বহুত কৌটি টকা খৰছ কৰিছে। ছাৰ, মাননীয়

* Speech not corrected

চুপ্রিম কোৰ্টৰ এটা ভাৰদিক্ট আছিল যে ১৪ বছৰৰ তলত ল'ৰা-ছোৱালীক শিক্ষা গ্ৰহণ কৰাতো বাধ্যতামূলক কৰিব লাগে। ছাৰ, এইটো ফানদামেনটেল ৰাইট্চ। সেইমতে সৰ্বশিক্ষা আঁচনিৰ জৰিয়তে আমাৰ ৰাজ্যখনত থকা ল'ৰা-ছোৱালী বিলাকক শিক্ষা দিয়াৰ বাবে ব্ৰীজ কোৰ্চৰ ব্যৱস্থা লোৱা হৈছে। এনে অৱস্থাত এই বাতৰিটো প্ৰকাশ পোৱাটো সচাকৈয়ে দুৰ্ভাগ্যজনক। ছাৰ, ২৮ জুনত ক্লাচ চিক্সৰ চেকেণ্ড ইউনিট টেষ্ট হৈছিল আৰু তেতিয়া তাত বিজ্ঞানৰ প্ৰশ্ন কাকত বিলোৱা হৈছিল। প্ৰশ্ন কাকতত দেখা গৈছিল যে বিজ্ঞানৰ প্ৰশ্ন কাকতৰ আনটো পিঠিত সমাজ অধ্যয়ণৰ প্ৰশ্ন দৃষ্টিগোচৰ হৈছিল। এনেকুৱা ধৰণৰ প্ৰায় ১০ খন মান প্ৰশ্ন কাকত পোৱা হৈছিল। এই স্কুলখন টংলাৰ ওচৰৰ এখন মধ্য ইংৰাজী বিদ্যালয় বুলি কোৱা হৈছে। যেতিয়া স্কুলত প্ৰশ্ন কাকত বিলাই থকা হৈছিল তেতিয়া এই বিষয়টো দৃষ্টি গোচৰ হয়। ছাৰ, অকল বিজ্ঞানৰ প্ৰশ্ন কাকতে নহয়। ইয়াৰ আগতেও প্ৰশ্ন কাকত লৈ বহুত খেলি-মেলি হৈছে। কিন্তু ইমানখিনি হোৱাৰ পিছতো সৰ্বশিক্ষাৰ যিসকল বিষয়া আছে তেওঁলোকে ইয়াৰ পৰা একো শিক্ষা নললে। যাৰ বাবে বাৰে বাৰে এই ধৰণৰ খেলি-মেলি হৈ আছে। ছাৰ, অকল দৰং জিলাতে নহয়, অসমৰ বহুতো ঠাইত এই ধৰণৰ খেলিমেলি হৈছে। আমাৰ কোকৰাঝাৰ জিলাতো এই ধৰণৰ বহুত খেলিমেলি হৈছে। ছাৰ, এই বিষয়ে মোৰ হাতত নমুনা আছে। ছাৰ, ২৮ জুনত হোৱা বড়ো মাধ্যমৰ প্ৰশ্ন কাকত এখনৰ প্ৰথম পৃষ্ঠা চপোৱা হৈছে কিন্তু ভিতৰত একো নাই। ভিতৰত খালি হৈ আছে। ইয়াৰ ফলত মাষ্টৰে সেই খালি ঠাইবোৰ ফিলাপ কৰাৰ বাবে বোৰ্ডত লিখি দি সেইবোৰ ল'ৰা-ছোৱালী বিলাকক লিখি লবলৈ দিছিল। এই প্ৰশ্ন কাকতৰ বাবে পৰীক্ষাৰ্থী সকলক সময় দিয়া হৈছিল দুঘণ্টা। এই দুঘণ্টাৰ ভিতৰতে প্ৰশ্ন কাকত লিখি শেষেই কৰিব নে মাষ্টৰে বোৰ্ডত লিখি দিয়া খালি ঠাইবোৰৰ বাবে লিখিব। যাৰ বাবে ল'ৰা-ছোৱালী বিলাকে প্ৰশ্ন কাকত শেষ কৰিব নোৱাৰি কান্দি দিছে। ইয়াৰ বাবে ল'ৰা-ছোৱালী বিলাকৰ মগজুত আঘাট পোৱা বাবে তেওঁলোকে একো লিখিব নোৱাৰি কান্দি পেলাইছে। অকল ছাৰ এইটোৱেই নহয় বড়ো মাধ্যমৰ এম, আই, এল প্ৰশ্ন কাকতৰ ক্ষেত্ৰতো খেলিমেলি হৈছে। প্ৰথম পেজটো চপোৱা হৈছে আৰু শেষৰ পেজটো চপোৱা হৈছে। মাজত একো নাই। ২৮ জুনৰ পৰীক্ষাৰ প্ৰশ্ন কাকত তাৰ পিছদিনা গৈ পাইছে। ছাৰ, ইমান টকা খৰছ কৰি এই ল'ৰা-ছোৱালী বিলাকক শিক্ষিত কৰাৰ বাবে ব্যৱস্থা লোৱা হ'ল কিন্তু একো সুফল নহ'ল। ইয়াৰোপৰি মিশ্বন ডাইৰেক্টৰে প্ৰশ্ন কাকত ছপা কৰাৰ বাবে যিটো ৰেট ফিক্স কৰি দিছিল সেইমতে জিলাৰ বিষয়া সকলে প্ৰশ্ন কাকত ছপোৱা নাই। বহুত বেছি ৰেটত ছপা কৰিছে। ধেমাজি জিলাতো প্ৰশ্ন কাকত

ছপোৱাৰ নামত বহুত টকাৰ খেলিমেলি হৈছে। ছাৰ, সৰ্বশিক্ষাৰ নামত ইমান কৌটি টকা খৰছ কৰাৰ পিছতো কিয় ইমান খেলিমেলি হৈছে।

**Mr. Speaker :** Vacated the Chair and Mr. Dy. Speaker occupied the (chair) माननीय উপাধ্যক্ষ মহোদয়, প্ৰতি পেজত ৪০ পইচাকৈ হ'ব লাগে। চিঙ্গুল পেপাৰ হ'ব লাগিছিল, প্ৰতিখন পেপাৰত ৩০/৪০ পইচা হব লাগিছিল। ধেমাজিত ৪৭ পইচা হব লাগে। এই কথাটো কেৱল অকল দৰং জিলাতে হোৱা নাই। বিভিন্ন ঠাইত হৈছে, বিভিন্ন জিলাত খেলিমেলি দুৰ্নীতি হৈছে এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো। এইটো যাতে ৰোধ কৰে তাৰ কাৰণে মই ৰেইজ কৰিছো। প্ৰশ্ন কাকত খেলিমেলি হোৱাৰ কাৰণে আমাৰ ল'ৰা-ছোৱালী বিলাকৰো খেলিমেলি হৈছে। এইটো মই দৃষ্টিগোচৰ কৰিছো। এই বিভাগত যিসকল উচ্চ বিষয়াই চাকৰি কৰি আছে, তেওঁলোকৰ দায়িত্ব আছে। তেওঁলোকৰ একচন ললে নে নাই? কিতাপ বিতৰণৰ ক্ষেত্ৰত, প্ৰশ্ন কাকতৰ নামত যথেষ্ঠ খেলিমেলি হৈছে। মিছন ডাইৰেক্টৰ বা যিসকল টপ্ অফিচাৰ তেওঁলোকে এই বিষয়ত চকু নিদিয়াৰ কাৰণে তলৰ অফিচাৰ সকলে খেলিমেলি কৰিবলৈ সুবিধা পাইছে। গতিকে টপ্ অফিচাৰ সকলক শাস্তি বিহিব লাগে। এই ক্ষেত্ৰত সোনকালে ব্যৱস্থা লবলৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। The Sarba Shiksha Abhijan is the positive response to the direction of the Hon'ble Supreme Court of India regarding making the education up to the age of 14 years a fundamental right of every child. The programme involves a holistic and convergent approach with a clear focus on a District as a unit of planning and implementation. The framework of Sarva Siksha Abhijan has been designed as people's movement for education for all, which will provide useful and relevant elementary education of satisfactory one quality for all 2010 AD bridging all social and gender gapes, with rigorous and active participation of the community in the affairs of the schools.

Considering the importance of the programme, it has been decided to implement the Sarva Siksha Abhijan in all the District of Assam, since 2001-2002. সেই সময়ৰ পৰা সৰ্ব্বশিক্ষাৰ যোগেদি আমাৰ ল'ৰা-ছোৱালী বিলাকক শিক্ষা দিবৰ কাৰণে সম্পূৰ্ণ দায়িত্ব লব বুলি কৈছে। এইটো স্বীকাৰ

কৰিছে, কিন্তু হোৱা নাই। ইয়াৰ পৰা শিক্ষাৰ মানদন্দ অৱনমিত হৈছে। শিক্ষা কেনেধৰণৰ নীতি নিয়মৰ মাজত সফল কৰিব লাগে, ল'ৰা-ছোৱালী বিলাকক আপ্‌গ্ৰেড কৰিব পাৰি তাৰ ব্যৱস্থা লবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। দোষী বিষয়া সকলক ষ্টাডিলি ডিচিপ্লিনাৰী এক্‌চন লবৰ কাৰণে অনুৰোধ জনাই মই মোৰ বক্তব্য ইমানতে সামৰিছো।

**Mr. Deputy Speaker - Now, Hon'ble Minister, Education.**

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মাই বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪নং নিয়মাৱলীৰ অধীনত ২০০৪ চনৰ ৫ জুলাই তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্ৰকাশিত দৰঙত সৰ্বশিক্ষাৰ কাণ্ড বিজ্ঞানৰ প্ৰশ্নকাকতৰ আনটো পিঠিত সমাজ অধ্যয়ণৰ প্ৰশ্ন" শীৰ্ষক বাতৰিটোৰ প্ৰতি উল্লেখ কৰিছে। এই সম্পৰ্কে মাননীয়া সদস্যা গৰাকীয়ে প্ৰশ্ন কাকতৰ যি খেলিমেলিৰ কথা কৈছে, এই কথাটো চৰকাৰৰ বিবেচনা কৰাৰ অৱকাশ আছে। কিন্তু গোটেই বিষয়টো বিতংভাবে আজি কবলৈ সময়ৰ অসুবিধা হব। মই বিজ্ঞানৰ প্ৰশ্ন কাকতৰ বিষয়ে কবলৈ বিচাৰিছো। দৰং জিলাত মূল্যায়ন বোৰ্ডৰ সিদ্ধান্ত মৰ্মে অসম সৰ্ব্বশিক্ষা মিছনৰ অৰ্থ সাহাৰ্য্যৰে অনুষ্ঠিত কৰা দৰং জিলাৰ দ্বিতীয় সাময়িকী মূল্যায়নৰ বাবে প্ৰশ্ন কাকত ছাপোৱা বিলোৱা আদি কামৰ দায়িত্ব জিলাখনৰ অভিজ্ঞ শিক্ষকৰ দ্বাৰা গঠিত মঙ্গলদৈ এম, ই শিক্ষক সন্থাক অৰ্পন কৰা হৈছিল। উল্লেখযোগ্য যে এম, ই, শিক্ষক সন্থাইও জিলা মূল্যায়ন বোৰ্ডৰ সদস্য। একঅভিজ্ঞ শিক্ষক সন্থাই এই দায়িত্ব লোৱাত দ্বিতীয় সাময়িকি মুল্যায়ন যথাযথ ভাবে সমাপন হব বুলি নিশ্চিত থকা হৈছিল। কিয়নো তেওঁলোক বহু বছৰ ধৰি এনেধৰণৰ পৰীক্ষাৰ প্ৰশ্ন কাকত প্ৰস্তুত কৰা, ছপাকৰণ, বিলোৱা আদি কামত জড়িত হৈ আছে। অসমত সৰ্ব্বশিক্ষা অভিযান মিছনৰ অৰ্থ সাহাৰ্য্যৰে অনুষ্ঠিত কৰা সাময়িকী মূল্যায়ন প্ৰথা প্ৰচলন কৰাৰ আগতে জিলা সমূহৰ শিক্ষক বোৰেই ছয়মাহিলী/বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্ন কাকত ছপোৱা বিলোৱা আদি কাম কৰি আছিল।

দ্বিতীয় সাময়িকী মূল্যায়ন বিজ্ঞানৰ প্ৰশ্নকাকত বিলোৱা সময়ত টংলাৰ ওচৰৰ ইডেনবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ১০/১৫ খন ত্ৰুটিপূৰ্ণ প্ৰশ্ন কাকতৰ বিষয়ে অৱগত হোৱাৰ লগে লগে তৎকালীন ভাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত

* Speech not corrected

লোৱা হৈছিল। এম, ই , শিক্ষক সন্থাটোৱে জানিবলৈ দিয়া মতে বিদ্যালয় খনত ১০/১৫ খন প্ৰশ্ন কাকতত ক্ৰুটি থকা তেওঁলোকে তৎকালে জানিব পাৰে আৰু লগে লগে তাৰ সলনি শুদ্ধ প্ৰশ্নকাকত বিদ্যালয়খনক যোগান ধৰে। এই সন্দৰ্ভত শিক্ষক সন্থাটোৱে জানিব দিয়ে যে উক্ত ১০/১৫খন ক্ৰুটিপূৰ্ণ প্ৰশ্নকাকত অবাঞ্ছিত ভাৱে ছপাশালৰ পৰা ওলাই আহে আৰু শিক্ষক সন্থাটেৱে ভৱিষ্যতে এই ক্ষেত্ৰত অধিক সাবধান হব বুলি দৰং জিলাৰ মিছন সমন্বয়ক প্ৰতিশ্ৰুতি দিয়ে।
উল্লেখযোগ্য যে বিষয়টোৰ পৰিপ্ৰেক্ষিতত ভৱিষ্যতে সাময়িকী মূল্যায়নত ক্ৰুটিশূন্য প্ৰশ্নকাকত ছপা কৰি উলিওৱাৰ বাবে জিলা মূল্যায়ন বোৰ্ডত বিশদ ভাৱে আলোচনা কৰি যথাযথ ব্যৱস্থা লোৱা হ'ব।

## MATTER UNDER RULE 301

**Mr. Deputy Speaker : -** Now, item no. 3. Sri Dinesh Ch. Sarkar, Hon'ble Member to draw the attention of the Minister, Education by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Amar Asom" dated 3rd June, 2004 under the caption:

"বিদ্যালয় গৃহ নিৰ্মাণত দুৰ্নীতি কংক্ৰীটৰ মাজত লোৰ ৰডৰ সলনি বাহৰ চেকনী"

**শ্ৰী দিনেশ চন্দ্ৰ সৰকাৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২০০৪ চনৰ ৩ জুন তাৰিখে 'আমাৰ অসম' বাতৰি কাকতত "বিদ্যালয় গৃহ নিৰ্মানত দূৰ্নীতি, কংক্ৰীটৰ মাজত লোৰ ৰডৰ সলনি বাহৰ চেকনী" এই বাতৰিটো প্ৰকাশ কৰিছে। উক্ত স্কুলখনত এক লাখ টকা দিয়া হৈছে। কাম চলি আছে। তাত কামবিলাক কেনেকৈ হৈ আছে সেইটো ভাবিবলগীয়া কথা। তাত দিনত কাম নকৰে ৰাতি কাম কৰে। তেতিয়া স্থানীয় মানুহৰ সন্দেহ হ'ল। এই কাম দেখি মাষ্টাৰ জনৰ লগত কাজিয়া হ'ল। গাঁওৰ মানুহে ঘৰটো ভাঙি দিলে। তেতিয়া দেখিবলৈ পালে যে সেই ঘৰটোত ৰডৰ সলনি বাহৰ চেকনীৰে কংক্ৰীট কৰিছে। সেই মাষ্টাৰজনক মানুহে হেস্তনেস্ত কৰিছিল। এই কথাটো সৰ্ব্বশিক্ষাৰ ওপৰ মহলত জনোৱা হৈছে।
হেস্তনেস্তহৈ শিক্ষক জনে ধুবুৰীৰৰ মিছন কো-অৰ্ডিনেটৰক কথাটো ক'লে।

Mission Co-ordinator এ ধমকি দিলে — তোমাক কোৱা হৈছে নেকি ৰাতি কাম কৰিবা? শিক্ষকে কলে চাৰ ৰাতি কাম কৰাৰ বাবে এনেকুৱা হৈছে। ৰাতি কাম কৰাৰ কাৰণেই ধৰা পৰিছোঁ। কেন্দ্ৰীয় চৰকাৰে কোটি কোটি টকা দিছে। আমাৰ অসম চৰকাৰে সদিচ্ছাৰে সেই কামবোৰ আঁচনি মতে যথাযথ ভাৱে খৰচ কৰিব পাৰিলে জনসাধাৰণৰ কামত লাগিলহেঁতেন। কিন্তু কামবোৰ প্ৰায় সকলো ঠাইতে বেয়া হৈছে। আন এখন স্কুল ৭৩৪ নং শিলভেৰিয়া স্কুলৰ কাৰণে এক লাখ চল্লিশ হাজাৰ দিয়া হৈছে। চাৰ্কুলাৰ দিয়া নাই যদিও শিক্ষকজনে বিতৰণ কৰি লৈ গ'ল। কাম কৰি আছে কিন্তু কি ধৰণে কাম কৰিছে উদাহৰণ দিলে বেয়া লাগিব। মন্ত্ৰী মহোদয়েও নিজেই জানে। তাৰ উপৰিও ৫৬৭ নম্বৰ কালঢোৱা স্কুলৰ কাৰণে ডি - আৰি - ডি এৰ পৰা ডেৰ লাখ টকা দিয়া হৈছে। কিন্তু ঠাইখন স্কুলৰ কাৰণে আনহাইজেনিক কাৰণে আন ঠাইলৈ নিবলৈ ৰাইজে মন কৰিলে। মাটিও দিলে নতুন ঠাইত। বিভাগৰ পৰা তদন্ত কৰিলে এচ আইও তদন্ত কৰিলে আৰু আগৰ ঠাইখিনি বেয়া বুলি কলে। তাৰ পিচত কাম আৰম্ভ কৰাৰ সময়ত মিছন ডিৰেক্টৰৰ লগত কাজিয়া লগাই দিলে। এনেকুৱাকৈয়ে ধুবুৰীৰ শিক্ষা ব্যৱস্থা ডুবি গৈছে। গতিকে দায়িত্বশীল মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। সৰ্ব্বশিক্ষা আঁচনিৰ টকাৰে এনেদৰে কাম নোহোৱাকৈ টকা অযথা খৰচ হৈ আছে। ধুবুৰীত যিমান বিলাক স্কুলৰ কাৰণে টকা দিয়া হৈছে সেই বিলাক ভালদৰে চাব লাগে কিমান কাম হৈছে আৰু কেনে ধৰণৰ কাম হৈছে? বাতৰি কাকতত ওলোৱা স্কুলখনবো তদন্ত হব লাগে। স্কুলত লোহাৰ ৰডৰ সলনি বাঁহৰ ৰড ব্যৱহাৰ কৰিছে। মিছন ডাইৰেক্টৰ নিবাৰণ দাসৰ কামৰ তদন্ত হব লাগে। তেওঁ তাত থকালৈকে যিমান টকা সৰ্ব্বশিক্ষাৰ নামত যায় তাৰ কাম নহ'ব। মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পাম বুলি এইকেইটা কথা উত্থাপন কৰিলো।

